গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক চতুৰ্থ যান্মাসিকৰ
আধুনিক ভাৰতীয় ভাষা (অসমীয়া) পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীৰ হাত-পুথি

BA 4th Semester • MIL (Assamese)

# নিৰ্বাচিত অসমীয়া চুটিগল্প




সংকলন-সম্পাদনা ঃ মুহাম্মাদ আফজাল


খাইৰ প্ৰকাশন
মৈৰাবাৰী, মৰিগাঁও ঃ অসম

**Nirbachita Asomiya Chutigalpa :** *A hand book for the students of B.A 4th Semester. Subject: MIL (Assamese) under Gauhati University. Compiled & Edited by* ***Muhammad Afzal*** *and Published by* ***Khair Prakashan****. Moirabari, Morigaon - 782 126 (Assam).*
**1st Edition :** March, 2016. **Price :** ₹ 50/- only.

প্ৰকাশক ঃ খাইৰ প্ৰকাশন
মৈৰাবাৰী, মৰিগাঁও - ৭৮২ ১২৬ (অসম)
ই-মেইলঃ **khairprakashan@gmail.com**

© প্ৰকাশক

**ISBN: 978-81-930638-0-4**

প্ৰথম প্ৰকাশ ঃ মাৰ্চ, ২০১৬

মূল্য ঃ ₹ ৫০/- মাত্ৰ

প্ৰচ্ছদ ঃ হিমাদ্ৰী, আফজাল

অক্ষৰ বিন্যাস ঃ হিমাদ্ৰী, আফজাল

মুদ্ৰণ ঃ হিমাদ্ৰী অফছেট এণ্ড ইমেজিং চিষ্টেম
উদয় নগৰ, মৰিগাঁও - ৭৮২ ১০৫

**প্ৰাপ্তি স্থান ঃ**

- খাইৰ প্ৰকাশন, পুস্তকালয়, কম্পিউটাৰ চেণ্টাৰ
  কলেজ ৰোড, মৈৰাবাৰী, মৰিগাঁও-৭৮২১২৬
  ফোন ঃ ৮৪৮৬২-৮৯৪৫৪, ৯৫০৮১-৫৩৮০২
- অপ্সৰা পুস্তকালয়, কলেজ ৰোড, মৈৰাবাৰী, মৰিগাঁও-৭৮২১২৬
- আৰিফ বুক ষ্টল, হয়বৰগাঁও, নগাঁও
- জাগৰণ সাহিত্য প্ৰকাশ, পাণবজাৰ, গুৱাহাটী-১

# পাঠ্যক্ৰম (Syllabus)

## স্নাতক চতুৰ্থ ষান্মাসিক :: গুৱাহাটী বিশ্ববিদ্যালয়
## আধুনিক ভাৰতীয় ভাষা (অসমীয়া) [MIL (Assamese)]
## E-408 : চতুৰ্থ কাকত : অসমীয়া চুটিগল্প, উপন্যাস আৰু ৰচনা

মূল্যাংক : ৮০

| | | | |
|---|---|---|---|
| প্ৰথম গোট | : | চুটিগল্প -- | ২০ |
| | | লক্ষ্মীনাথ বেজবৰুৱা : ধোঁৱাখোৱা | |
| | | নগেন্দ্ৰ নাৰায়ণ চৌধুৰী : ভাগ-বাটোৱাৰা | |
| দ্বিতীয় গোট | : | চুটিগল্প-- | ২০ |
| | | লক্ষ্মীনাথ ফুকন : ডাক্তৰ | |
| | | অণিমা দত্ত : অৱগাহন | |
| তৃতীয় গোট | : | উপন্যাস -- | ২৫ |
| | | ৰজনীকান্ত বৰদলৈ : নিৰ্মল ভকত | |
| চতুৰ্থ গোট | : | ৰচনা | ১৫ |

## সূচীপত্ৰ


- অসমীয়া চুটিগল্পৰ কিছু জানিবলগীয়া তথ্য আৰু তালিকা/৪-৮
- খোৰতে পাঠ্যক্ৰমৰ নিৰ্বাচিত অসমীয়া চুটিগল্প/৯-১২
- ধোঁৱাখোৱা : লক্ষ্মীনাথ বেজবৰুৱা/১৩-১৮
- ভাগ-বাটোৱাৰা : নগেন্দ্ৰ নাৰায়ণ চৌধুৰী/১৯-৩২
- ডাক্তৰ : লক্ষ্মীনাথ ফুকন/৩৩-৪৪
- অৱগাহন : অণিমা দত্ত/৪৫-৫১
- ৰচনাধৰ্মী আৰ্হি প্ৰশ্ন/৫২
- ষান্মাসিক পৰীক্ষাৰ প্ৰশ্নকাকত/৫৩-৫৮

# অসমীয়া চুটিগল্পৰ কিছু জানিবলগীয়া তথ্য

- আধুনিক 'চুটিগল্প' শব্দটো ইংৰাজী 'Short Story'-ৰ পৰা আহিছে। প্ৰতিবেশী বাংলা ভাষাত ইয়াৰ প্ৰতিশব্দ হ'ল 'ছোটগল্প'।
- চুটিগল্প আলোচনীৰ সন্তান। --- এড্‌গাৰ এলেন পো। বিশ্বৰ আন আন সাহিত্যৰ দৰে অসমীয়া চুটিগল্পৰ জন্মও আলোচনীৰ পাততে।
- ঊনবিংশ শতিকাৰ শেষ দশকত (১৮৯২) জন্ম লাভ কৰা অসমীয়া চুটিগল্পৰ বিকাশত মুখ্য ভূমিকা গ্ৰহণ কৰা আলোচনী তিনিখন হ'লঃ জোনাকী (১৮৮৯), আৱাহন (১৯২৯) আৰু ৰামধেনু (এপ্ৰিল, ১৯৫০)। এই আলোচনী তিনিখনৰ জৰিয়তে অসমীয়া চুটিগল্পৰ ইতিহাসত ক্ৰমে জোনাকী যুগ (১৮৯২-১৯২৯), আৱাহন যুগ (১৯২৯-১৯৪০) আৰু ৰামধেনু যুগ (১৯৪০-১৯৭০)-ৰ সূত্ৰপাত হয়।
- প্ৰথম অসমীয়া চুটিগল্পঃ 'জোনাকী' আলোচনীৰ চতুৰ্থ বছৰৰ চতুৰ্থ সংখ্যাত প্ৰকাশিত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ 'সেউতী' নামৰ গল্পটোকেই সমালোচকসকলে প্ৰথম অসমীয়া চুটিগল্প আৰু বেজবৰুৱাৰো প্ৰথম চুটিগল্প বুলি অভিহিত কৰিছে।
- প্ৰথম অসমীয়া চুটিগল্প-সংকলন/চুটিগল্প-পুথিঃ লক্ষ্মীনাথ বেজবৰুৱাৰ 'সুৰভি' (১৯০৯)।
- অসমীয়া চুটিগল্পৰ জনক/প্ৰৱৰ্তকঃ লক্ষ্মীনাথ বেজবৰুৱা।
- অসমীয়া সাহিত্যৰ গল্প সম্ৰাটঃ চৈয়দ আব্দুল মালিক।
- অসমীয়া সাহিত্যত সৰ্বাধিক সংখ্যক চুটিগল্পৰ ৰচয়িতাঃ চৈয়দ আব্দুল মালিক।
- যুদ্ধোত্তৰ/ৰামধেনু যুগৰ সৰ্বশ্ৰেষ্ঠ গল্পকাৰঃ চৈয়দ আব্দুল মালিক।

## তালিকা - ১

### অসমীয়া সাহিত্যত যুগ সৃষ্টিকাৰী আলোচনী আৰু উল্লেখযোগ্য গল্পকাৰ

| আলোচনী | প্ৰথম প্ৰকাশ | পৃষ্ঠপোষক/ প্ৰতিষ্ঠাতা | প্ৰথম সম্পাদক | আলোচনীৰ জৰিয়তে সৃষ্ট সাহিত্যিক যুগ | যুগ হিচাপে উল্লেখযোগ্য গল্পকাৰ |
|---|---|---|---|---|---|
| জোনাকী | ১৮৮৯ কলিকতা | 'জোনাকীৰ ত্ৰিমূৰ্তি'— চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী আৰু লক্ষ্মীনাথ বেজবৰুৱা প্ৰমুখ্যে অঃ ভাঃ উঃ সাঃ সভা'ৰ সদস্যবৃন্দ। | চন্দ্ৰকুমাৰ আগৰৱালা | জোনাকী যুগ | লক্ষ্মীনাথ বেজবৰুৱা, শৰৎচন্দ্ৰ গোস্বামী, নকুলচন্দ্ৰ ভূঞা, সূৰ্য্যকুমাৰ ভূঞা, দণ্ডিনাথ কলিতা, লক্ষ্মীনাথ ফুকন, মিত্ৰদেৱ মহন্ত, মহীচন্দ্ৰ বৰা, হলিৰাম ডেকা। |
| আৱাহন | ১৯২৯ কলিকতা | নগেন্দ্ৰ নাৰায়ণ চৌধুৰী | ডাঃ দীননাথ শৰ্মা | আৱাহন যুগ | নগেন্দ্ৰ নাৰায়ণ চৌধুৰী, লক্ষ্মীনাথ ফুকন, মহীচন্দ্ৰ বৰা, লক্ষ্মীধৰ শৰ্মা, হলিৰাম ডেকা, ৰমা দাশ, বিৰিঞ্চি কুমাৰ বৰুৱা, ত্ৰৈলোক্যনাথ গোস্বামী, মুনীন বৰকটকী, কৃষ্ণ ভূঞা। |

| | | | | | |
|---|---|---|---|---|---|
| ৰামধেনু | এপ্ৰিল, ১৯৫০ ৰামধেনু ভৱন, গুৱাহাটী | ইন্দ্ৰকমল বেজবৰুৱা (স্বত্বাধিকাৰী) | ইন্দ্ৰকমল বেজবৰুৱা | ৰামধেনু যুগ | চৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, যোগেশ দাস, মহিম বৰা, সৌৰভ কুমাৰ চলিহা, ভবেন্দ্ৰনাথ শইকীয়া, হোমেন বৰগোহাঞি, চন্দ্ৰ প্ৰসাদ শইকীয়া, স্নেহ দেৱী, লক্ষ্মীনন্দন বৰা, নিৰুপমা বৰগোহাঞি, নিৰোদ চৌধুৰী, মেদিনী চৌধুৰী, শীলভদ্ৰ, মামণি ৰয়ছম গোস্বামী, অতুলানন্দ গোস্বামী, কুমুদ গোস্বামী, নগেন শইকীয়া, প্ৰবীণা শইকীয়া, নীলিমা শৰ্মা, গোবিন্দ প্ৰসাদ শৰ্মা, অপূৰ্ব শৰ্মা অণিমা দত্ত (ভঁৰালী), পদ্ম বৰকটকী, মহেন্দ্ৰ বৰঠাকুৰ, ভদ্ৰেশ্বৰ ৰাজখোৱা, ৰিজু হাজৰিকা, ইমৰান শ্বাহ, হৰেকৃষ্ণ ডেকা, যতীন বৰা, ৰোহিণী কুমাৰ কাকতী, প্ৰণৱজ্যোতি ডেকা ..... |

## তালিকা - ২

### অসমীয়া চুটিগল্প ঃ এটি পাঠ্যক্ৰম ভিত্তিক তালিকা

| অসমীয়া চুটিগল্পৰ যুগ | গল্পকাৰ | প্ৰকাশিত গল্প-পুথি/ গল্প-সংকলন | অসমীয়া গল্প সাহিত্যত বিশেষ কৃতিত্ব | পাঠ্যক্ৰমৰ চুটিগল্প | চুটিগল্পটিৰ অধ্যায় / খণ্ড | চুটিগল্পটিৰ মূল উৎস গ্ৰন্থ / আলোচনী |
|---|---|---|---|---|---|---|
| প্ৰাৰম্ভিক যুগ/ জোনাকী যুগ (১৮৯২— ১৯২৯) | লক্ষ্মীনাথ বেজবৰুৱা (কাতি মাহৰ লক্ষ্মী পূৰ্ণিমা, ১৮৬৪—২৬ মাৰ্চ, ১৯৩৮) | সুৰভি (১৯০৯) সাধুকথাৰ কুকি (১৯১০) জোনবিৰি (১৯১৩) কেহোঁকলি (১৯৬৮) | অসমীয়া চুটিগল্পৰ জনক/প্ৰৱৰ্তক | ধোঁৱাখোৱা | ৬ টা আধ্যা | সাধুকথাৰ কুকি (১৯১০) |
| আৱাহন যুগ (১৯২৯— ১৯৪০) | নগেন্দ্ৰ নাৰায়ণ চৌধুৰী (২৭ ডিচেম্বৰ, ১৮৮১— ১১ নৱেম্বৰ, ১৯৫৭) | নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্প (১৯৬৩), বীণাৰ ঝংকাৰ (১৯৬৪), নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্প (১৯৭৮) (তিনিওখনৰে সম্পাদনাঃ ড° হেমন্ত কুমাৰ শৰ্মা) | 'আৱাহন' আলোচনীৰ প্ৰতিষ্ঠাতা/ পৃষ্ঠপোষক | ভাগ-বাটোৱাৱা | ৬ টা খণ্ড | 'আৱাহন' আলোচনী (ষষ্ঠ বছৰ, দ্বিতীয় সংখ্যা) |

## তালিকা - ২

### অসমীয়া চুটিগল্প ঃ এটি পাঠ্যক্রম ভিত্তিক তালিকা

| অসমীয়া চুটিগল্পৰ যুগ | গল্পকাৰ | প্ৰকাশিত গল্প-পুথি/ গল্প-সংকলন | অসমীয়া গল্প সাহিত্যত বিশেষ কৃতিত্ব | পাঠ্যক্ৰমৰ চুটিগল্প | চুটিগল্পটিৰ অধ্যায় / খণ্ড | চুটি গল্পটিৰ মূল উৎস গ্ৰন্থ / আলোচনী |
|---|---|---|---|---|---|---|
| আৰাহন যুগ (১৯২৯— ১৯৪০) | লক্ষ্মীনাথ ফুকন (২৯ জানুৱাৰী, ১৮৯৪— ৪ এপ্ৰিল, ১৯৭৫) | মালা (১৯১৮)<br>ওফাইদাং (১৯৫২)<br>মৰমৰ মাধুৰী (১৯৬৩)<br>আশাত উৎফুল্ল প্ৰাণ (১৯৬৫)<br>আনন্দে নধৰে হিয়া (১৯৬৭) | ----- | ডাক্তৰ | ৬ টা খণ্ড | মৰমৰ মাধুৰী (১৯৬৩) |
| যুদ্ধোত্তৰ যুগ/ ৰামধেনু যুগ (১৯৪০— ১৯৭০) | অণিমা দত্ত (ভঁৰালী) | বেলি ফুলৰ সপোন (১৯৬২)<br>কাঞ্চনজংঘা (১৯৯১) | 'কাঞ্চনজংঘা' গল্প-পুথিখনৰ বাবে অসম সাহিত্য সভাৰ বসন্তী দেৱী বৰদলৈ সাহিত্য বঁটা লাভ(১৯৯৬) চিত্ত উদ্ৰেককাৰী গল্প আৰু ৰচনাৰে অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধিত যোগোৱা জীৱনজোৰা অৱদানৰ বাবে 'প্ৰবীণা শইকীয়া সাহিত্য বঁটা' লাভ (২০০৪) | অৱগাহন | X | কাঞ্চনজংঘা (১৯৯১) |

# গ্ৰেৰডে পাঠ্যক্ৰমৰ নিৰ্বাচিত অসমীয়া চুটিগল্প

## ধোঁৱাখোৱা

অসমীয়া চুটিগল্পৰ জনক ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ 'ধোঁৱাখোৱা' এটি আখ্যানপ্ৰধান চুটিগল্প। গল্পটোত কাছাৰীত কাম কৰা, ভেমত গঙ্গাটোপটো যেন হৈ ওফন্দি থকা গঙ্গাৰামৰ ভেম আৰু একমাত্ৰ ল'ৰা ৰামেশ্বৰৰ অধঃপতনৰ পৰিণতি হাস্যৰসৰ মাজেদি ফুটাই তোলা হৈছে। ধোঁৱাখোৱাক কেন্দ্ৰ কৰি আগবঢ়া গল্পটোৰ মূল বিষয়বস্তু হ'ল ধোঁৱাখোৱাৰ অপকাৰিতা আৰু আমোলা শ্ৰেণীৰ মিছা ভেম, ভণ্ডামি, অন্ধবিশ্বাস আদি।

গল্পটোৰ কাহিনী অনুসৰি দুই মোন দুই সেৰীয়া থূলন্তৰ দেহাৰ গঙ্গাৰামে কাছাৰীৰ পৰা আহি হাতভগা মাচিয়াত বহি ৰূপৰ ধোঁৱাখোৱাত আভিজাত্যসুলভ ভঙ্গীৰে ধঁপাত খাই ঘৰ ধুঁৱলী-কুঁৱলী কৰি থয়। তাকে দেখি শিশু পুতেক ৰামেশ্বৰেও পিতৃৰ হোকাত আনে নেদেখাকৈ ধঁপাত খাবলৈ শিকে। সংগ দিয়ে লগুৱা বাতিয়াই। কথাটো জানি গঙ্গাৰাম তুলাত ফিৰিঙতি পৰাদি পৰিল আৰু বাতিয়াক মাৰ-ধৰ কৰি ঘৰৰ পৰা খেদি পঠিয়ায়। কিন্তু ৰামেশ্বৰৰ শৈশৱ কালৰ অভ্যাস ৰৈ গ'ল আৰু বয়স বঢ়াৰ লগে লগে তেওঁ ভাল ধঁপতুৱা হৈ পৰিল।

সময়ত ৰামেশ্বৰৰ ওপৰত বহুত ধাৰৰ বোজা এৰি গঙ্গৰামৰ মৃত্যু হয়। ইপিনে ধঁপাত খাই ঘূৰি-ফুৰা ৰামেশ্বৰে পৈতৃক মাটি-বাৰী সকলো বেচিবলগীয়া হ'ল। এদিন ৰূপৰ ধোঁৱাখোৱাটো বেচি তেওঁ নাৰিকলৰ ধোঁৱাখোৱা এটা কিনি আনে। আমুকা পণ্ডিতৰ লগত দক্ষিণপাট সত্ৰলৈ যাওঁতে কেনেবাকৈ তেওঁৰ হাতৰ পৰা সেই ধোঁৱাখোৱাটো ব্ৰহ্মপুত্ৰ নৈত পৰিল। লগে লগে ধোঁৱাখোৱাটো ৰক্ষাৰ্থে নৈত জাঁপ দিওঁতে নৈৰ পানীৰ কোবাল সোঁতে ৰামেশ্বৰক উটুৱাই লৈ গ'ল।

# ভাগ-বাটোৱাৰা

'আৱাহন'ৰ প্ৰতিষ্ঠাতা জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ 'ভাগ-বাটোৱাৰা' এটি বহুপঠিত চুটি গল্প। অসমীয়া মধ্যবিত্ত সমাজৰ দুই ককাই-ভাইৰ পাৰিবাৰিক জীৱনৰ পটভূমিত সৰ্বজনীন আবেদনেৰে পৰিপূৰ্ণ ঘটনা এটিক লৈ চুটিগল্পটো ৰচিত হৈছে। শৰৎ আৰু হেমন্ত নামৰ দুই বিপৰীতধৰ্মী চৰিত্ৰৰ দুজন ককাই-ভাইৰ আন্তৰিক সম্বন্ধৰ দ্যুতিৰে উজ্জ্বল এই 'ভাগ-বাটোৱাৰা' গল্পটোৰ বিষয়বস্তুৱে উপন্যাসৰ দৰে এক বিস্তৃত পৰিসৰ সামৰি লৈছে।

অদৃষ্টবাদী ককায়েক শৰতে বিভিন্ন উপায়েৰে লিখা-পঢ়াত মন নথকা কিন্তু উচ্চাকাংক্ষী ভায়েক হেমন্তৰ জীৱনৰ গতি লগাবলৈ চেষ্টা কৰিছিল। এই দিশত বহু চেষ্টাৰ অন্ততো বিফল হৈ শৰতে পত্নী কমলিনীৰ সৈতে পৰামৰ্শ কৰি কুমুদিনী নামৰ যুৱতী এজনীৰে হেমন্তৰ বিয়া পাতি দিয়ে। কিন্তু বিয়াৰ পাছতো হেমন্তৰ কোনো মানসিক পৰিৱৰ্তন নঘটাত অতিষ্ঠ হৈ শৰতে এদিন কৈ দিলে যে ভায়েকৰ মুখ দৰ্শন কৰিলে পাপহে হ'ব। এই কথাটোতে অভিমান কৰি হেমন্তই ঘৰৰ পৰা নিৰুদ্দেশ হৈ কলিকতালৈ গৈ তাত 'ডব্লিউ বনফিল্ড এণ্ড কোং'ৰ লগত সুদূৰ আফ্ৰিকালৈ গুছি যায়। অৱশ্যে মনত একো বেয়া ভাব নাৰাখি আফ্ৰিকাত চাকৰি কৰি পোৱা বেতনৰ পৰা ককায়েক আৰু পত্নীৰ নামত নিয়মিত ধন পঠাবলৈ ধৰে। এনেদৰে তিনি বছৰৰ চাকৰিৰ অন্তত হেমন্তই তিনি মাহৰ ছুটী লৈ ঘৰলৈ আহে আৰু কিছুদিন থাকি পুনৰ কৰ্মক্ষেত্ৰলৈ গমন কৰে। ইয়াৰ পাছৰ পৰাই শৰৎহঁতৰ ঘৰখনত লাহে লাহে বাহ্যিক আৰু আভ্যন্তৰীণ উভয় দিশতে পৰিৱৰ্তনে দেখা দিয়ে। বাহিৰা লোকৰ উচটনিত কুমুদিনীৰ মন বৰজনাক আৰু জায়েকৰ প্ৰতি বিহবাম্পেৰে ভৰি পৰে। পৰিস্থিতিয়ে এনে পৰ্যায় পায় যে শেষত কুমুদিনীয়ে বেলেগে চৰু জোৰে। এই বিহবাম্পৰ বিহে কুমুদিনীৰ জৰিয়তে আফ্ৰিকাত থকা হেমন্তকো চুই যায় যদিও তেওঁৰ ওপৰত কোনো প্ৰভাৱ পেলাব নোৱাৰিলে। হেমন্তৰ চুক্তি শেষ হোৱাৰ পাছত গৃহ কন্দলৰ মীমাংসা কৰিবলৈ ককাই-ভাইৰ মাজত ভাগ-বাটোৱাৰাৰ সিদ্ধান্ত লৈ হেমন্ত পুনৰ ঘৰলৈ আহে। ভাগ-বাটোৱাৰাৰ দিনা হেমন্তই নিজৰ টকাৰে অৰ্জা সকলো সা-সম্পত্তি এফালে আৰু নিজক আনফালে ৰাখি ককায়েক শৰৎ আৰু পত্নী কুমুদিনীক যাক যি লাগে ল'বলৈ দিয়ে। গল্পটোৰ এই পৰিসমাপ্তিয়ে কুমুদিনীৰ হাঁহি মুখতে মাৰ নিয়ায় আৰু শৰতৰ মুখমণ্ডল হাঁহিৰে উজলাই তোলে।

## ডাক্তৰ

আবাহন যুগৰ বিশিষ্ট গল্পকাৰ লক্ষ্মীনাথ ফুকনৰ 'ডাক্তৰ' চৰিত্ৰপ্ৰধান চুটিগল্পৰ এটি প্ৰকৃষ্ট নিদৰ্শন। গল্পটোত চুটিগল্পৰ ব্যাকৰণৰ সাৰ্থক প্ৰয়োগ মন কৰিবলগীয়া। দুজন চিকিৎসকৰ চৰিত্ৰৰ বিপৰীতধৰ্মী কাৰ্যৰ বৰ্ণনা গল্পটোৰ মূল উপজীব্য। এজন নিষ্ঠাবান, আদৰ্শ ডাক্তৰ নাৰায়ণ চলিহা আৰু আনজন তাৰ ঠিক বিপৰীত চৰিত্ৰৰ ডাক্তৰ নবীন চক্ৰৱৰ্তী।

ডাঃ নাৰায়ণ চলিহা বিভূতি হাজৰিকাৰ অন্তৰংগ, পুৰণা বন্ধু। কলিকতাত ডাঃ চলিহাই ডাক্তৰী পঢ়ি থাকোঁতে হাজৰিকাই বি.এ. পঢ়ি আছিল। তেতিয়াই দুয়োৰে মাজত বন্ধুত্ব গঢ়ি উঠিছিল আৰু পৰৱৰ্তী সময়ত সেয়া হৈ পৰিছিল অতি গভীৰ আৰু সুদৃঢ়। এদিন পুৱা চাহ খাই থাকোঁতেই হাজৰিকাই খবৰ পালে যে ডাঃ চলিহা ঢুকাল। খবৰটো পাই হাজৰিকা শোকাকুল হৈ পৰে আৰু তেওঁৰ স্মৃতিপটত ভাহি উঠে ডাঃ চলিহাৰ মহানুভৱতা, উদাৰতা, সহানুভূতিশীলতা আৰু বন্ধুপ্ৰীতিৰ নানান কথা-কাহিনী।

ছটা খণ্ডৰ ডাক্তৰ চুটিগল্পৰ প্ৰথমটো খণ্ডত বৰ্ণিত হৈছে বিভূতি হাজৰিকাৰ পুত্ৰৰ বিয়াৰ সময়ত ডাঃ চলিহাই আন্তৰিকতাৰে আগবঢ়োৱা সহায়-সহযোগিতাৰ কথা। দ্বিতীয় খণ্ডত চিকিৎসকৰূপে ডাঃ চলিহাই নামমাত্ৰ মাচুল লৈ নতুবা মাচুল নোলোৱাকৈয়ে ৰোগীলৈ আগবঢ়োৱা সেৱা-শুশ্ৰূষাৰ বিৱৰণ তুলি ধৰা হৈছে। তৃতীয় খণ্ডত গল্পকাৰে ডাঃ চলিহাৰ সম্পূৰ্ণ বিপৰীতধৰ্মী চৰিত্ৰ ডাঃ নবীন চক্ৰৱৰ্তীক থিয় কৰোৱাই তেওঁৰ অমানৱীয় আচৰণ আৰু নিষ্ঠুৰতাৰ ছবি অংকন কৰিছে। চিকিৎসক ৰূপে ডাঃ চলিহা যে ডাঃ চক্ৰৱৰ্তীতকৈ অধিক দক্ষ আৰু বিজ্ঞ, সেই কথা বিবৃত হৈছে চতুৰ্থ খণ্ডত। পঞ্চম খণ্ডত ঈৰ্ষাৰ বশৱৰ্তী হৈ ডাঃ চক্ৰৱৰ্তীয়ে ডাঃ চলিহাৰ চৰিত্ৰহননৰ বাবে চলোৱা অপচেষ্টাৰ ইংগিত দিয়া হৈছে আৰু অন্তিম খণ্ডত ডাঃ চলিহাই নৱপৰিণীতা পত্নী জয়শ্ৰীক বিয়াৰ ফুলশয্যাৰ নিশা অকলশৰীয়াকৈ এৰি থৈ প্ৰসৱ বেদনাত ছট্‌ফটাই থকা তিৰোতা এজনীক চিকিৎসা কৰিবলৈ গৈ শেষ নিশালৈকে ব্যস্ত থকা আৰু পাছত ঘৰলৈ উভতি আহি কাকো টোপনিৰ পৰা নজগাই বাহিৰৰ তক্তাপোছ এখনতে শুই থকাৰ বিৱৰণ দিয়া হৈছে।

## অৱগাহন

ৰামধেনু যুগৰ বিশিষ্ট গল্পকাৰ অণিমা দত্তৰ 'অৱগাহন' নিঃসন্দেহে এটা উন্নত মানৰ চুটিগল্প। গল্পটোত লেখিকাই গীতা নামৰ ছোৱালীজনীৰ যোগেদি ৰ'জা মাৰ্গাৰেট ফিল্ড নামৰ দুকুৰিৰো ওপৰ বয়সৰ ইংৰাজ মহিলা এগৰাকীৰ ভাৰতীয় সমাজ, সংস্কৃতি আৰু আদৰ্শৰ প্ৰতি থকা শ্ৰদ্ধাশীল উচ্চ মানৱীয় ভাব আৰু তাৰ বিপৰীতে আমি ভাৰতীয় তথা অসমীয়া লোকৰ সেইবোৰৰ প্ৰতি থকা চৰম উদাসীনতাৰ কথা আলোকপাত কৰা হৈছে। এয়াই যেন গীতাৰ জীৱনৰ অৱগাহন।

গল্পটোৰ কাহিনী অনুসৰি নায়িকা ৰ'জা মাৰ্গাৰেট ফিল্ড এগৰাকী বিদেশী আৰু বিদূষী মহিলা। অধ্যয়নপিপাসু এই মহিলাগৰাকী যথেষ্ট কৌতূহলী বাবেই বিদেশী হৈয়ো অসমলৈ আহি অসমৰ সাহিত্য-সংস্কৃতি, ধৰ্ম-পৰম্পৰা, অন্ধবিশ্বাস, কু-সংস্কাৰ আদি সমগ্ৰ বিষয় অতি কম সময়তে আয়ত্ত কৰি লয়। মিছেছ ফিল্ডৰ স্বামী নগা পাহাৰৰ ওচৰৰ এখন চাহ বাগিচাৰ মেনেজাৰ। সেই সূত্ৰে তেওঁ অসমৰ বাসিন্দা। বন্ধুত্বসুলভ সহৃদয়া বাবেই মিছেছ ফিল্ডৰ লগত গীতা নামৰ ছোৱালীজনীৰ চিনাকি হয় আৰু আন্তৰিকতা গঢ়ি উঠে। মিছেছ ফিল্ডৰ ঘৰখন আটোমটোকাৰিকৈ সজোৱা। ফুল, চৰাই আৰু পোহনীয়া জীৱ-জন্তুৰ প্ৰতি তেওঁ অতিশয় স্নেহপৰায়ণ। অসমৰ গাঁওবোৰ ঘূৰি-পাকি তেওঁ বহুতো সাধুকথা সংগ্ৰহ কৰিছে আৰু সেইবোৰ গ্ৰন্থ ৰূপত ইংলেণ্ডৰ শিশুৰ বাবে প্ৰকাশ কৰিছে। তাৰে এটা ক'পি গীতাকো উপহাৰ দিছে। নিজৰ বহা কোঠাৰ ছেল্‌ফত অন্যান্য পুথিৰ লগতে আছে কীৰ্তনঘোষা, নামঘোষা। পুথিবোৰ অকল সজাই থোৱাই নহয়, মিছেছ ফিল্ডে নিয়মিতভাৱে অধ্যয়নো কৰে। নামঘোষাৰ এটা পদ গায়ো শুনাইছে গীতাক। শংকৰ-মাধৱ সম্পৰ্কীয় জ্ঞানো বহল তেওঁৰ। এই মহাপুৰুষ দুজনাৰ প্ৰতি থকা আনুগত্যৰ বাবে গীতাক লগত লৈ বিশ্বৰ বৃহত্তম নদীদ্বীপ তথা সত্ৰীয়া সংস্কৃতিৰ অন্যতম ভাণ্ডাৰ মাজুলীলৈ গৈছে। তাত দিনচেৰেক থাকি মাজুলীৰ ঐতিহ্য সম্পৰ্কে পৰ্যবেক্ষণ আৰু অধ্যয়ন কৰিছে। এজন অসমবাসীৰ অসমৰ প্ৰতি থকা মৰম-স্নেহতকৈ এইগৰাকী বিদেশী মহিলাৰ অসম-প্ৰীতি বহু ওপৰত। সেয়া বাস্তৱিকতে শ্ৰদ্ধাৰ যোগ্য। সেয়ে গল্পকাৰে মিছেছ ফিল্ডক এগৰাকী অবিস্মৰণীয় আৰু শলাগিবলগীয়া চৰিত্ৰৰ ৰূপত গল্পটোত প্ৰতিবিম্বিত কৰিছে। দায়িত্ব, কৰ্তব্য, মৰম আদি সকলোখিনি বজাই ৰাখিও তেওঁ মোহন ড্ৰাইভাৰৰ অবৈধ সন্তানৰ দায়িত্ব কান্ধ পাতি লৈছে। এগৰাকী মহীয়সী নাৰীয়ে মাতৃত্বৰ আদৰ্শেৰে বাগিচাৰ সৰু সৰু ল'ৰা-ছোৱালীবোৰক ইংৰাজী শিকোৱাৰ বাবে স্কুল খুলিছে।

# ধোঁৱাখোৱা

লক্ষ্মীনাথ বেজবৰুৱা

## প্ৰথম আধ্যা

গংগাৰাম ডাঙৰীয়া কাছৰীৰ পৰা আহি হাত-মুখ ধুই আগচোতালতে হাত-ভগা মাচিয়াডোখৰত দুই মোন দুই সেৰীয়া থুলন্তৰ গাটো থৈ গধূলি বেলিকা জুই লৈছে। ডাঙৰীয়া হাত ৰূপৰ ধোঁৱাখোৱাই, ভৰি হাতী দাঁতৰ চুলাদিয়া কঁঠাল কাঠৰ খৰমে, ডিঙি তুলসীৰ জগন্নথীয়া মালাই পোহৰাব লাগিছে। এনেতে লৰফৰ কৰে টিকনি জোকাৰি তামোলৰ ৰাঙেৰে দেইপৰা, থুনুপাকৰ মুখ যেন ওঁঠ দুটা মিচিকীয়া হাঁহিৰ চোঁচনি ডোলেৰে দুফালে টানি, ঢুলীয়া, ফাপৰে-খোৱা, পেটু-ওলোৱা তালতলি চাৰ্ট জোতাৰে কটপ কটপ কৰে গোৰোৱাত মাৰি, আমুকা পণ্ডিত ওলালহি। (এই পণ্ডিতৰ নাম নেকাঢ়ে। সকলোৱে এওঁক পণ্ডিত বোলে।)

গংগাৰাম — আহ পণ্ডিত, আহ বহ, আজি তিনি-চাৰি দিন তোৰে সৈতে দেখা-সাক্ষাৎ নাই। ক'লৈ গৈছিলি?

পণ্ডিত — ক'লৈকো যোৱা নাছিলোঁ দেউতা, কঁকালৰ বিষত এই তিনিদিন ঘৰতেহে পৰি আছিলোঁ।

গংগাৰাম — তঁহত ডেকা মানুহৰনো আকৌ কঁকালৰ বিষ কিহৰ? আমাৰ নিচিনা বয়সত তইঁতে শোৱাপাটীৰ পৰা উঠিবই নোৱাৰিবি কি জানি। হেৰ ৰাতীয়া, আমুকা পণ্ডিতলৈ ধঁপাত এচিলিম লৈ আহ।

পণ্ডিত — সৰুতে দেউতা অমৃতা গছৰ পৰা পৰি মোৰ কঁকালৰ বিষটো হ'ল, থাকি থাকি মাজে মাজে উক দি উঠে। আৰু এটা কথা, দেউতা বোলোঁতে ভাগ্যবান পুৰুষ; আমিনো এনে শৰীৰ পামনে?

গংগাৰাম — (মিচিকীয়াই) হেৰ ৰাতীয়া, তোৰ দেখোন ধঁপাত এচিলিমেই আজি অনা নহয়। বেগাই লৈ আহ। হেৰ ৰামেশ্বৰ! অ' ৰামেশ্বৰ! হেৰ ৰাতীয়া, ৰামেশ্বৰ গ'ল ক'লৈ?

ৰাতীয়া — দেউতা ৰামেশ্বৰ বোপা নাই, ক'ৰবাত ফুৰিবলৈ গৈছে।

গংগাৰাম — তয়ে ভিতৰত কগৈ, গোহালি ঘৰৰ কাষৰ কঁঠালজোপাৰ কঁঠালটো যে মই পৰাই শাল মৰাই থৈছিলোঁ, পকিব পায়; পণ্ডিতক সেইটো ভেনেকৈ খাবলৈ দিয়ক। ইনো ৰামেশ্বৰ গধূলি ফুৰিবলৈ যায় ক'লৈ? গোসাঁই

ঘৰত চাকি-চুকা এটা দিবলৈ পাবলৈ নাই। ই সদায় সন্ধ্যা বেলিকা কাৰ ঘৰলৈ গৈ কি কৰে, কিবা ক'ব পাৰনে পণ্ডিত?

এনেতে পাঁচ বছৰীয়া মাহিন্দ্ৰী ভিতৰৰ পৰা দলিটো অহাদি লৰি ক'লে -- 'দেউতা ককাইদেৰে দিনৌ ফয়থলা নবিথৰ ঘৰত ধঁপাত খায়গৈ।' কথাষাৰ ডাঙৰীয়াৰ কাণত ভুলাত ফিৰিঙতি পৰাদি পৰিল।

গংগাৰাম — সঁচানে, ই কুলাধমে ধঁপাত খাবলৈ শিকিলে?

মাহিন্দ্ৰী — সঁচা সঁচা। দেউতা, ককাইদেৰে খুব ধঁপাত খায়। তুমি কাছাৰীলৈ গ'লে, তোমাৰ হোকাত ককাইদেউ আৰু ৰাতীয়া দুয়ো ধঁপাত খায়। মই নিতৌ তোমাক কৈ দিম বুলি হুনিয়াই থাকোঁ; তোমাক নক'বলৈ নিতৌ তেওঁ মোক পয়থা দিম বুলি টুটুৰাই থাকে, নিদিয়ে; সেই দেখি কৈ দিলোঁ।

পণ্ডিত — হয় দেউতা, ৰামেশ্বৰ বোপাই খুব ধঁপাত খাবলৈ শিকিলে। তেওঁৰ ধঁপাতৰ চাটি দেখিলে ভয় লাগে।

গংগাৰাম — মোক ইমানদিনে তঁহতে কোৱা নাছিলি কিয়? তহঁত এটায়ে মোক মৰিয়াই মাৰিবৰ কাৰবাৰ কৰিছহঁক। যা যা পণ্ডিত, তই এতিয়াই বৰহম্ধীক ফয়চলা নবিচৰ ঘৰৰ পৰা ধৰি লৈ আহঁগৈ। ৰাতীয়া গোলামক ধৰ! ধৰ! মোৰ হোকাত ধঁপাত খায়। কি বিষম সাহ! ই গোলামে মোৰ ল'ৰাটোক ধঁপাত খাবলৈ শিকাল! খালে।

## দ্বিতীয় আধ্যা

ডাঙৰীয়াৰ ধোঁৱাখোৱাত ধঁপাত খোৱা আৰু ধঁপাত খাবলৈ শিকাই ৰামেশ্বৰৰ মূৰ খোৱা অপৰাধত বহুদিনীয়া পুৰণি লগুৱা ৰাতীয়াৰ পিঠিৰ ছাল আৰু চাকৰি লগে-ভাগে গ'ল। এই দণ্ডত ৰাতীয়াক আমি পুতৌ নকৰোঁ, তাৰ দোষ চাই দণ্ড হ'ল। কিন্তু ঘাই জগৰীয়া কোন এই কথাৰ বুজ নহ'ল। ঘাই জগৰীয়া ৰাতীয়াও নহয়, ৰামেশ্বৰও নহয়, ফয়চলা নবিচৰ পুতেক বা আন লগৰ লগৰীয়া ধঁপতুৱাহঁতো নহয়। তেন্তে নো কোন? ক'লেও লাগিব সেঠা, বুলিব গা পালিহি দেখোন। ফটামুখেৰে নকৈও নোৱাৰি। ঘাই জগৰীয়া — ডাঙৰ পাগুৰি, ডাঙৰ গাৰু আৰু ডাঙৰ গাৰে আমাৰ ডাঙৰীয়া ভেৰা গংগাৰাম।

জ্ঞানী লোকে কয় -- উপদেশতকৈ আৰ্হি ভাল। তেওঁৰ নিজৰ ধঁপতুৱা তেজ-মঙহেৰে গঠিত পাতল মনৰ পুতেকৰ আগত ধোঁৱাখোৱা লৈ দিনে-ৰাতিয়ে ধঁপাত খাই তেওঁৰ ধৰ ধুঁৱলী-কুঁৱলী কৰি থাকিব আৰু সেই পুতেকে সেই আৰ্হি নোলোৱাকৈ হাত সাবটি বহি থাকিব, এনে আশা কৰাটোৱেই অযুগুত। এশৰ ভিতৰত দুই-চাৰিটা ল'ৰাইহে ধঁপাত আদি ৰাগিয়াল বস্তু খোৱা বাপেকৰ অসজ আৰ্হি লোৱা লোভৰ হাতৰ পৰা সাৰিব পৰা দেখা যায়। মানুহৰ মন, বিশেষকৈ

ল'ৰাৰ মন তপতে তপতে আমোদ পোৱা পাপ কাৰ্য কৰিববলৈ অলপতে ঢাল লয়। লোকৰ, ঘাইকৈ মাক-বাপেকৰ আৰ্হি লোৱাটো ল'ৰাৰ স্বভাৱ। থিতাতে ৰং লগোৱা ৰাগিয়াল বস্তু, ধঁপতুৱা বাপেকৰ আৰ্হি আৰু ৰাতীয়া লগুৱাৰ কু-সংসৰ্গ, এই এটাইকেইটাই লগ-লাগি ৰামেশ্বৰক ধঁপাত-গোসাঁনীৰ আগত বলি দিলে। নেচাবি বোলা বস্তুটি বেছি দেখনিয়াৰ আৰু নেখাবি বোলা বস্তুটো বৰ সোৱাদ যেন লাগে। আমাৰ ৰামেশ্বৰৰ মনতো খাবলৈ হাক ধঁপাত, চেনিতকৈ সোৱাদ আৰু ধন-সোণতকৈ মূল্যৱান হৈ উঠিল। দেখোঁতে দেখোঁতেই শ্ৰীলা শ্ৰীযুক্ত গংগাৰাম ডাঙৰীয়াৰ আলসুৱা পুতেক শ্ৰীমান ৰামেশ্বৰ ডেকাডাঙৰীয়াৰ বৰ ধঁপতুৱা নাম যোৰহাট চহৰৰ, পুবে কুমাৰগাঁও, দক্ষিণে হাজাৰীগাঁও আৰু বন্দীগাঁও — এই চাৰিসীমা বিয়পি পৰিল।

## তৃতীয় আধ্যা

কালক্ৰমত শ্ৰীযুত গংগাৰাম ডাঙৰীয়াই নিজ নামৰ আগৰ পৰা 'শ্ৰী'ক আসনচ্যুত কৰি সেই ঠাইত ' এই চিনটি বহুৱাই, আৰু নিজ বংশধৰ ৰামেশ্বৰক নিজ উত্তৰাধিকাৰীৰ আৰু প্ৰতিনিধিৰ আসন এৰি দি, বিষদ-বায়ু-বাৰি-বহ্নি-বসুন্ধৰীৰে মিলি গ'ল। ভূতপূৰ্ব ৰামেশ্বৰ বোপা, ওৰফে ৰামেশ্বৰ ডেকাডাঙৰীয়া, বৰ্তমান শ্ৰীযুত ৰামেশ্বৰ সম্পূৰ্ণ ডাঙৰীয়া, গতিকে এই পাঁচ দফা বস্তুৰ মালিক হ'ল।

(১) মাক আৰু ভনীয়েক।

(২) ঘৈণীয়েক।

(৩) ১০ জোপা বাঁহ, ১৭৫ জোপা তামোল, ২০ জোপা আম, ১৩ জোপা কঁঠাল আৰু সৰু-সুৰা আন আন গছেৰে সৈতে বৰঘৰ, মাৰলঘৰ, চ'ৰাঘৰ, গোসাঁইঘৰ আৰু গোহালিঘৰ বিশিষ্ট, যোৰহাট নগৰস্থ পৈতৃক সম্পত্তি।

(৪) ১৮,৪২,২৪৯ টকা । দুজন মুদি আৰু দুই-চাৰিজন সুতখোৱা লোকৰ ঘৰত পৈতৃক ধাৰ।

(৫) ৰূপৰ পৈতৃক ধোঁৱাখোৱা।

অচৰিতে উল্লিখিত সম্পত্তিৰ স্বত্বাধিকাৰী নতুন ডাঙৰীয়া ৰামেশ্বৰৰ গমন গজেন্দ্ৰৰ নিচিনা। বচন ভগা ঢোলৰ নিচিনা আৰু গলধন মতা ম'হৰ নিচিনা হৈ পৰা দেখি আমি আচৰিত নেমানিলোঁ। ৰামেশ্বৰ পূৰা ডাঙৰীয়াৰ গাদীত উঠিবৰ দিনাৰ পৰা ৰূপৰ ধোঁৱাখোৱাৰ ধোঁৱাই, তেওঁৰ জীৱনৰ একমাত্ৰ ওখ আশা পৰিপূৰ্ণ কৰি বৰখুটা, বৰচতিৰে পৈতৃক চ'ৰাঘৰটো সকলোৰে দেখা-শুনাকৈ ধুঁৱলী-কুঁৱলী কৰি থ'বলৈ ধৰিলে।

## চতুৰ্থ আধ্যা

টকাই টকা আনে বুলি বুঢ়া লোকে কয়। বিয়োগৰ চিনৰ '— 'কানমাৰি কান্ধত লৈ ১৮,৮২,২৪৯ টকাই নিজৰ লগলৈ অতি অলপ দিনৰ ভিতৰতে ২৩,১৩০ টকা ভাৰ বান্ধি আনিলে। ধাৰ দিওঁতা কেএজন মহাজন দোকানী-পোহাৰীৰ ভিতৰত ৰামেশ্বৰ ডাঙৰীয়াক ভেট ভেট লাগি পৰিল। দলনিত নমা ম'হৰ ঠেঙত জোক ওলোমাদি ৰামেশ্বৰ ডাঙৰীয়াৰ গাত জোকাজোকে মামলা-মোকৰ্দমা ডিক্ৰি ডিক্ৰিজাৰি ওলমি পৰিল। দেখোঁতে দেখোঁতেই বাপতিসাহোন মাটি-বাৰী, অলংকাৰ-পাতি যি আছিল সকলোবোৰ, ফুটা পাচিৰ পৰা জুৰজুৰ কৰে বালি সৰি পৰাদি পৰি নাইকিয়া হ'ল। ৰামেশ্বৰ ডাঙৰীয়াৰ কিন্তু হৰি নিলে। উপজি আহোঁতে তেওঁ ধন-সম্পত্তি একো লগত লৈ অহা নাই, এই পৃথিৱী এৰি যাওঁতেও সেইবিলাক একোকে তেওঁ লগত লৈ নেযায়। অৱশ্যে পৈতৃক ৰূপৰ ধোঁৱাখোৱাটো হাতৰ পৰা যাবৰ দিনা তেওঁৰ দুচকুৰে দুধাৰ লো বৈ গৈছিল, কিন্তু লো দুধাৰ তেওঁ সকলোৰে আগতে তেতিয়াই মচি পেলালে। তেতিয়াৰ পৰা তেওঁৰ চকুত পানী দেখিছোঁ বুলি কোনোবাই শপত খাই ক'ব পাৰে যদি কওকচোন? ৰূদাই গ'ল, ভদাই আহিল; ৰূপ খটোৱা ধোঁৱাখোৱা গ'ল, তাৰ পিছদিনাই নাৰিকলৰ উকা ধোঁৱাখোৱা আহিল। ৰূপৰ ধোঁৱাখোৱাইদি যেনে বৰণৰ যি পৰিমাণৰ ধোঁৱা তেওঁ উলিয়াইছিল আজিৰ এই চৰতীয়া বেচৰ ধোঁৱাখোৱাতো তেওঁ তেনে বৰণীয়া আৰু সিমান পৰিমাণে ধোঁৱা উলিওৱাত কোনো ব্যাঘাত জন্মা নাই। তেন্তে তেওঁৰ নিচিনা জ্ঞানী লোকে তাত বেজাৰৰ কাৰণ কি আছে? আগেয়ে তেওঁ ঘৰ-দুৱাৰ আদি নানা বিষয়ৰ ভাবনা জালত পৰি আছিল। এতিয়া সেই জালৰ পৰা এৰাই আহি এক ধোঁৱাখোৱাৰ চিন্তাত ৰ'লহি। শাপ নহ'ল তেওঁৰ পক্ষে ই বৰ আৰু 'বান্ধ' নহ'ল পৰম প্ৰসাদ হৈ হ'ল। অন্ততঃ তেওঁৰ এনে বিশ্বাস। বোজা পেলাই এতিয়া ৰামেশ্বৰ ডাঙৰীয়াই গাটি ফুলৰ চাকি যেন লঘু পালে; আৰু ডাঙৰীয়াৰ লগে লগে আমি দৰ্শকসকলৰ গাকেইটিও লঘু লাগি পৰিল।

বহুতে ভাবি মূৰ তপা কৰিছে যে ৰামেশ্বৰ ডাঙৰীয়াৰ কিহত ইমানবিলাক ধাৰ লাগিল? তেওঁৰ দোষৰ ভিতৰত কেৱল ধঁপাত খোৱাটোৰ বাহিৰে দেখোন একো শুনিবলৈ পোৱা নাযায়। ধোঁৱাখোৱাই দিনে-ৰাতিয়ে মৰি- মুজি তোৰতোৰায়ে যে এই অলপ কালৰ ভিতৰতে মাতি আনি, ইমানবিলাক ধাৰৰ বৰষুণ বৰষাবৰ সমৰ্থ হ'ব, এনে সম্ভৱ নহয়। সত্যৰ খাতিৰত সৈ কৰা উচিত যে ওপৰত কোৱা 'বহুতৰ' ভিতৰত আমাৰো আসন আছে। এই নিৰ্দোষী 'বহুত' বেচেৰাহঁতৰ নিচিনাকৈ, লোকৰ আপোন আপোন অৱস্থাদি সম্পৰ্কে গোপনীয় ঘৰুৱা কথা জানিবৰ নিমিত্তে আকলুৱা হৈ শুং বিচাৰি ফুৰা অভ্যাসটো আমাৰো নাই বুলি ধৰকা চিয়াই ক'ব নোৱাৰোঁ। কিন্তু অহোপুৰুষাৰ্থ কৰিও এইবাৰ এই কথাৰ শুং বা পুং বিচাৰি উলিয়াব

নোৱাৰিলোঁ। এইবাবে শুং অন্বেষণকাৰী ভ্ৰাতৃমণ্ডলীৰ ওচৰত আমাৰ গলবস্ত্ৰে ক্ষমা প্ৰাৰ্থনা।

এইবিলাক যেই কিবা নহওক, এইটো ধ্ৰুপ যে পাঁচ দফা সম্পত্তিৰ মালিক ৰামেশ্বৰ ডাঙৰীয়া টুটি গৈ দুবছৰৰ ভিতৰতে মোটে এদফাৰ মালিকত ৰ'লগৈ। সেই দফাও আগৰ দফাৰ পাইকহে, যথা-- নাৰিকলৰ কোবোকাৰ উকা হোকা একগোট। অৰ্থাৎ আগৰ পৈতৃক ৰূপ খটোৰা ধোঁৱাখোৱাৰ প্ৰেতাত্মা বা ভূত চাৰি পয়চীয়া হোকা এটা বিপদ নৈৰ ঢল অহাদি আহে। তেওঁৰ মাক-ভনীয়েক আৰু ঘৈণীয়েককো বিপদৰ বানে এই সংসাৰৰ পৰা অলপ দিনৰ ভিতৰতে উটাই লৈ গুছি গ'ল। সকলোৰে চকুৰ আগতে ৰামেশ্বৰ ডাঙৰীয়া এই পৃথিৱীত অকলশৰীয়া হৈ পৰিল। বিপদৰ বন্ধু এক ধোঁৱাখোৱাত বাজে ইহ সংসাৰত তেওঁৰ সহায়-সাৰথি আৰু কোনো নৰ'ল। তাকে হাতত লৈ পৰ্বত যেন মানুহ সেই গংগাৰাম ডাঙৰীয়াৰ পুতেক অকলশৰীয়া ৰামেশ্বৰ ডাঙৰীয়া, যোৰহাট নগৰৰ আলিবাটত টৌ টৌ ফুৰিবলৈ ধৰিলে।

## পঞ্চম আধ্যা

জেঠৰ ৭ তাৰিখে দুপৰীয়া দিখৌমুখলৈ যোৱা বাটৰ গছ এজোপাৰ তলত এজন মানুহে হাতত ধোঁৱাখোৱা লৈ বহি জিৰাইছে। বৰ ৰ'দ কিন্তু গছৰ ছাঁত জুৰ। দূৰৰ গছ-গছনিত জিলীয়ে কেৰকেৰীয়া দীঘল সুৰীয়া, আমি বুজিব নোৱাৰা গীত গাইছে; আৰু আলিৰ কাষৰ গছজোপাৰ তলত সেই মানুহজনৰ হোকাই সেই গীতত আমি বুজিব পৰা চুটি আৰু দীঘল দুই ৰকমৰ গোৰগোৰীয়া সুৰ দিছে। এনে সময়তে টাপলি মৰা ছাতি এটা লৈ, আমাৰ চিনাকি টিকনি জোকাৰি, আৰু এজন মানুহ কাষ চাপি আহি মাত লগালে, 'হ! এইটি আমাৰ ৰামেশ্বৰ বোপা ডাঙৰীয়া নেকি? ক'ৰ পৰা ওলালাহি?'

**ৰামেশ্বৰ** — তেৰেঁই। তুমিনো ক'ৰপৰা ওলালাহি আগেয়ে কোৱাচোন?

**আমুকা পণ্ডিত** — মই এটা সকামত ৰংপুৰলৈ গৈছিলোঁ। দক্ষিণপটীয়া গোসাঁই ঈশ্বৰৰ কাইলৈ শ্ৰাদ্ধ পাতিছে, তালৈকে যাবলৈ বুলি আহিছোঁ, তুমিও সেই মুৰেই নেকি?

**ৰামেশ্বৰ** — এৰা, ঘুৰি-পকি আহি আমিও সেই মুৰেই। ভালেদিন গুৰু ঘৰলৈ যোৱা নাই, এই সময়ত গৈ সেৱা এটা কৰি আহোঁগৈ বুলি ওলাইছোঁ। ভালেই হ'ল, দুয়ো একেলগে যাওঁহক। ধঁপাত এহোঁপা নোখোৱানে?

**পণ্ডিত** — কিয় নেখাম? দিয়া।

**ৰামেশ্বৰ** — এতিয়া আৰু তোমাৰ আগত মই তাহানিৰ নিচিনাকৈ ধোঁৱাখোৱা নুলুকাওঁ। হিঃ হিঃ হিঃ। মনত আছেনে?

পণ্ডিত — আছেতো। তুমি এতিয়া ডাঙৰ শাৰীলৈ 'প্ৰমোচন' পালা। তেতিয়া তুমি — 'পোৱালি' আছিলা। হিঃ — হিঃ — হিঃ —।

## ষষ্ঠ আধ্যা

দিখৌমুখত ধাপৰ নোহোৱা নাও এখন লৈ ৰামেশ্বৰ ডাঙৰীয়া আৰু আমুকা পণ্ডিতে দক্ষিণপাটলৈ পাৰি দিলে। গোসাঁইৰ শৰাধত কিমান দক্ষিণা আৰু কাপোৰ কানি পাব, মনে মনে তাৰ লেখ কৰি আমুকা পণ্ডিত নাৱৰ চৰথতে বহি টলকা মাৰি যাব লাগিছে। ডাঙৰীয়া ৰামেশ্বৰেও কাষতে বহি মৌন হৈ কি ভাবি ক'ব নোৱাৰোঁ, হোকা হুপি যাব লাগিছে।

গুৰিয়াল— দেউতা, সৌৱা ৰিণিকি ৰিণিকি দক্ষিণপাট সত্ৰৰ গছ দেখা পোৱা গৈছে।

'হয়নে, ক'তা?' বুলি ৰামেশ্বৰ ডাঙৰীয়াই বা ভূতপূৰ্ব ৰামেশ্বৰ ডাঙৰীয়াৰ অৱশিষ্টই খচমচ কৰে উঠি সত্ৰৰ উদ্দেশ্যে সেৱা কৰিব খোজোঁতেই কেনেবাকৈ হাতৰ পৰা সচিলিম ধোঁৱাখোৱাটো ব্ৰহ্মপুত্ৰত পৰিল। ডাঙৰীয়ায়ো মুহূৰ্ত মাত্ৰও অপেক্ষা নকৰাকৈ চৰতীয়া বেচৰ ধোঁৱাখোৱাটো ধৰি আনিবৰ মনেৰে নিজৰ বহুমূলীয়া শৰীৰটোক, নাৱৰীয়াহঁতৰ আৰু পণ্ডিতৰ 'হে কি কৰা? কি কৰা?' চিঞৰলৈ আওকাণ কৰি জপংকৰে ব্ৰহ্মপুত্ৰৰ মাজত পেলাই দিলে।

হায়! হোকাটো ব্ৰহ্মপুত্ৰৰ টান সোঁতত ভালেমান দূৰলৈকে সোঁ সোঁ কৰে উটি যোৱা দেখা গ'ল। কিন্তু ডাঙৰীয়াক আৰু দেখা পোৱা নগ'ল। পণ্ডিত আৰু নাৱৰীয়াহঁতে মূৰে-কপালে হাত দি 'হায়! হায়! কি হ'ল!' কৰিবলৈ ধৰিলে।

বিয়লি বেলিকা নাওখন আহি দক্ষিণপাটৰ ঘাট চাপিলহি। নাও ঘাট চপা দেখি পণ্ডিতে লাহেকৈ মাত লগালে — 'নাৱৰীয়া ককাইহঁত এটা কথা, আদখিনি বাটলৈকেতো ৰামেশ্বৰ ডাঙৰীয়া নাৱত আহিছিল; সেইদিখি সেইডোখৰ বাটৰ বাবে আদখিনি কেৰেয়া তেওঁৰ গাত। মোৰ পৰা বাকী আদখিনিহে তহঁতে পাব লাগে।'

নাৱৰীয়াহঁত — বাপুদেউ, আপুনি যাওক, আমাক একো দিব নালাগে। আজি আমি এজন মানুহকে হেৰুৱালোঁ, ধন লৈ আমি চহকী নহওঁ।

এই কথা শুনি 'বাৰু বোপাইহঁত, কুশলে থাক' বুলি পণ্ডিতে দুই হাত দাঙি নাৱৰীয়াহঁতক আশীৰ্বাদ কৰি নাৱৰ পৰা বামলৈ উঠিবলৈ কাৰবাৰ কৰিছে। এনেতে কাষতে জাঁজী এসোপাৰ মাজত লাগি থকা এটা ধোঁৱাখোৱাত তেওঁৰ চকু পৰিল। খাগৰি এডালেৰে হাঁকুটিয়াই পণ্ডিতে হোকাটো আনিলে। দেখোন স্বৰ্গীয় ৰামেশ্বৰ ডাঙৰীয়াৰ সেই সাংঘাতিক ধোঁৱাখোৱাটো।

-------------

# ভাগ-বাটোৱাৰা

নগেন্দ্ৰ নাৰায়ণ চৌধুৰী

শৰৎ আৰু হেমন্ত দুই সহোদৰ ; কিন্তু দুয়োৰে প্ৰকৃতি আছিল ঠিক বিপৰীত। ককাই শৰৎ অদৃষ্টবাদী। গতিকে অলপতে সন্তুষ্ট আৰু এলেহুৱা। দেউতাকে অলপ মাটি-বাৰী কিনি থৈ গৈছিল। সেইখিনি চলাই যোৱাৰ উপৰিও জাহাজ কোম্পানিৰ কেৰাণীগিৰি কৰে। তাতে যি সামান্য পায় তাৰেই ঘৰখন চলোৱাৰ বাহিৰে ভায়েকক ভাল কৰি পঢ়াই-শুনাই আৰু এটা ডাঙৰ চাকৰি দিয়াই সংসাৰখন সুখৰ কৰি তোলে— এয়ে ইচ্ছা ; কিন্তু হেমন্তৰ পঢ়া-শুনাত অকণো মন নাছিল। ক্ৰমাম্বয়ে তিনিবাৰ চেষ্টা কৰিও প্ৰবেশিকা পৰীক্ষাকে পাছ কৰিব নোৱাৰিলে।

তথাপি উচ্চ আশা তাৰ ডেকাকলীয়া মনৰপৰা নগ'ল। অদৃষ্টৰ ওপৰত নিৰ্ভৰ কৰি নাথাকি স্বাধীনভাৱে উপাৰ্জ্জন কৰিব পাৰে নে নোৱাৰে তাৰ বাবে চাৰিওফালে খবৰ লৈ ফুৰিবলৈ ধৰিলে।

ককায়েকে দেখিলে, ভায়েকৰ অদৃষ্ট নিতান্ত মন্দ। লিখা-পঢ়া নিশিকিলে। এতিয়া ক'তো চাকৰিৰ চেষ্টা নকৰি দিনে-ৰাতিয়ে ঠিকাদাৰৰ ঘৰ, ধানৰ বেপাৰী, বাঁহৰ বেপাৰী আদিৰ ঘৰত ঘূৰি ফুৰাটোৱে তাৰ প্ৰধান কাম হৈছে। জাহাজৰ ছাৰ এজেন্টক খাটি 'এপ্ৰেন্‌টিছ্' ৰূপে অফিছত কাম শিকিবলৈ দিছিল। কোনোমতে দুই মাহমান অফিছত হাজিৰ হৈছিল, কিন্তু তাৰ মন নবহিল। অফিছত যোৱা বন্ধ কৰিলে। ককায়েকে কিমান ক'লে, কিন্তু সকলো মিছা হ'ল। তেতিয়া তেওঁ ঘৈণীয়েক কমলিনীৰ লগত পৰামৰ্শ কৰি হেমন্তৰ বিয়া পতাৰ ঠিক কৰিলে। সংসাৰত সোমাই নপৰিলে মানুহৰ চৈতন্য নহয়।

হেমন্তৰ কিন্তু বিয়া কৰাৰ ইচ্ছা নাই। সি ভাবে—এই দেশৰ মানুহে এনেই ঘৰ-বাৰী এৰিব নোখোজে, তাৰ ওপৰত বিয়া কৰালে ঘৰৰ ভিতৰৰপৰা দুৱাৰমুখলৈ ওলাবলৈ নোখোজা হ'ব। তাৰ জীৱন এনেই ঘৰৰ ভিতৰত সোমাই কটাই দিয়ে, এইটো মুঠেই ইচ্ছা নহয়। বাৰী-ঘৰ কিয়, লাগিলে দেশ এৰি বিদেশলৈ গৈ চাব, কিবা আৰ্জ্জিব পাৰে নে নোৱাৰে। যদি পাৰে—ভাল! নহ'লে বিয়া তাৰ কপালত নাই।

× × ×

হেমন্তৰ এইবোৰ কথা কিন্তু নিটিকিল। ককায়েকৰ খং দেখি সি বিয়া কৰাবলৈ

বাধ্য হ'ল। কমলিনীয়ে লগৰী এজনী পাই ৰং পালে। কুমুদিনী তাইৰ নাম। কাম, বন সকলো বিষয়তে সহায় হ'বলৈ ধৰিলে। কিন্তু শৰতে হেমন্তক চাকৰিত লগাব নোৱাৰিলে। সি গ'লে এতিয়াও জাহাজৰ বৰ বাবুৱে তাক শিক্ষা-নবিচীত ভৰ্তি কৰাবলৈ সজু আছে!

ককায়েকে এদিন অধৈৰ্য হৈ কৈ দিলে যে তেনেকুৱা ভায়েকৰ মুখ দৰ্শন কৰাও পাপ। হেমন্তই একো নামাতি মনে মনে থাকিল।

পিছদিনা পুৱা উঠি হেমন্ত ফুৰিবলৈ গ'ল, কিন্তু উভতি নাহিল। এনেই ক'ৰবাত ফুৰিবলৈ গৈছে বুলি সকলোৱে ভাবিছিল; যেতিয়া দেখিলে—ৰাতি হৈ গ'ল তথাপি সি উভতি নাহিল, তেতিয়াহে সকলোৰে চিন্তা হ'ল। হেমন্তৰ ঘৈণীয়েক কুমুদিনীক সুধিও একো সম্ভেদ পোৱা নগ'ল।

× × ×

ক্ৰমে দুই-চাৰিজন চিনাকি মানুহ শৰতৰ ওচৰলৈ আহিল। কোনোৱে দুখ কৰি জনাবলৈ ধৰিলে, কোনোৱেবা শৰতৰ ভ্ৰাতৃস্নেহ আৰু হেমন্তৰ অকৃতজ্ঞতাৰ কথা তুলি তাৰ উদ্দেশ্যে গালি পাৰিবলৈ ধৰিলে। য'লৈকে নাযাওক কিয়, কিছুদিনৰ পিছতে যে উভতি আহি ককায়েকৰ ভৰিত ধৰিব লাগিব, তেনে ভৱিষ্যৎবাণীও কৰিবলৈ ধৰিলে। আদ্যনাথ দদায়েকে সকলোৰে ওপৰত 'টেক্কা মাৰি' "মই আগৰপৰাই জানো—এই কুষ্মাণ্ডৰ মতি-গতি। তই হ'লি ৰামচন্দ্ৰ, কিন্তু সিতো লক্ষ্মণ নহয়—ভৰতহে। সি ঘূৰি নাহি ক'লৈ যাব?"

শৰতৰ খং উঠিলেও তাৰ মনটো আজি বৰ বেয়া লাগিবলৈ ধৰিলে। "আহিব বুলি" কথাষাৰ বৰ ভাল লাগিল আৰু মনে মনে ভগৱানক খাটিলে—যেন এই কথা সঁচা হয়, সি যেন সোনকালে উভতি আহে। আন একো নালাগে। এই সৰু ভায়েকক কেনে মৰমত ডাঙৰ কৰিছে। দেউতাকে বহুদিন আগতে ইহলোক ত্যাগ কৰিছে। মাক ঢুকাবৰ সময়ত কেনেকৈ ভায়েকক তাৰ হাতত গতাই দিছিল,—সকলো কথা মনত পৰিবলৈ ধৰিলে। নকৰিলে নাই চাকৰি, যি কেইদিন ভগৱানে এমুঠি ভাত মিলাব, হেমন্তয়ো অৱশ্যে তাৰ ভাগ পাব। তাৰ অদৃষ্টত লিখা-পঢ়া নাছিল, নহ'ল। চাকৰি নকৰাৰ কাৰণে তাক টান কথা শুনোৱা বাবে শৰতে মনত দুখ কৰিবলৈ ধৰিলে।

সাতদিনৰ মূৰত শৰতে এখন চিঠি পালে। কলিকতাৰপৰা হেমন্তই লিখিছে, "আপোনালোকৰপৰা বিদায় লৈ আহিব নোৱৰা বাবে বেয়া নাপাব। আগ ধৰি প্ৰকাশ কৰিলে মোৰ অহা নহ'লহেঁতেন। চাকৰি পাইছোঁ। আফ্ৰিকালৈ যাব ওলাইছোঁ।

কাইলৈ পুরা আমাৰ জাহাজ এৰিব।"

ঠিকনা নাই। ক'লৈ উত্তৰ দিব লাগিব ঠিক কৰিব নোৱাৰিলে। দৰমহা কিমান তাকো লিখা নাই। টেলিগ্ৰাম কৰি খবৰ আনিবৰো কোনো উপায় নাই। কাৰণ, এই চিঠি পোৱাৰ আগেয়ে জাহাজ কলিকতা বন্দৰ এৰিছে। শৰতৰ মনটো অস্থিৰ হৈ উঠিল। সকলো শুনি হেমন্তৰ ঘৈণীয়েক কুমুদিনীয়ে কান্দিলে। কমলিনীয়েও লগে লগে চকুৰ পানী পেলাবলৈ ধৰিলে। শৰতে এটা হুমুনিয়াহ কাঢ়ি ক'লে, "যাওক,— যাৰ যি কৰ্মফল ভোগক।"

× × ×

'ডব্লিউ বনফিল্ড এণ্ড কোং'-য়ে আফ্ৰিকাৰ এখন ডাঙৰ হাবি থকা ঠাই নিৰানব্বৈ বছৰৰ কাৰণে ম্যাদী-পট্টা কৰি লৈছে। সেই হাবি-বন কাটি চাফ কৰিবৰ কাৰণে ভাৰতবৰ্ষৰপৰা বহুত বনুৱা নিয়া হৈছে। সেই বনুৱাবিলাকক চলাবৰ বাবে কিছুমান মহৰীৰ প্ৰয়োজন। ঠাইখন বৰ ভীষণ। সিংহ, বাঘ আদি বহুতো হিংস্ৰ জন্তুৰে হাবিখন ভৰা। নানা জাতীয় বিষধৰ সাপৰো আৰু অন্ত নাই। ডাঁহ, মহ, চেৰেপা প্ৰভৃতিৰ অত্যাচাৰত দিনে-ৰাতিয়ে আঁঠুৰাৰ তলত থাকিব পাৰিলেহে অলপ শান্তি। অতিশয় অস্বাস্থ্যকৰ ঠাই। অকল সেয়ে নহয়, এবিধ ডাঁহো নহয়, মহো নহয়, এনে বিধৰ প্ৰাণী আছে, সেইবোৰে কামুৰিলে মানুহে টোপনিয়াই টোপনিয়াই প্ৰাণ এৰে। এইবোৰ কাৰণে অলপ-চলপ বেতনতে কোনেও তালৈ যাব নোখোজে। ইয়াৰ আগতে যোৱা বহুতেই অলপ কেইমাহৰ ভিতৰতে ঢুকাইছে বোলে। যিকেইজন আছে, সিহঁতেও গুচি আহিব পাৰিলেই ৰক্ষা পায়। গতিকে মাহে ১৫০ টকা বেতন দি তালৈ মানুহ নিব ধৰিছে। সিও আকৌ বছৰত ২৫ টকাকৈ বাঢ়ি গৈ তৃতীয় বছৰত পূৰাপূৰি ২০০ টকাকৈ পাব। তিনি বছৰৰ এগ্ৰিমেণ্ট দি যাব লাগিব। লিখা-পঢ়া বেছি নাজানিলেও চলে। অকল লাগে চাহাবৰ কথা বনুৱাবিলাকক আৰু বনুৱাৰ কথা চাহাবক বুজোৱাৰ কাৰণে কাম চলা ইংৰাজী মাতিব পৰা স্বাস্থ্যবান মানুহ।

হেমন্তৰ সেইবিলাক গুণ ভালেই আছিল। স্কুলত থাকোঁতে শ্ৰেণীত পঢ়া দিব পাৰক নোৱাৰক ধেমালি কৰি লগৰীয়া ছাত্ৰবিলাকৰ সৈতে শুদ্ধই হওক বা ভুলেই হওক ফৰাফৰ ইংৰাজী মাতিছিল। কালক্ৰমত সেয়ে তাৰ অনৰ্গল ইংৰাজী মাতিবৰ শক্তি দিলে। সকলো বিধৰ খেল আৰু জিমনাষ্টিকত সি এজন ওস্তাদ। তাৰ উপৰিও ডাম্বেল আদিৰে ব্যায়াম কৰা আৰু পশ্চিমৰ বনুৱা; ৰান্ধনি বা আন কোনো মানুহ, যিজনেই অলপমান কুস্তিৰ 'প্যাচ' জানিছিল তাৰ তাত গৈ যিকেইটা প্যাচ পায় তাকে শিকা হেমন্তৰ এটা প্ৰধান কাম আছিল। শৰীৰত কিছু শক্তিও হৈছিল। অকল

এই শক্তিখিনিৰ ওপৰতে নিৰ্ভৰ কৰি বিদেশলৈ যাবলৈ তাৰ সাহ। কোনোবাই যদি তাক এটা ঘুচি লগাই দিয়ে তেনেহ'লে সিও এৰি নিদিয়ে।

এই যাত্ৰাত কোম্পানিয়ে মুঠতে ১৬ জন মহৰী লৈ যাবলৈ ধৰিছে। সকলোকেইজন বঙালী, অকল হেমন্তহে অসমীয়া।

পুৰা সাতমানত জাহাজ এৰিলে। নতুন ঠাই দেখাৰ নতুন আনন্দত সকলো মতলীয়া। চাৰে বাৰমানত যেতিয়া জাহাজ গংগা-সাগৰ এৰি বংগোপসাগৰত পৰিল তেতিয়া ভাৰতীয় সকলো যাত্ৰীয়ে মাতৃভূমিৰ ফালে চাই ল'লে।.....চাৰিওফালে অকল নীলা পানী। ইয়াকে ক'লীয়া-পানী বুলি কয়। ওপৰতো উজ্জ্বল অনন্ত নীল আকাশ।

জাহাজ কলম্বোত গৈ দুদিনমান থাকি পোনে পোনেই আফ্ৰিকালৈ যাব। জেকৰ মাজত প্ৰায় দুশ বনুৱা সেই হাবি কাটি কোম্পানিৰ অৰ্থাগমৰ পথ পৰিষ্কাৰ কৰিবৰ কাৰণে যাবলৈ ধৰিছে। এইদৰে প্ৰায় প্ৰতি মাহে বনুৱা চালান হ'বলৈ ধৰিছে। হেমন্তই ভাবিলে—"আই ভাৰতমাতা,—তোৰ সন্তানৰ পৰিশ্ৰমৰ সুফল ভোগ কৰিব আন দেশৰ কোম্পানিয়ে! এনে সুসন্তান প্ৰসৱ কৰিব নোৱাৰৰে, যিজনে অহোপুৰুষাৰ্থ কৰি এনে বিধৰ কোম্পানি খুলি বাহিৰৰ টকা ঘৰলৈ আনিব পাৰে?"

হেমন্তৰ দেশ এৰি বিদেশলৈ যোৱাৰ কথা চাৰিওফালে প্ৰকাশ হৈ পৰাত তাৰ য'ত যিমান পাওনাদাৰ আছিল সকলো আহি শৰতৰ তাত হাজিৰ হ'ল। কলাৰৰ এজন কাপোৰৰ দোকানীয়ে জনালে, তাৰ দোকানৰপৰা হেমন্তই দুই যোৰ কোট-পেণ্ট আৰু আধা ডজন কামিজ দুই-চাৰি দিনতে দাম দিব বুলি বাকী কৰি লৈ গৈছে। তাৰ বাকীখিনিৰ কাৰণে সকলোৱে শৰতকে ধৰিলে। শৰতে সকলোকে কৈ দিলে, "মই সেইবোৰ একো নাজানো। যেয়ে বাকী লৈছিল সেয়ে দিব। কোনোবাই সুধিছিল জানো তাক বাকী দিয়া উচিত হয় নে নহয়? মোৰ গাত একো জৰিবলগা নাই।"

দোকানী গুচি গ'ল অৱশ্যে, কিন্তু যোৱাৰ আগতে হেমন্তৰ উদ্দেশ্যে,—"জুৱাচোৰ, ঠগ, বদমাচ" ইত্যাদি বেয়া কথা কৈ গালি পাৰি ল'লে। শৰতে আৰু কি কৰিব? কথাবোৰ শুনি হজম কৰিলে। কিন্তু কুমুদিনীৰ অন্তৰত বৰ আঘাত লাগিল।—এজন সাধাৰণ দোকানীয়ে ভদ্ৰলোকৰ দুৱাৰমুখত থিয় হৈ ইমান কথা শুনাই গ'ল! তাইৰ ইচ্ছা হ'বলৈ ধৰিলে—ৰবজনাই এখন দাৰে দোকানীটোৰ মূৰটো কাটি লৈ আহে। তাই যদি মতা মানুহ হ'লহেঁতেন তেনেহ'লে কেতিয়াও এই গালি শুনি বহি নাথাকিলহেঁতেন; কিন্তু যাৰ ধাৰ শুজিবৰ উপায় নাই, তেওঁৰ ধাৰ যন্ত্ৰা বা বাকী কৰি বস্তু কিনাৰ দৰকাৰ কি?

আকৌ ভাবিলে, যাৰ গিৰীয়েকৰ এযোৰ চোলা-কাপোৰ কিনিবৰ ক্ষমতা নাই,

তাৰ ঘৈণীয়েকৰ কাণত সোণৰ কেৰু, হাতত খাৰু আৰু গলত মণি-মাদলী কি নিমিত্তে?

তেতিয়াই কুমুদিনীয়ে নিজৰ গাৰপৰা অলংকাৰখিনি সোলোকাই লৈ গিৰীয়েকৰ কোট-পেণ্ট প্ৰভৃতিৰ দামখিনি আৰু কাৰ কিমান পাওনা আছে সকলো দিবৰ বাবে কমলিনীক দি বৰজনাকৰ হাতত দিবলৈ অনুৰোধ কৰিলে। কমলিনীয়ে গহনাবিলাক হাতত লৈ তাইক ক'লে, "তুমি বলিয়া নহ'বা, অলংকাৰ তিৰোতাৰ আপদ-বিপদৰ সম্বল। এইখিনি গ'লে পিছত?"

"পিছত! মোৰ অদৃষ্টত যি আছে সেয়ে হ'ব,—আপুনি এইবোৰ দিয়কগৈচোন!"

কমলিনীয়ে সেইবোৰ লৈ গিৰীয়েকক দিলেহি। শৰতে ভাই বোৱাৰীয়েকৰ পতিভক্তি আৰু আত্মসন্মানবোধ দেখি মনে মনে ৰং পালেও সেইবোৰ নিনিলে। ঘৈণীয়েকক ক'লে, "দোকানীৰ কথাত বিশ্বাস কৰিবৰ একো নাই। ইয়াৰ ভিতৰত আন বন্দবস্তও থাকিব পাৰে। বস্তুৰ ভাল-বেয়া, বেছি-কমো হ'ব পাৰে। হেমন্ত যেতিয়া উভতি আহিব, তেতিয়া ব্যৱস্থা কৰা হ'ব। নাইবা তাৰ চিঠি পালে দাম দিয়া হ'ব। এতিয়া মনে মনে থাকিবলৈ ক'গৈ।"

সেইদিনা এইখিনিলৈকে। কিন্তু কুমুদিনী অস্থিৰ হৈ উঠিল, যেতিয়া নিতৌ শুনিবলৈ ধৰিলে ওৰে ৰাজ্যৰ মানুহ শৰতৰ শুভাকাংক্ষী সাজি আহি হেমন্তক নিন্দা কৰিবলৈ ধৰিলে। সেইবোৰ কথা শুনি বৰজনাকে একো নামাতে, বৰং সিহঁতকহে ধঁপাত-তামোল আদি খুৱাই সন্তুষ্ট কৰে। তাইৰ একোবাৰ মনত এনে ভাব হ'বলৈ ধৰিলে—এই সংসাৰ এৰি হাবিলৈ নাইবা মাকৰ ঘৰলৈ গুচি যায়। কুমুদিনীৰ দেউতাক তেতিয়া জীয়াই নাছিল।

সমুদ্ৰ উপকূলৰ এখন সৰু নগৰৰপৰা নৈত জাহাজ আৰু নাৱেদি আৰু পিছত ঘোঁৰা, গৰুৰ গাড়ী, গাধ প্ৰভৃতিৰে পাঁচ-ছয়শ মাইল যোৱাৰ পিছত হেমন্তহঁতৰ দলটো সিহঁতৰ কৰ্মস্থল গৈ পালে। পঞ্চাছ-ষাঠিজন কৰি মানুহ গোট খাই হাবি কাটিব লাগে। নহ'লে দিনৰ পোহৰতে হিংস্ৰ জন্তুৰ হাতত পৰিবৰ ভয়। ৰাতি বাঁহ-কাঠ আদিৰ বেৰেৰে আগুৰি তাৰ ভিতৰত জুই জ্বলাই ১৫০-২০০ বনুৱাই, বাবুৱে, চাহাবে মিলি থাকিবৰ ব্যৱস্থা। চাহাব আৰু বাবুবিলাক মাজত আৰু তাৰ চাৰিওফালে থাকে বনুৱা। গৰু, ঘোঁৰা প্ৰভৃতিৰ ঠাঁয়ো সেই গড়ালৰ ভিতৰত।

ইমান বন্দবস্তৰ মাজতো প্ৰথম নিশাতে হেমন্তই যি দেখিলে, তাতে তাৰ ডেকাকলীয়া বীৰ-হৃদয় ভয়ত কঁপি উঠিল। কেনেবাকৈ এটা সিংহই গড়ালৰ বেৰৰ ওপৰেদি বগাই ভিতৰত সোমাইছিল। কাফ্ৰি বনুৱাবিলাক সিংহৰ গতিবিধি সম্বন্ধে বৰ ওস্তাদ। কেনেবাকৈ গম পাই কোনো ৰকমে মৰণৰ হাত সাৰিলে ; কিন্তু এজন ভাৰতীয় বনুৱাৰ ইহ-জীৱনৰ ৰোজগাৰৰ প্ৰয়োজন চিৰকালৰ কাৰণে নাইকিয়া কৰি

দি পশুৰাজে অক মেকুৰীয়ে নিগনি নিয়াৰ দৰে মুখত কৰি লৈ গুচি গ'ল। মহা গোলমাল লাগিল। বন্দুকৰ "গুৰুম্ গুৰুম্" আৱাজ হ'ল, কিন্তু বহুত পিছত। দেশবাসী যে কাক বোলে তাক বিদেশত নাথাকিলে বুজিব নোৱাৰি। আজি বিদেশলৈ আহি হেমন্তই দেশবাসীৰ মৰম ভাল কৰি জানিছে। এজন দেশবাসীৰ অপমৃত্যুত তাৰ অন্তৰ উদাস হৈ গ'ল।

কেইদিনমানৰ পিছত হেমন্তই দেখিলে, এনে ঘটনা মাজে-সময়ে ঘটি আছে। কিন্তু চাই চাই আৰু মৰণৰ চিঞৰ শুনি শুনি তাৰ সহ্য হৈ গৈছে। মনত আৰু বিশেষ ধিক্কাৰ নাহে। সিংহ, সাপ, বাঘ প্ৰভৃতিয়ে যিমান মানুহ ধ্বংস কৰিব পাৰে কৰিছে। তাৰ বাহিৰেও জংগলী বেমাৰত পৰি দিনে-ৰাতিয়ে মানুহ মৰি অন্ত হ'ব ধৰিছে। তাৰ ওপৰত চালকৰ অত্যাচাৰো নিচেই কম নহয়। সেইবোৰ দূৰ-দূৰণিৰ হাবিৰ ঘটনা সভ্য জগতৰ কাণত নপৰে। পৰিলেও কলাৰ দৰে ভাও জুৰি থাকে।

হেমন্তই চাকৰিত সোমোৱাৰ দ্বিতীয় মাহৰপৰা ককায়েকৰ নামত ত্ৰিছ আৰু ঘৈণীয়েকৰ নামত দহ টকা ৰূপ নিয়ম মতে পঠিয়াই আছে। এই কথা জানিব পাৰি যিবিলাক মানুহে আগতে তাক নিন্দা কৰিছিল সিহঁতেই এতিয়া কৈ ফুৰিবলৈ ধৰিলে— "আগেয়ে কৈছোঁ নহয়, হেমন্ত এজন মানুহ হ'ব। তাৰ নিমিত্তে তোমালোকৰ কোনো চিন্তা নাই।"

আদ্যনাথ দদায়েকে হাঁহি হাঁহি ক'লে, "চোৱা, মোৰ কথা তোমালোকে বিশ্বাস কৰিব নোখোজা। এতিয়া চোৱা! মই আগেয়েই কোৱা নাছিলোঁ জানো?"

মহৰীবিলাকৰ ওপৰৰ এজন সৰু চাহাবৰ জংগলী বেমাৰ হ'ল। তাত থাকিলে মৃত্যু নিশ্চয় জানি তেওঁ ছুটী লৈ স্বদেশ বুলি গুচি গ'ল। হেমন্তৰ মাত-বোল, স্ফূৰ্তি, কাম-কাজত তৎপৰতা প্ৰভৃতি দেখি বৰ চাহাবে ভাল পাইছিল। তদুপৰি এদিন বৰ চাহাবক এটা কাফ্ৰি বনুৱাৰ আক্ৰমণৰপৰা ৰক্ষা কৰিছিল। তাৰ পুৰস্কাৰস্বৰূপে সেই চাহাবৰ ঠাইত তাক 'একটিং' দিলে। কিন্তু দৰমহা দিবলৈ ধৰিলে চাৰিশ টকা মাথোঁ। চাহাবজনে পাইছিল ছয়শ টকা কৰি। হেমন্তই নৰ ৰং পালে। তাৰ জীৱনত কেতিয়াবা সি মাহিলি চাৰিশ টকা দৰমহা পাব বুলি কোনো দিনে আশা কৰা নাছিল। তদুপৰি এতিয়া তাৰ মহৰীতকৈ পৰিশ্ৰম বহুত কম। হিংস্ৰ জন্তুৰ হাতত মৰিবৰ ভয় নাই বুলিলেই হয়।

দৰমহা বাঢ়ি যোৱাৰ লগতে হেমন্তই ককায়েকক দহ টকা আৰু ঘৈণীয়েকক পাঁচ টকা ৰূপ বঢ়াই দিলে। অলপ কেইদিনতে এই কথা প্ৰকাশ হৈ পৰিল। আকৌ মিতিৰ-কুটুম্বে আহি শৰতহঁতক হেমন্তৰ প্ৰশংসা শুনাই গ'ল। আদ্যনাথ দদায়ে আকৌ এবাৰ নিজৰ ভৱিষ্যৎবাণী সফল হোৱা সম্বন্ধে শৰতক সোঁৱৰাই দি তাৰপৰা দুই টকা ধাৰলৈ খুজি লৈ গ'ল। আন কিছুমানে আহি নিজ নিজ ককাই বা ভাইৰ

মনুষ্যত্বৰ অভাৱৰ কথা বৰ্ণাবলৈ ধৰিলে। সিহঁতে বোলে বহু টকা আৰ্জে, কিন্তু প্ৰকৃত অভাৱ জানিব পাৰিও সহায় নকৰে। অথচ বাহিৰত খৰচ কৰাত হ'লে ত্ৰুটি নাই।

হেমন্তৰ চুক্তি শেষ হৈ যোৱাত নতুনকৈ আকৌ তিনি বছৰৰ চুক্তি কৰিলে। বৰ চাহাবে তাক বৰ মৰম কৰে। নতুন বন্দবস্তত পাঁচশ টকা কৰি ঠিক হৈছে। ছয়শ ৰূপ মাহিলি দি সৰু চাহাববিলাকৰ সমান কৰি দিলে কোম্পানিৰ ডিৰেক্টৰবিলাকে বেয়া পাব। কাৰণ ভাৰতবাসীক বগা চাহাববিলাকৰ সমান বেতন দিবৰ নিয়ম নাই। গতিকে এশ টকা কম কৰি দিয়াৰ দিহা হ'ল। যি নহওক, বহু দিন ঘৰ-বাৰী এৰি আছে—এবাৰ চাই অহা উচিত বুলি হেমন্তই তিনি মাহৰ কাৰণে ছুটী লৈ ঘৰলৈ আহিল। হাবিৰ মাজত খোৱা-বোৱা আৰু যৎসামান্য কাপোৰ-কানিৰ বাহিৰে তাৰ আন খৰচ নাছিল। খোৱা বস্তুও কোম্পানিয়ে পাইকাৰী বেচত কিনি বিনা লাভত নিজৰ মানুহক যোগাইছিল। সেইবাবে দৰমহাৰ সৰহভাগেই জমা হৈছিল। তাৰ বাহিৰেও ইফাল-সিফাল কৰি বনুৱাৰ হাজিৰা লিখা, কুইনাইনৰ সলনি বনুৱাবিলাকক মাজে-সময়ে দেশী দৰৱ খুউৱা প্ৰভৃতিৰ বাবে আন চাহাবৰ দৰে হেমন্তয়ো মহৰীবিলাক আৰু ডাক্তৰৰপৰা এটা অংশ পাইছিল। তাতেও কিছুমান টকা আৰ্জিছিল। ঘৰত আহি মুঠতে কাপোৰ-কানি আদিৰ বাহিৰেও দহ হাজাৰ টকা ৰূপ ককায়েকৰ হাতত দিলে। লগতে ঘৈণীয়েকৰ হাততো ৫০০ টকা বেলেগে দিলে।

হেমন্ত তিনি বছৰ পিছত উভতিছে। তাৰ ওপৰত ইয়ানবোৰ টকা আনিছে, এই কথা ঘৰৰ কোনেও কেতিয়াও আশা কৰা নাছিল। তাৰ খাতিৰ-যতনৰ অন্ত নোহোৱা হ'ল। ওচৰ-চুবুৰীয়াসকলে শুনিলে—বহুত টকা আনিছে। কিন্তু কিমান তাক হ'লে কোনেও নাজানে। গতিকে নিজ নিজ অনুমান আৰু কল্পনাৰ আশ্ৰয় লৈ কোনোবাই লাখ টকা, কোনোবাই পঞ্চাছ হাজাৰ বুলি কৈ ফুৰিবলৈ ধৰিলে। যাৰ যাৰ মনত হিংসা হ'ব ধৰিলে সিহঁতে ক'লে, "ইঃ, লাখ টকা এটা মুখৰ কথা? বৰ বেছি হ'লে দুই-চাৰি হাজাৰমান আনিব পাৰে। তাৰনো কিমান বিদ্যা-বুদ্ধিটো? থৈদে এইবোৰ ফোঁপ-যহী কথা।"

আদ্যনাথ দদায়ে নিতৌ হেমন্তহঁতৰ ঘৰলৈ আহিবলৈ ধৰিলে। ইমান দিনে কুমুদিনীক সান্ত্বনা দিওঁতা তেওঁৰ বাহিৰে যে আন কোনো নাছিল সেই কথা নিতৌ সোঁৱৰাই দিবলৈ ধৰিলে। প্ৰথম দিনা পাঁচ টকা আৰু নিতৌ দুই-চাৰি অনা কৰি খুজি নিবলৈ ধৰিলে।

ছুটীৰ তিনি মাহ বৰ আনন্দেৰে, কিন্তু বৰ বেগেৰে পাৰ হ'ল। দেনাদাৰ-পাওনাদাৰ সকলোৰে সকলো গোলমাল নিষ্পত্তি হৈ গৈছে। মিতিৰ-কুটুমৰ দিনে-ৰাতিয়ে অহা-যোৱা। টকা থকা বুলি শুনিলে মানুহে ধৰা আত্মীয়তা বা বন্ধুত্ব ঘাঁহি-

মাজি চিকুণ কৰা মানুহৰ দস্তুৰ।

শৰতৰ এটি ল'ৰা হৈছিল। তাৰ বয়স এতিয়া আঢ়ৈ বছৰ. এই কেইদিন দদায়েকৰ কোলাত উঠি ফুৰি মিঠাই-বিস্কুট আদি খাবলৈ পাই লগ নেৰা হৈছে। সেই কাৰণে হেমন্তৰো মন ঘৰ এৰিব নোখোজা হৈছে। কুমুদিনীয়েও গিৰীয়েকৰ দীঘল প্ৰবাসৰ কথা মনত কৰি হুমুনিয়াহ কাঢ়িবলৈ ধৰিলে। কিন্তু হেমন্তক তাৰ কৰ্তব্যই বৰকৈ টানিলে। বয়স আৰু শক্তি থাকোঁতে টকা আৰ্জিব নোৱাৰিলে আৰু কেতিয়া আৰ্জিব? বিশেষকৈ 'এগ্ৰিমেণ্ট' দিয়া চাকৰ যেতিয়া।

ককায়েকে পঞ্জিকাখন চাই এটা ভাল দিন ঠিক কৰি দিলে। সেইদিনা ঘৰৰ সকলোৰে চকুত পানী, হেমন্তই বয়স বুজি প্ৰণাম-আশিস লৈ আৰু দি ...কৌ কৰ্মস্থল বুলি ৰাওনা হ'ল।

জোঁৱায়েকক চাবৰ বাবে শাহুৱেক পাৰ্বতী আহি এই তিনি মাহ একেলগে আছে। তেৱোঁ হাওহাওকৈ কান্দি পেলালে।

শৰতে ভগা ঘৰ-বাৰী সংস্কাৰ কৰি ল'লে। কমলিনীয়ে পৰামৰ্শ দিছিল—ঘৰবোৰ নতুনকৈ সাজি গৃহ-বিলাসিতাৰ পৰিচয় দিবৰ বাবে। কিন্তু তেওঁৰ দৃষ্টি আছিল আনপিনে। বহি খাবৰ যাৰ ব্যৱস্থা আছে তাৰ পক্ষে নগৰত ধুনীয়া ঘৰ শোভা পায়। যাৰ সামান্য চাকৰিৰ ওপৰত নিৰ্ভৰ, তাৰ পক্ষে নগৰত ঘৰ-বাৰী সাজি টকা বন্ধ কৰা কোনোমতে যুগুত নহয়। আজি তেওঁৰ অভাৱ হ'লে পৰিয়ালটোৱে ঘৰ কামুৰি খাই জীয়াই থাকিব নোৱাৰে। তাতকৈ গাঁৱত খেতি কৰা মাটি কিনি ল'ব পাৰিলে বিপদৰ সময়ত অন্ততঃ পেটত দুমুঠি ভাত দিব পাৰিব। ল'ৰা-ছোৱালীৰ শিক্ষা? টকা থাকিলে বোৰ্ডিঙত নাইবা কাৰো ঘৰত আশ্ৰয় লৈও পঢ়িব পাৰিব। তেওঁ আধামান টকা বেংকত থৈ বাকী আধাখিনিৰে এখন খাট কিনি ৰাখিলে।

শৰতহঁতৰ অৱস্থাৰ পৰিৱৰ্তন হ'ল। কমলিনীয়েই ঘৰৰ কৰ্ত্ৰী। কুমুদিনীয়ে অকল তাঁত বয় আৰু অবসৰ সময়ত মাছৰ বাকলিৰে নানা নক্সা, টেবুল-ক্লথ আদি সাজে। কমলিনীৰ সৰু ল'ৰা বসন্ত। এবাৰ মাকৰ কোলাত, এবাৰ খুৰীয়েকৰ কোলাত থাকে। সংসাৰখন বৰ সুখৰ হৈ উঠিল। অকল হেমন্ত প্ৰবাসত। এয়ে যি দুখ।

মিতিৰ-কুটুমৰ অহা-যোৱা বাঢ়ি গৈছে। অৱস্থাৰ লগে লগে বোধকৰোঁ বিদ্যা-বুদ্ধিও বাঢ়ি গৈছিল। নহ'লে যিবোৰ মানুহে কেতিয়াও শৰতক গ্ৰাহ্য নকৰিছিল সিহঁতৰ হোৱা-নোহোৱা কথাতে তেওঁৰ তালৈ পৰামৰ্শৰ নিমিত্তে আহিবলৈ ধৰিলে কিয়? কিন্তু অসূয়া প্ৰবৃত্তি, পৰশ্ৰীকাতৰতা কিছুমান মানুহৰ বৰ প্ৰবল। শৰতহঁতৰ সুখ দেখি সিহঁতৰ অসহ্য হ'ল। কুমুদিনীৰ ওপৰত অতিমাত্ৰাই সহানুভূতিসম্পন্ন হৈ উঠিল; কমলিনীহঁতে যে তাৰ সৰ্বনাশ কৰিবলৈ ধৰিছে, দিনে-ৰাতিয়ে ফুচুলাই মন ভাঙিলে। তাৰ ফলত ঘৰ ভাগিল।

আদ্যনাথ দদাই হেমন্তৰ আগত যেতিয়া তাৰ প্ৰশংসাত শতমুখ হৈছিল, তেতিয়া কমলিনীয়ে হাঁহি দিছিল। দদাইদেৱে ভাবিলে, এই কমলিনী ছোৱালীজনীৰ প্ৰগল্‌ভতা বা পাতলামিতে তেওঁৰ প্ৰাপ্তি কমিল। নাইবা, যি মানুহে লাখ টকা ঘৰলৈ লৈ আহিছিল, সেই মানুহে তেওঁক এশমান টকাও নিদিলেহেঁতেন নে? নিশ্চয় দিলেহেঁতেন। এনেই নিদিলেও ধাৰলৈ দিবও পাৰিলেহেঁতেন অৱশ্যে।

আদ্যনাথ দদাই কাৰো বাপেকৰ ভায়েক নহয় অৱশ্যে। কিন্তু তেওঁ এই নগৰৰ সকলোৰে দদাই। সকলোৰে ঘৰতে তেওঁৰ অবাধ গতি। সকলোৰেপৰা টকাটি, সিকিটি খুজি পায়। কেতিয়াবা ধাৰ বুলি লৈ যায়। নক'লেও চলে—শুজিবৰ কথা হ'লে কোনেও শুনা নাই। তেওঁ কমলিনীয়ে নুশুনাকৈ কুমুদিনী আৰু তাইৰ মাকৰ প্ৰশংসা গাই মাজে-সময়ে দুই-এটকা সৰকাবলৈ ধৰিলে। অকল সেয়ে হ'লে কোনো কথা নাছিল। কুমুদিনীক বুজাবলৈ ধৰিলে, এই সংসাৰ তাইৰ গিৰীয়েকৰে। শৰত্তৰনো কিমান উপাৰ্জন?

পাৰ্বতীয়ে পতি-বিয়োগ-বিধুৰা জীয়েকক এৰি ঘৰলৈ যাব পৰা নাই। কুমুদিনীয়েও এৰি দিয়া নাই। ঘৰত জা-দেৱৰেকৰ লগত সদায় দন্দ লাগি থাকে কাৰণে তেওঁক বেলেগ কৰি দিছিল। এতিয়া অকলশৰীয়া তেওঁ। গতিকে ঘৰ-বাৰী এৰি জোঁৱায়েকৰ ঘৰতে স্থায়ীৰূপে থাকিবৰ ব্যৱস্থা হ'ল। কেইদিনমান থাকি তেওঁ জীয়েক আৰু জোঁৱায়েকৰ ভৱিষ্যত ভাবি অস্থিৰ হ'ল। কুমুদিনীক ভালকৈ বুজাই দিলে যে তাই অলপমান ডাঠ হোৱা উচিত, নহ'লে নিজৰ সম্পত্তি লোকে ধ্বংস কৰিব। দদায়ে সেই কথাৰ ধুৱা ধৰিলে। কুমুদিনী সত্যযুগৰ ছোৱালী নহয়, এই কলিযুগৰে। নিজৰ গিৰীয়েকৰ অৰ্জা সম্পত্তিৰ ওপৰত কৰ্তৃত্ব ভাল নলগা হ'ল ওচৰ-চুবুৰীয়া দুই-চাৰিজন বয়সীয়া তিৰোতাৰপৰাও এই সম্বন্ধে সহানুভূতি পাই কুমুদিনীয়ে এদিন আত্মপ্ৰকাশ কৰিলে। কিবা এটা সামান্য কথা লৈ জাকৰ লগত দন্দ লাগি [illegible] খোৱা হ'ল। পাৰ্বতীৰ মনোবাঞ্ছা পূৰ্ণ হ'ল।

শৰতে নিৰুপায় হৈ কাজিয়া ভাঙি দিবলৈ আদ্য দদাইক খাটনি ধৰিছিল। "থাৰু ক'ম দে। ই কি কথা, একে পেটৰ ভাই-ককাইৰ সংসাৰ। তাৰ মাজতনো এইবোৰ কি? মই বুজাই দিম বোপা—তই একো নাভাবিবি।" এইবুলি কৈ আদ্যনাথে কুমুদিনীৰ ওচৰত গৈ মিচিকি হাঁহি এটা মাৰি আনে নুশুনাকৈ ক'বলৈ ধৰিলে, "চা তোক বুজাই-বৰাই আকৌ একে লগ কৰি দিব লাগে। মোৰ বোপায়ে বুজি পাইছে, লোকৰ ধন ভাঙি ভোগ কৰাৰ সুবিধা আৰু সৰহ দিন নাথাকিব। তই কাৰো কথা নুশুনিবি।"

পাৰ্বতীয়ে হাঁহি হাঁহি ওচৰত বহি মাত লগালে, "স্বাৰ্থ! স্বাৰ্থ!! মই থাকোঁ মানে মিল হ'ব নিদিওঁ। যি বেলেগ হ'ল হ'লেই।"

দদায়ে অভয় দি উত্তৰ দিলে, "মই থাকোঁতে তোমালোকৰ একো ভয় নাই। অধৰ্ম কৰি কাৰো সৰ্বনাশ কৰাটো মই সহিব নোৱাৰোঁ। পিছে দুটামান টকা নিদিলে আজি মোৰ নচলে দেখোঁ। তোমালোকৰ খায়ে মই মানুহ।" আদ্যনাথ দদাইৰ ধৰ্মজ্ঞান চাই কুমুদিনীৰ হাঁহি ওলাইছিল। কিন্তু এনে এজন সহানুভূতি দেখুওৱা মানুহক বৰ ভাল লাগিল। পৰম সমাদৰ কৰি বন্ধুৱাই তামোল-ধঁপাত দিলে। নানা গোপন পৰামৰ্শৰ পিছত দুটা টকা দি বিদায় কৰিলে। যাবৰ সময়ত আদ্যনাথ দদায়ে শৰৎ আৰু কমলিনীক লগ ধৰি ক'লে, কাণে কাণে ফুচ্‌ফুচাই, "ভয় নাই। অবুজ। খণ্ডত বেলেগে ৰান্ধি খাইছে, খাওকচোন কেইদিনমান। তোমালোকৰ ওপৰত ভক্তি আছে। বাৰু, আজি আহিলোঁ। কাইলৈ আকৌ আহিম। বুজাই ঠিক কৰিম। পিছে মোক দুটামান টকা লাগিছিল। তোমালোকৰ খাই মই মানুহ।" শৰতে ঘৈণীয়েকক টকা এটা আনি দিবলৈ ক'লে, "উপকাৰী বন্ধুৰ অভাৱ!"

হেমন্তই ককায়েক আৰু বৌৱেকৰ বিৰুদ্ধে ঘৈণীয়েকৰপৰা নানা কথা লিখা চিঠি পাবলৈ ধৰিলে। দোষৰ অন্ত নাই। বিদেশত থাকি, এইবোৰ ঘৰুৱা বিবাদৰ কথা জানিব পাৰি অলপ অশান্তিত পৰিল। বুজিব পাৰিলে, ঘৰত শনিয়ে প্ৰৱেশ কৰিছে। ককায়েক আৰু বৌৱেকে কিন্তু ভিতৰুৱা কোনো কথা নিলিখি অকল এখন চিঠিত লিখিছিল—তাৰ ঘৈণীয়েকক অৰ্থাৎ কুমুদিনীক কৰ্মস্থলীলৈ লৈ যাব পাৰিলে ভাল আছিল।

বিদেশত অকলে থাকি হেমন্তয়ো যে মাজে-সময়ে এই কথা কল্পনা কৰা নাছিল তেনে নহয়। কিন্তু অস্বাস্থ্যকৰ বিদেশ,—সাত সাগৰ, তেৰ নৈৰ পাৰ! অৱশ্যে বৰ্তমানে হাবি কটা প্ৰায় শেষ হৈছে। এতিয়া নানাবিধ বৈজ্ঞানিক যন্ত্ৰৰ সহায়েৰে খেতি হ'বলৈ ধৰিছে। কোম্পানিৰ লাভৰ পৰিমাণ দিনক দিনে বাঢ়ি যোৱাত নগৰ নহ'লেও ডাঙৰ লোকালয় সৃষ্টি হৈ গৈছে। নানা কল-কাৰখানা বহিছে। তাতে কি? চাকৰি-জীৱন স্বাধীনচিতীয়া মানুহৰ কেতিয়াও ভাল নালাগে। টকা আৰ্জিবৰ বাবে বিদেশত পৰি থাকিলেও বিদেশত জীৱন কটোৱা তাৰ সমূলি ইচ্ছা নাই। বিশেষকৈ প্ৰবাসত থাকি দেশৰ প্ৰতি টান আৰু জাতিৰ মান-সম্ভ্ৰমৰ ফালে দৃষ্টি বহুত বাঢ়ি গৈছে। গতিকে কুমুদিনীক লৈ যোৱাৰ নিচিনা অসম্ভৱ চিন্তাক মনতো স্থান নিদিলে। বৰং তাৰ বিশ্বাস হ'ল—ঘৈণীয়েকক আৰু পাঁচোটামান টকা বঢ়াই দিলে আৰু কমলিনীৰ নামত বেলেগে কুৰি টকা কৰি মাহিলি পঠিয়াই দিলে পৰস্পৰ হিংসা গুচি দুয়ো জাকৰ মিল হ'ব।

হেমন্তৰ শুভ ইচ্ছা নফলিল। কমলিনীলৈ বেলেগে টকা পঠাই দিয়া দেখি হিংসাত পাৰ্বতীৰ আৰু কুমুদিনীৰ অন্তৰ ডেই-পুৰি যাবলৈ ধৰিলে। আদ্যনাথ দদায়ে জুইত ঘিঁউ দিবলৈ ধৰিলে। কুমুদিনীয়ে নানা মান-অভিমান কৰি গিৰীয়েকলৈ চিঠি

লিখিলে—হেমন্তৰ এনে ব্যৱহাৰত শত্ৰুৱে হাঁহিছে, মিত্ৰই কান্দিছে।

ভিন ঠাইত চাকৰি কৰাত ককাই-ভাইৰ মৰম-ভক্তি বাঢ়ি গ'লেও হেমন্ত অলপ দুশ্চিন্তাত পৰিল। কাৰণ, লোকৰ ছোৱালীক বিয়া কৰাই আনি সুখ-দুখৰ ভাৰ নিজৰ মূৰত লোৱা হৈছে যেতিয়া—তাই গাতে বেজাৰ নাপায় তাৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব। ভাবি-চিন্তি কুমুদিনীলৈ এখন চিঠি লিখিলে—"তোমাৰ কথাকে ৰখা হ'ব। বৌদেওৰ লগত মিলা-প্ৰীতিৰে থাকিবা। শত্ৰুৱে হাঁহে,—এই ঘৰুৱা দন্দৰ কথা গম পাই। মোৰ এগ্ৰিমেণ্ট অন্ত হ'বৰ আৰু পলম নাই। গ'লেই সম্পত্তি ভাগ লোৱা হ'ব। এতিয়া মনে মনে থাকিবা।"

চিঠি পাই কুমুদিনীৰ মহা আনন্দ। পাৰ্বতীৰ ৰং চায় কোনে? পৰামৰ্শদাত্ৰী আন তিৰোতাবিলাকেও অৰিয়া-অৰি কৰিবলৈ ধৰিলে আগে কুমুদিনীক সৎ পৰামৰ্শ দিছিল বুলি। আদ্যনাথ দদায়ে হাঁহি হাঁহি ক'লে, "দেখিলা? দিয়া দহ টকা ৰূপ।"

কিছুদিন পিছত হেমন্তই সুস্থ শৰীৰ আৰু বহুত টকা লৈ ঘৰ আহি পালে। কলিকতাৰপৰা ঘৰৰ সকলোৰে কাৰণে কাপোৰ, বসন্তৰ কাৰণে বিস্কুট, বিলাতী মিঠাই আৰু নানা কল-কব্জা থকা পুতলা লৈ আহিছে। তাৰ বিশ্বাস, সৰুৰেপৰা কল-কব্জা লৈ উমলি থাকিলে ভৱিষ্যতে ইঞ্জিনিয়াৰ হোৱাৰ বা বৈজ্ঞানিক আলোচনাৰ প্ৰবৃত্তি জন্মে। বসন্তৰ বয়স এতিয়া প্ৰায় ছবছৰ। তাৰ এজনী সৰু ভনীয়েক হৈছে। তাইৰ নিমিত্তে পুতলা আদি আনিছে। সেইবোৰ পাই তাইৰ মহা আনন্দ। কুমুদিনীৰ কথা ক'বকে নালাগে—বিদেশৰপৰা গিৰীয়েক আহিছে। সিও আকৌ, সুদা হাতে নহয়, বহুত ধন আনিছে। ইমান দিনৰ পিছত সম্পত্তি ভাগ বাটি লৈ প্ৰকৃত বেলেগ হ'ব পাৰিব। কাৰো তলতীয়া হৈ থাকিব নালাগিব!

ৰং নাই কেৱল শৰৎ আৰু কমলিনীৰ। কাৰণ লোকে জানিব পাৰিছিল ঘৰত আহি তাৰ প্ৰধান কাম হ'ব—সম্পত্তি ভগাই লোৱা। শৰৎ অদৃষ্টবাদী হ'লেও ৰোজগাৰী ভায়েকৰ লগত বেলেগ হ'ব লাগিব বুলি বৰ বেয়া পাবলৈ ধৰিলে; কিন্তু সাবালক ভায়েকে দুখৰ দিনৰ মৰম-স্নেহ পাহৰি যদি স্বোপাৰ্জিত সম্পত্তি লৈ যায়, তাত তেওঁৰ ক'বলগীয়া কি আছে? ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ? কপালত যি আছে সেয়ে হ'ব। অত দুখ-বেজাৰ কৰিবৰ কি আছে?—বুজে সকলো; কিন্তু মন নুমালে ক'ত? মুখ গধুৰ হৈ থাকিল। মনত এটা বৰ অভিমান আছিল যে সৰু ভায়েকে তাৰ ঘৈণীয়েকৰ কথাতে তেওঁক স্বাৰ্থপৰ পাষণ্ড বুলি ভাবিলে। হ'ব পাৰে, কিবা ব্যৱহাৰত উনৈছ-বিছ হৈছিল। হ'ব পাৰে, কোনো কামত এটি ভুল-চুক হৈছিল। কিন্তু নহয় —ক : ভায়েকে এনে শিক্ষা পাইছিল যে ককায়েকতকৈ ঘৈণীয়েকৰ বেছি জ্ঞান বুলি ধৰি লৈ, তেওঁ এক আষাৰ কথা সুধিবৰো দৰকাৰ বোধ নকৰিলে। এক তৰফা ডিক্ৰি দি দিলে। তেওঁৰ লগত দ্বিধা হ'বলৈ অলপো ইতস্ততঃ নকৰে, অলপো বেয়া

নালাগিল?

হেমন্তই ককায়েকৰ লগত কথা হৈ থাকোঁতে কমলিনীয়ে চাহ আৰু জলপান আনি দিলে। খাব, এনেতে পাৰ্বতীয়ে তাক মাতিলে, "তোমাৰ শোৱাঘৰতে আইকণে চাহপানী ৰাখি আছে নহয়!"

হেমন্তই এবাৰ মুখ তুলি "গৈছোঁ" বুলি কৈ বসন্ত আৰু তাৰ সৰু ভনীয়েকজনীক মাতি একেলগে বৌয়েকৰ ফালে যাবলৈ ধৰিলে। তাকে চাই শৰতৰ চকুৰেদি দুটোপাল আনন্দৰ লোতক ওলাল। কমলিনীয়ে পুতেক আৰু জীয়েকক ক'লে, "দদাইদেওৰে খাবৰ সময়ত কি দিগদাৰিখন লগালি তহঁতে? গুচি যা।"

মাকৰ ডাবি খাই দুয়ো এবাৰ দদায়েকৰ মুখৰ ফালে চালে। আপোন বুলি জানিলেও, এজনৰ অলপ পৰিচিত হ'লেও সৰুজনীৰ নিচেই অপৰিচিত। কিন্তু দদাইদেৱেকৰ স্নেহময় দৃষ্টি দেখি মাকৰ শাসনৰ কাৰণ বুজি নাপালে। হেমন্তই বৌয়েকৰ কথাতে উত্তৰ দিলে, "নহয় একো দিগদাৰি, খোৱা তোমালোকে।" তেতিয়া ভাই-ভনী দুয়োৱে এবাৰ মাকৰ ফালে অনুমতিৰ নিমিত্তে দৃষ্টিপাত কৰিলে। মাকক অলপ হঁহা দেখি দুয়োৱে নিৰ্ভয়ে দদায়েকৰ জলপানৰ ভাগ ল'বলৈ ধৰিলে।

কুমুদিনীয়ে এনে পলম ভাল নাপাই আকৌ মাকৰ হতুৱাই গিৰীয়েকক তাগিদা কৰিলে—"চাহ চেঁচা হৈ যায়।"

হেমন্তই অলপ লাজ পালে। এবাৰ ককায়েক আৰু এবাৰ বৌয়েকৰ মুখৰ ফালে চাই লৈ শাহুৱেকৰ ফালে মুখ কৰি ক'লে, "কি আছে ইয়ালৈ লৈ আহিব কৈ দিয়ক।"

× × ×

ঘৈণীয়েক যে 'শয্যাগুৰু'—কুমুদিনীয়ে সেই কথা ভাল কৰি প্ৰমাণ কৰিলে। ওৰে ৰাতি গিৰীয়েকৰ কাণত বিষ ঢালিলে। শৰৎ আৰু কমলিনীৰ অসৎ ব্যৱহাৰ, স্বাৰ্থপৰতাৰ কথা কৈ কৈ হেমন্তক প্ৰতিজ্ঞা কৰালে যে পলম নকৰি কাইলৈ পুৱা ওচৰ-চুবুৰীয়া সকলোকে মাতি আনি সিহঁতৰ চকুৰ আগতে সম্পত্তি ন্যায্যমতে ভাগ কৰি লোৱা হ'ব।

× × ×

আজি শৰৎ আৰু হেমন্তই সম্পত্তি ভাগ কৰি ল'ব। যাক যাক মতা হৈছে তেওঁলোক আহিছেই। নমতা কিছুমানো ৰং চাবৰ কাৰণে আহি উপস্থিত। আদ্যনাথ

দদায়ে আজি যেন ডেকা কাল উভতি পালে। তেওঁৰ স্ফূৰ্তি, তেওঁৰ লৰা-ঢপৰা চায় কোনে? এবাৰ পাৰ্বতী আৰু কুমুদিনীৰ ওচৰত এবাৰ হেমন্ত আৰু শৰত বহি থকা ঠাইত ঘূৰা-পকা কৰি আছে। হেমন্তৰ মুখত অলপ হাঁহি। কুমুদিনী খোটালিৰ ভিতৰত, তাইৰো মুখত হাঁহি বিৰিঙি উঠিছে। পাৰ্বতীৰ দৃষ্টি চাৰিওফালে ঘূৰিছে—জোঁৱাই আৰু জীয়েকক যেন ঠগা নহয়। আৰু শৰৎ?—ধীৰ, গম্ভীৰ. মাত-বোল নোহোৱা। কমলিনীৰ চকুত পানী—এটা অনিৰ্দিষ্ট আশংকা আৰু অজানা কিবা উত্তেজনাৰপৰা।

বাকচ-পেৰা, বিছনা-পাটী এবিধ এবিধকৈ সকলো বস্তু উলিওৱা হ'ল। অকল মলা, চৰু, কলহ, ডলা, কুলা, পাচি প্ৰভৃতি সাধাৰণ বস্তু বাকী ৰ'ল। হেমন্তই লাজ নোহোৱাৰ নিচিনাকৈ ক'লে, "কাৰো ঘৰত এটা মলাকো ৰাখিব নোৱাৰিব। সকলো উলিয়াই আন। দুই ককাই-ভাইৰ মুখৰ আগত ন্যায্যমতে ভাগ হ'ব। যেন আগলৈ কাৰো কোনো কথা ক'বলৈ বাট নাথাকে।"

শৰতে কি আৰু ক'ব? অকল সুধিলে, "ল'ৰা-ছোৱালীৰ বস্তুবিলাকো উলিয়াব লাগিব?"

হেমন্তই ঘৈণীয়েকৰ লগত দৃষ্টি বিনিময় কৰি পিছত ক'লে, "এৰা। ভাগ-বাটোৱাৰা যেতিয়া হ'ব ভাল কৰিয়েই হওক।"

শুনি শৰতৰ এবাৰ ভ্ৰূ-কুঞ্চিত হ'ল। এই কথাত কোনো কোনোৱে হেমন্তক মনে মনে ক্ষুদ্ৰ অন্তুৰ, নব খোৱা বুলিবলৈ ধৰিলে। আদ্যনাথ দদায়ে মাতিলে, "মোৰ বোপা হেমন্তৰ যেনে চোকা বুদ্ধি তেনেই বিবেচনা। চাচোন, কেনে কথা!"

শৰতে এটা হুমুনিয়াহ কাঢ়ি অকল সেইবোৰ কিয়, ফটাকানি পৰ্যন্ত উলিয়াই দিলে। হেমন্তই গহীন হৈ ঘৈণীয়েকক সুধিলে, "সকলো ওলাল নে আৰু কিবা বাকী আছে?"

পাৰ্বতীয়ে লৰ মাৰি কমলিনীৰ ঘৰত সোমাই এটা পিতলৰ কলহ আৰু ঘটী এটা উলিয়াই ক'লে, "এই চাওক সকলোৱে, কেনে চুৰুণী!"

কমলিনীয়ে চিঞৰি কৈ উঠিল, "সেই দুটা মোৰ দেউতাৰ ঘৰৰ।"

শৰতে খং কৰি ক'লে, "চুপ, নামাতিবি। উলিয়াই দিব কোৱা হৈছিল, ৰাখিছিলি কিয়?"

বসন্ত আৰু তাৰ ভনীয়েকে খেলনাবিলাক উলিওৱা দেখি নিবলৈ গৈছিল। পাৰ্বতীয়ে লৰ মাৰি সিহঁতৰ হাতৰপৰা কাঢ়ি লৈ থৈ দিলে। সিহঁতে কান্দিবলৈ ধৰিলে। হেমন্তই দেখি ভ্ৰূকুটি কৰিলে আৰু সকলো বস্তু উলিওৱা হ'ল জানিব পাৰি হেমন্তই গহীন হৈ উপস্থিত সকলোকে সম্বোধন কৰি ক'লে, "দুই ভাই-ককাই আপোনালোকে জানে। সৰুতে দেউতা ঢুকালত এই ককায়ে মোক প্ৰতিপাল কৰি মানুহ কৰিছিল, শিক্ষা দিছিল, পিছত বিয়াখন পাতি দি সংসাৰৰ ব্যৱস্থা কৰি দিছিল।"

সকলোৱে উত্তৰ দিলে, "এৰা, আমি জানো সেইবোৰ কথা।" আদ্য দদায়ে মাতিলে, "পিছে তোমালোকৰ দেউতাৰাই কিছু মাটি-বাৰী কৰি থৈ গৈছিল নহয়? শৰতে অকল তাৰ নিজা অৰ্জা টকাৰে বুলি ক'লে অন্যায় কথা হ'ব।"

"মই কেতিয়াও তেনে কথা নকওঁ" বুলি শৰতে গৰ্জি উঠিল।

হেমন্তই আকৌ ক'বলৈ ধৰিলে, "ঠিক কথা। সেইবোৰ মই জানো আপোনালোকে জানিব পাৰে সিখিনি মাটিৰপৰা যিখিনি ধান আহে, তাতে আমালোকৰ ছমাহ চাউল কিনিব নালাগে। বাকী খৰচখিনি ককায়ে মূৰৰ ঘাম ভৰিত পেলাই অৰ্জা টকাৰে চলাইছিল—ই ধ্ৰুৰূপ। যি নহওক, ককাইদেৱে সংসাৰ চলোৱা টকাখিনি সুদে-মূলে ধৰিলে কিমান হ'ব পাৰে?"

"কিমান আৰু হ'ব? মাহে ত্ৰিছ টকা কৰি ধৰিলে বছৰে তিনিশ ষাঠি টকা আৰু দহ বছৰত ছয়ত্ৰিছ শ টকা হ'ব। তোমাৰ নিমিত্তে তাৰ আধা ধৰা" বুলি কৈ আদ্যনাথ দদায়ে এবাৰ গৈ পাৰ্বতীৰ লগত পৰামৰ্শ কৰি আহিল।

হেমন্তই "বাৰু, আদ্যনাথ দদাইৰ কথাকে ধৰা যাওক। তাৰ উপৰি চক্ৰবৃদ্ধি সুদ আদি কৰি মুঠ পাঁচ হাজাৰ টকা ৰূপ। এই পাঁচ হাজাৰ টকা মই বেলেগে ককাইদেউৰ ছোৱালীৰ নামত দি দিওঁ।" এইবুলি পাঁচ হাজাৰ টকাৰ নোট উলিয়াই ককায়েকৰ ভৰিৰ ওচৰত থৈ দিলে। শৰতে হুমুনিয়াহ কাঢ়িলে মাথোন।

আদ্যনাথে ক'লে, "বোপা, ভাল কৰি ৰাখি থৈদে।" শৰতে একো নামাতিলে, টকাও নুচুলে। হেমন্তই আকৌ ক'বলৈ ধৰিলে, "বাৰু! আনবোৰ মাল-বস্তু, টকা-পইচা মোৰ অৰ্জা টকাৰে হৈছে যেতিয়া সেইবোৰ এফালে আৰু মই আনফালে থিয় হ'লোঁ। ককাইদেৱে কওক, তেওঁক কি লাগে?" পিছত ঘৈণীয়েকক মাতি ক'লে, "তুমি কি নিবা কোৱা? মোক লাগে নে এই সম্পত্তি লাগে?"

কথা শুনি সকলো আচৰিত। কুমুদিনীৰ মুখৰ হাঁহি মুখতে মাৰ গ'ল। মনৰ আৱেগত ককায়েকে ভায়েকক সাবটি ধৰিলে।

---

# ডাক্তৰ

**লক্ষ্মীনাথ ফুকন**

১

পুৱা চাহ খাই থাকোঁতেই বিভূতি হাজৰিকাই খবৰ পালে ডাক্তৰ নাৰায়ণ চলিহা ঢুকাল। তেওঁ আচৰিত নহ'ল। ডাক্তৰ চলিহাৰ অৱস্থা বেয়াৰ ফালে অহাৰ কথা তেওঁ জানিছিল ; তেওঁ ইয়াকো জানিছিল যে এইবাৰ ডাক্তৰ চলিহা ৰক্ষা পোৱাৰ আশা নাই। আগতে দুবাৰ কিছু দিন শয্যাগত থাকি তেওঁ ভাল হ'ল। কিন্তু এইবাৰ ডাক্তৰ চলিহাই নিজে আৰু তেওঁক চোৱা আন ডাক্তৰেও আশা এৰি দিলে।

বিভূতি হাজৰিকাৰ বেজাৰ লাগিল যে তেওঁ যাওঁ যাওঁ বুলিও ডাক্তৰ চলিহাক চাবলৈ যাব নোৱাৰিলে। তেওঁ ভাবিছিল আৰু অন্ততঃ দুই-চাৰি দিন ডাক্তৰ চলিহা জীয়াই থাকিব আৰু ইয়াৰ ভিতৰতে তেওঁ এবাৰ গৈ চাই আহিব। কিন্তু তেওঁৰ ভবা কথা ভবাতে গ'ল। ডাক্তৰ চলিহাই ঘৈণীয়েকৰ চকুলৈ চাই থাকোঁতেই চিৰ দিনৰ কাৰণে চকু মুদিলে। ডাক্তৰে বেজী দিব খোজাতে থাকিল। বাতি পুৱাবলৈ নাপালে।

আধা-খোৱা চাহ বিভূতি হাজৰিকাই শেষ কৰিব নোৱাৰিলে। যিমান হে কষ্ট খাই আছিল ডাক্তৰ চলিহাই, তেওঁ গৈ সকলো কষ্টৰপৰা ৰক্ষা পালে। একৰকম ভালেই হ'ল, বিভূতি হাজৰিকাই ভাবিলে। তথাপি চাহখিনি তেওঁৰ শেষ কৰিবৰ মন নগ'ল। ডাক্তৰ চলিহা তেওঁৰ এতিয়াৰ চিনাকি নহয়, কলিকতাত নাৰায়ণ চলিহাই ডাক্তৰী আৰু বিভূতি হাজৰিকাই বি.এ. পঢ়া দিনৰেপৰা দুয়ো দুয়োকে চিনে। নামজ্বলা ডাক্তৰ নাৰায়ণ চলিহা, কিন্তু সেয়ে তেওঁৰ একমাত্ৰ পৰিচয় নহয়।

বিভূতি হাজৰিকাই য'তে চাহ খাই আছিল তাতে বহি বহি ডাক্তৰ চলিহাৰ কথাকে ভাবিবলৈ ধৰিলে। "ভাবিবলৈ ধৰিলে" বুলি কোৱাটো ঠিক হোৱা নাই, ডাক্তৰ চলিহাৰ কথা তেওঁৰ মনত পৰি গ'ল। বিভূতি হাজৰিকাৰ পুতেকৰ বিয়া। হাত-দীঘল মানুহ ডাক্তৰ চলিহালৈ তেওঁ লিখিলে, পুতেকৰ বিয়াত ৰভা দিবৰ কাৰণে কেইবাণ্ডিলমান টিন বন্দবস্ত কৰি দিব নোৱাৰে নে? যিটো মানুহৰ হাতত ডাক্তৰ চলিহালৈ তেওঁ চিঠি দিছিল সেইটো মানুহৰ হাততে ডাক্তৰ চলিহাই মাৰোৱাৰী ব্যৱসায়ী এজনলৈ এখন চিঠি লিখি পঠালে যেই বাণ্ডিল লাগে সেই বাণ্ডিল টিন বিভূতি হাজৰিকাক দিবলৈ। সময়মতে টিন আহি গ'ল।

অনুৰোধ কৰিলে অনুৰোধ ৰাখি বন্ধু, সম্বন্ধীয়া, চিনাকি বা সময়মতে অচিনাকি মানুহকো সহায় দিয়া মানুহ নথকা নহয়। অনেকেই এনে সহায় দিয়ে। কিন্তু নিজে উপযাচি আৰু লেশমাত্রও অপমান বোধ নকৰি উপকাৰ কৰা মানুহৰ সংখ্যা বিৰল। এনে বিধৰে মানুহ আছিল ডাক্তৰ চলিহা। মানুহৰ কামত লাগি তেওঁ আনন্দ পাইছিল।

বিভূতি হাজৰিকাৰ পুতেকৰ বিয়ালৈ মাজতে চাৰি দিনমান আছে। ঘপ্‌কৰে ওলালহি ডাক্তৰ চলিহা। বিভূতি হাজৰিকাৰ ঘৈণীয়েক ইন্দুমতী তেওঁৰ আগত ওলায়, কেনিবাদি অকণমান সম্বন্ধও লাগে। ডাক্তৰ চলিহাই ইন্দুমতীক সুধিলে, "বিয়াৰ কাৰণে আৰু কিবা কৰিব লাগিব নে কি? কি কৰিব লাগে কোৱা।"

ইন্দুমতীয়ে কি ক'ব কি নক'ব ভাবি থাকোঁতেই বিভূতি হাজৰিকায়ে মাত লগালে, "বিয়াৰ দিনা দৰাঘৰীয়া মানুহ নগাঁৱলৈ যাবৰ কাৰণে মটৰ এখনকে ঠিক কৰি দিয়ক।"

"এখন মটৰেই হ'ব নে?"

"দুখন মটৰ আৰু এখন বাছ মই ঠিক কৰিছোঁ। আপুনি আৰু এখন মটৰ ঠিক কৰি দিলেই হ'ব। তিনিখনতকৈ নো বেছি কেলেই?"

ডাক্তৰ চলিহাই পঞ্জাবী ঠিকাদাৰ এজনৰ ভাল ডাঙৰ মটৰ এখন ঠিক কৰি দিলে। বিয়াৰ দিনা সেইখন মটৰ আহিল, কিন্তু বিভূতি হাজৰিকাই বন্দবস্ত কৰা দুখন মটৰৰ এখন নাহিল। খবৰ কৰিলত জনা গ'ল যে মটৰৰ কিবা এটা ভাগি মটৰখন কাৰখানাত পৰি আছে, আহিব নোৱাৰিব। বিভূতি হাজৰিকা অলপ দুর্ভাবনাতে পৰিল। দৰা ওলাবলৈ আৰু সবহ পৰ নাই, মটৰ এখন এতিয়া পোৱা যায় কেনেকৈ? তিনিখন মটৰ নহ'লেও নহয়। টেক্সি এখনকে নিব লাগিব। টেক্সি বা কেনেকুৱা পোৱা যায়, পালে আকৌ এতিয়াই যাবলৈ ওলায় নে নোলায়?

"ইমান ভাবিব লাগিছে কিয়?" এইবুলি বিভূতি হাজৰিকাক কৈ ডাক্তৰ চলিহা ওলাই গ'ল আৰু আধা ঘণ্টামানৰ ভিতৰতে লগতে মটৰ এখন লৈ ঘূৰি আহিল। আগৰ মাৰোৱাৰী ব্যৱসায়ীজনৰে মটৰ। ডাক্তৰ চলিহাই বিভূতি হাজৰিকাক ক'লে, "এইখন মটৰ আনি দিলোঁ, একো টকা-সিকা দিব নালাগে, পেট্রলো দিব নালাগে। সিখন মটৰকো টকা-সিকা দিব নালাগে, কিন্তু পেট্রল দিব লাগিব। বাকীবোৰ ঠিক হ'ল নে?"

"হৈছে।"

"তেনেহ'লে দৰা যাবলৈ ওলাব লাগে এতিয়া। দেৰি কৰাৰ দৰকাৰ নাই।"

মন ডাঙৰ নহ'লে এনেদৰে কোনে সহায় কৰিবলৈ আগবাঢ়ি ওলায়?

২

ডাক্তৰ চলিহাই ঘৈণীয়েক আৰু ল'ৰা-ছোৱালী তিনিটালৈ পাছৰ কিমান টকা থৈ গৈছে? সেইছি টকা থৈ গৈছে বুলি বিভূতি হাজৰিকাৰ মনে নধৰে। থৈ যাবই বা কেনেকৈ? গোটেই কল্যাণপুৰ চহৰত তেওঁৰ লগত জোৰ মাৰিব পৰা আন এজন ডাক্তৰ যে নাছিল এই কথা সঁচা। এই কথাও সঁচা যে বেমাৰ আৰু বেমাৰী চাওঁতে চাওঁতে সময়মতে খোৱা আৰু সময়মতে শোৱাতো তেওঁৰ ব্যাঘাত হয়। পুৱা তেওঁৰ চেম্বাৰ বেমাৰ দেখুৱাবলৈ অহা মানুহেৰে ভৰি থাকে, আৰু তেওঁলোকক চাই-মেলি দৰব-পথ্যৰ ব্যৱস্থা দি ঘৰলৈ ঘূৰি আহোঁতে বেলি ভাটী দিয়ে। কিন্তু বেমাৰীৰ সংখ্যা অনুপাতে তেওঁৰ জেপলৈ টকা নাহে।

তথাপি ডাক্তৰ চলিহাই ভাল আৰ্জন কৰিছিল। ভাল আৰ্জন নকৰা হ'লে ইমান ধুনীয়া দুমহলীয়া পকী ঘৰটো নো তেওঁ সজালেহেঁতেন কেনেকৈ? ল'ৰা দুটাকে বা বিলাতত শিক্ষা দিয়ালেহেঁতেন কেনেকৈ? তেওঁ খৰচী মানুহ আছিল, ভালকৈ খাইছিল আৰু ভালকৈ থাকিছিল। সাজ-পাৰত তেওঁ নিজে অধলা আছিল যদিও ঘৈণীয়েক আৰু ছোৱালীজনীৰ সাজ-পাৰত ভালকৈয়ে চখ আছিল আৰু বিধে বিধে কাপোৰ-কানি তেওঁলোকে লৈছিল। টকা ডাক্তৰ চলিহাক লাগিছিল, কিন্তু টকালৈ তেওঁৰ মোহ নাছিল। বেমাৰীৰপৰা তেওঁ টকা লৈছিল, কিন্তু বেমাৰীয়ে টকা দিব নোৱাৰিলে বুলি বেমাৰীক চাবলৈ তেওঁ কুণ্ঠিত নহৈছিল। ডাক্তৰ চলিহাৰ দুই-এক বন্ধুৱে তেওঁক টকা-পইচাৰ বিষয়ে এনেকৈ উদাসীন নহ'বলৈ পৰামৰ্শ দিলে তেওঁ উত্তৰ দিছিল, "বেমাৰীৰ চিকিৎসা আগ, তাৰ পিছত হে ডাক্তৰৰ টকা।"

সেইবাৰ কল্যাণপুৰ জিলা কংগ্ৰেছ কমিটিৰ বছৰেকীয়া অধিবেশন কঁঠালবাৰীত হওঁতে ডাক্তৰ চলিহাই তালৈ গৈ কি কৰিলে তাকতো বিভূতি হাজৰিকাই বঢ়িয়াকৈ জানে। জিলা কংগ্ৰেছ কমিটীৰ এজন লেখৰ সভ্য যদিও ডাক্তৰ চলিহাই অধিবেশনত ঠিকমতে যোগ দিব নোৱাৰিলে। তেওঁ আহিব বুলি গম পাই ক'ৰপৰা যে বেমাৰীবোৰ ওলালহি! [illegible] সে সিহঁত আহিছিল তেওঁৰ ওচৰলৈ! তেওঁ সিহঁতক নিৰাশ কৰিব কেনেকৈ? নিৰাশ কৰাটো তো দূৰৰ কথা, তেওঁ ভালকে পালে সিহঁতক পাই। বেমাৰীবোৰক চাবলৈ তেওঁ লাগি গ'ল। কিছুমান বেমাৰীয়ে টকা দিলে, বাকীবোৰক তেওঁ এনেয়ে চালে। বেমাৰী চাওঁতে চাওঁতে ইমান দেৰি হ'ল যে সেইদিনা অধিবেশনৰ শেষৰ ফালে হে তেওঁক সভাত দেখিবলৈ পোৱা গ'ল।

পিছদিনা কোব চৰিল হে। ডাক্তৰ চলিহা থকা বাহৰত গোট খোৱা বেমাৰীবোৰক চোৱাৰ উপৰিও তেওঁ কেইটামানক সিহঁতৰ ঘৰত গৈ চাবলগীয়া হ'ল। বেমাৰীৰ বেমাৰৰ বৰ্ণনা দি তেওঁক এবাৰ চাই আহিবলৈ অনুৰোধ কৰা মাত্ৰেই তেওঁ বেগটো লৈ ওলালেই, যেন তেওঁ যাবলৈ সাজু হৈ তেওঁক মতালৈ মাথোন অপেক্ষা কৰি আছিল। খবালি বতৰ দেখি হে, নহ'লে কিজানি তেওঁ বেমাৰীৰ ঘৰ

ওলাবগৈ নোৱাৰিলেহেঁতেন ! ধান দাই নিয়া পথাৰৰ মাজেদি, কোনো ঠাইত মানুহৰ চোতালৰ আগেদি, কোনো ঠাইত কাৰোবাৰ বাৰীৰ দাঁতিয়েদি দুমাইলমান খোজ কাঢ়ি গৈ তেওঁ বেম্যাৰীৰ ঘৰ ওলালগৈ। ভালেমান দিন শয্যাত পৰি থকা বেমাৰী চাই-মেলি বেমাৰীক দিহা-পৰামৰ্শ দি ডাক্তৰ চলিহা ঘূৰি আহিবলৈ ওলাওঁতে দুপৰ হ'ল।

তথাপি ডাক্তৰ চলিহাই তেওঁৰ বাহৰলৈ পোনে পোনে ঘূৰি আহিব পাৰিলে জানো? বাটতে খাপ লৈ থাকি কেইবা যোৰাও মানুহে ঘৰলৈ তেওঁক মাতি নি বেমাৰী দেখুৱালেগৈ। তেওঁৰ ভাগৰো লাগিছিল, ভোকো লাগিছিল, ভোকতকৈও লাগিছিল পিয়াহ। মন-খোলা মানুহ ডাক্তৰ চলিহা, বেম্যাৰী চাই "ভাল হৈ যাব, একো ভয় নাই" বুলি আশ্বাস দি এঘৰত তেওঁ কৈয়ে পেলালে, "চাহ অলপ খাব নোৱাৰি নে?"

"কেলেই নোৱাৰিব?"

"তেনেহ'লে লৈ আহা চাহ।"

ডাক্তৰ চলিহাই চাহত শোহা মাৰোঁতেই গৃহস্থই "চাহৰ লগত খাবলৈ হে একো দিব নোৱাৰিলোঁ" বুলি অলপ ৰোৱা যেন কৰি সুধিলে, "কল আছে খাব নে? মালভোগ কল।"

"কল হে নাখাম? তাতে যেই-সেই কল নহয়, মালভোগ কল।"

একাৰি কলৰ লেখি লেখি ডাক্তৰ চলিহাই পাঁচোটা কল খালে, খাই গৃহস্থক ক'লে, "তোমাৰ ইয়াত আজি বৰ বঢ়িয়া বস্তু খালোঁ। মালভোগ কল বৰ ভাল বস্তু; কল মাত্ৰেই ভাল। কল, অমিতা, বেল বৰ ভাল বস্তু। তোমালোকে খাবা এইবোৰ আৰু খাবা শাক-পাচলি। বাৰীতে কৰি ল'বা। এয়া কল বাৰীৰ নে?"

"হয়, বাৰীৰে।"

যদিও ডাক্তৰ চলিহাই প্ৰত্যেকটো বেমাৰীৰপৰা টকা পোৱাও নাছিল আৰু লোৱাও নাছিল, তথাপি কঁঠালবাৰীত থকা দুদিনত তেওঁ তিনিশমান টকা পাইছিল। অৱস্থাপন্ন দুই-এজন বেমাৰীয়ে তেওঁক অলপ বেছিকৈয়ে দিছিল। এই গোটেইখিনি টকা তেওঁ কঁঠালবাৰীতে পূৰ্ণানন্দ বৰাক দি ক'লে, "হোৱা, এই টকাখিনি তোমাক দিলোঁ, কংগ্ৰেছৰ কামত খৰচ কৰিবা।" কল্যাণপুৰ জিলা কংগ্ৰেছ কমিটীৰ সম্পাদক এই পূৰ্ণানন্দ বৰা।

ডাক্তৰ চলিহাই কৈ অহা মতে দুই-চাৰিটা বেমাৰীয়ে কল্যাণপুৰলৈকো আহি তেওঁৰ চেম্বাৰতে তেওঁক আকৌ দেখুৱালেহি। তেওঁ সিহঁতক পৰীক্ষা কৰি চালে আৰু দৰৱ-জাতি আৰু পথ্য আদিৰ বিধান দিলে। চেম্বাৰত দেখুৱালে তেওঁ আঠ টকা ফীজ লয়। দুটামানে ঠিকমতে দিলে। এটাই কপ তিনি টকা তেওঁলৈ আগবঢ়াই

ক'লে, "ইমানকে হে আনিব পাৰিলোঁ, দেউতা!"

ৰূপ তিনি টকা ডাক্তৰ চলিহাই নল'লে, নলৈ ক'লে, "এই তিনি টকা তোয়া লৈ যা। বেমাৰৰপৰা উঠিছ এতিয়া, ইয়াৰে মাছ কিনি খাবি।"

৩

বিভূতি হাজৰিকাই বোৱাৰীয়েকক মাতিলে। মীৰা আহিলত তেওঁ যে মাজে মাজে খায় তাৰে পিল এটা মীৰাক আনিবলৈ ক'লে। সেইমতেই মীৰাই এটা হাতত পিল এটা আৰু ইটো হাতত পানী এগিলাচ আনি তেওঁক দিলেহি। তেওঁ পিলটো আৰু পানী দু-আঙুলমান খাই গিলাচটো বোৱাৰীয়েকক ঘূৰাই দি নিজকে নিজে কোৱাৰ দৰেই ক'লে, "সংসাৰত জীয়াই থাকিবলৈ হ'লে বহুত তিতা-কেহা খাব লাগে। তিতা-কেহা খায়ো জানো নিস্তাৰ আছে? ডাক্তৰ চলিহাই নো কম তিতা-কেহা খালে নে? কিন্তু তিতা-কেহা খায়ো তেওঁ নিস্তাৰ নাপালে; অথচ তেওঁ নিজেই ডাক্তৰ। বয়স নো কিমান হৈছিল তেওঁৰ! আঠাৱন বছৰ। সি একো বেছি বয়স নহয়।"

মীৰাই সুধিলে, "আজি গাটো বেছি বেয়া লাগিছে নে কি দেউতা? ডাক্তৰ নবীন চক্ৰৱৰ্তীকে মতাই পঠাম নে?"

"কল্যাণপুৰত তুমি আৰু ডাক্তৰ নাপালা ডাক্তৰ চক্ৰৱৰ্তীক যে মতাব খুজিছা? সেইটো নো ডাক্তৰ নে? সেইটো ডাক্তৰ নহয় পিশাচ। সি আহিলে হে মোৰ গা বেছি বেয়া লাগিব। এতিয়া তেনে একো বেয়া লগা নাই।"

মীৰা নিশ্চিন্ত হৈ গিলাচটো লৈ ভিতৰলৈ সোমাই গ'লত বিভূতি হাজৰিকাই কৈ উঠিল, "পিশাচ নহয় নো কি?" কৈয়েই তেওঁ নিমাত হৈ গ'ল। কথাবোৰ তেওঁৰ মনত পৰিবলৈ ধৰিলে। ডাক্তৰ ভুবন শইকীয়াৰ পুতেকৰপৰাই তেওঁ সকলো কথা শুনিছে। ৰাতি এঘাৰমান বজাত ডাক্তৰ শইকীয়াৰ হঠাতে অসুখ হ'ল। তেওঁৰ আগতেও এবাৰ নে দুবাৰ এইদৰে অসুখ হৈছিল। হৃদযন্ত্ৰৰ অসুখ। পোনতে ডাক্তৰ চলিহালৈকে খবৰ গ'ল, কিন্তু তেওঁ সেই দিনা আবেলিয়েই কোনোবাই বেমাৰী দেখুৱাবলৈ যোৰহাটলৈ লৈ গ'লহি বুলি ক'লত খবৰ দিবলৈ যোৱা মানুহ ঘূৰি আহিল।

একেটা অঞ্চলতে ডাক্তৰ চক্ৰৱৰ্তীৰ ঘৰ। তেওঁক ডাক্তৰ শইকীয়াৰ পুতেকেই মাতিবলৈ গ'ল। কেইবাবাৰো মতা আৰু বেৰত ঢকিওৱাৰ পিছত ডাক্তৰ চক্ৰৱৰ্তীয়ে নাইট-গাউনটো পিন্ধি ওলাই দেখা দিলত অসীমে তেওঁক দেউতাকৰ অসুখৰ কথা কৈ দেউতাকক আহি চাবলৈ খাটনি ধৰিলে। অসীমে যেন কব জগৰৰ কথা এযাৰ

হে ক'লে, এনে ভাবেৰেই ডাক্তৰ চক্ৰৱৰ্তীয়ে সমিধান দিলে, "মোক যে মাতিবলৈ আহিছা ডাক্তৰ চলিহাক মাতি নানা কিয়? তেওঁৰ ওপৰত হে তোমালোকৰ বিশ্বাস বেছি।"

ডাক্তৰ চক্ৰৱৰ্তীক ঠিকমতে উত্তৰ দিব পৰা বিধৰে ল'ৰা অসীম। পিছে বেমাৰী চাবলৈ ডাক্তৰক মাতিবলৈ আহি ডাক্তৰক কটু কথা কোৱা বা ডাক্তৰৰ লগত চুপতি মৰা শোভা নাপায়, বিশেষকৈ ডাক্তৰ চক্ৰৱৰ্তীৰ নিচিনা ডাক্তৰৰ লগত যাৰ ৰৰণ বগা হ'লেও মনটো ক'লা। অসীমে ক'লে, "আপোনাৰ ওপৰত বিশ্বাস নথকা হ'লে আপোনাৰ ওচৰলৈ আহোঁ নে? আপুনিয়েই আহক অনুগ্ৰহ কৰি।"

"নাই, ডাক্তৰ চলিহাকে মাতি আনাগৈ। মোৰ গা'ও ভাল নহয়। মই যাব নোৱাৰিম।"

চৰকাৰী হাস্পতালৰ ডাক্তৰ নিয়োগীক লৈ অসীমে ঘৰ পাই দেউতাকক নাপালেগৈ। ডাক্তৰ শইকীয়াৰ লগত বেজী আৰু বেজীৰ দৰৱ আছিল। ডাক্তৰ নহা দেখি তেওঁ ঘৈণীয়েককে দিহা দিছিল তেওঁক বেজী দিবলৈ। ঘৈণীয়েকে বোলে বেজীও দিছিল, কিন্তু অভ্যাস নথকাত আৰু তদুপৰি ভয়, শংকা আৰু অস্থিৰতাত বপুৰীৰ হাত কঁপি উঠাত বেজীয়ে ছাল ফুটালে যদিও দৰব ঠিকমতে সুমুৱাব নোৱাৰিলে। এইদৰেই ডাক্তৰ শইকীয়াৰ জীৱনৰ অৱসান ঘটিল।

ডাক্তৰ চক্ৰৱৰ্তীয়ে অলপ কৰুণা কৰা হ'লে হয়তো ডাক্তৰ শইকীয়াই এইবাৰো বেহাই পালেহেঁতেন! ডাক্তৰে এবাৰ চাই-মেলি বেজী দিয়াৰ পিছত মৰা হ'লে শইকীয়ানী আৰু পুতেকে কিজানি অলপ সান্ত্বনাকে পালেহেঁতেন যে একো কৰিব নোৱাৰিলে যদিও ডাক্তৰে চালেহি। তেওঁলোকেও ডাক্তৰক দেখুৱাব পাৰিলে। এতিয়া যে ডাক্তৰে চাবলৈকে নাপালে। ডাক্তৰ চক্ৰৱৰ্তীয়ে চাবলৈকে নাহিল ডাক্তৰ শইকীয়াক। ডাক্তৰ এনেকুৱাও হয়!

বিলাতত পৰীক্ষা পাছ কৰি ডিগ্ৰী লৈ আহিছে বুলি ডাক্তৰ চক্ৰৱৰ্তীয়ে নিজকে যহাঁই ফুৰিলেনো কি হ'ব? ডাক্তৰ চলিহালৈ তেওঁৰ হিংসা। কিন্তু ডাক্তৰ চলিহাৰ কেঁএগা আঙুলিটোৱো যোগ্য হ'লহেঁতেন যদি ডাক্তৰ চক্ৰৱৰ্তী, ডাক্তৰ হিচাপে নহ'লেও মানুহ হিচাপে!

৪

ডাক্তৰ চলিহাই দৰব আৰু খোৱা-বোৱাৰ বিষয়ে বিভুতি হাজৰিকাক যি ব্যৱস্থা দিছিল সেইমতে চলিয়েই একৰকম ভালে আছে। তেওঁ সেইমতেই চলি থাকিব। যদি বেছিকৈ বেয়া পায় আৰু অগত্যা ডাক্তৰক নেদেখুৱালেই নহয়, তেনেহ'লে

তেওঁ আন ডাক্তৰক মাতি দেখুৱাব, কিন্তু ডাক্তৰ চক্ৰৱৰ্তীক নেদেখুৱায়, কেতিয়াও নেদেখুৱায়। পিশাচ তো ডাক্তৰ চক্ৰৱৰ্তী হয়েই; পিশাচ নহ'লে ইমানকৈ মতাতো তেওঁ ডাক্তৰ শইকীয়াক চাবলৈ নগ'লহেঁতেন নে? কিন্তু ডাক্তৰ হিচাপেও ডাক্তৰ চক্ৰৱৰ্তীৰ ওপৰত তেওঁৰ আস্থা নাই।

সেউতী দুৱৰাক ডাক্তৰ চক্ৰৱৰ্তীয়ে কম ভয় খুৱালে নে? যোৰহাটৰপৰা তাই বৰ আশা কৰি আহিছিল ডাক্তৰ চলিহাক তাইৰ বেমাৰ দেখুৱাবলৈ। তাইৰ কপাল বেয়া। ডাক্তৰ চলিহা সপৰিয়ালে কলিকতালৈ গ'ল, তাৰপৰা পুৰী, পুৰীৰপৰা ওৱালটেয়াৰ, ওৱালটেয়াৰৰপৰা ৰামেশ্বৰম, ৰামেশ্বৰমৰপৰা কন্যাকুমাৰীলৈ গৈ, তাৰপৰা ঘূৰি বেংগালোৰ, মহীশূৰ আৰু উটকামণ্ডত সোমাই এমাহমানৰ পিছত হে কল্যাণপুৰ পাবহি। কল্যাণপুৰলৈ আহি তাই এতিয়া এনেয়ে ঘূৰি যাব নে? কোনো কোনেৱে কোৱাত আৰু তায়ো ডাক্তৰ চক্ৰৱৰ্তী বিলাতৰ ডিগ্ৰীধাৰী ডাক্তৰ বুলি জানি তেওঁকে দেখুৱালেগৈ।

বেমাৰৰ বিষয়ে সেউতী দুৱৰাৰপৰা সকলো শুনি আৰু তাইক পৰীক্ষা কৰি ডাক্তৰচক্ৰৱৰ্তীয়ে তাইৰ বুকু এক্সৰে কৰিবলৈ ক'লে। চৰকাৰী হাস্পতালত এক্সৰে কৰাই তাই প্লেটখন ডাক্তৰ চক্ৰৱৰ্তীক দিলেহি; তেওঁ প্লেটখন এবাৰ নহয়, দুবাৰ নহয়, কেইবাবাৰো ভালকৈ পোহৰত চাই বৰ গহীন হৈ ক'লে, "মই যি ভাবিছিলোঁ সেয়ে। পিছে আপুনি একো ভয় নকৰিব। সোনকালেই আপোনাৰ বেমাৰ ধৰা পৰিছে যেতিয়া একো ভয় নাই। আপুনি ছিলঙত গৈ থাকিব লাগিব কিছুমান দিন। ৰীড চেষ্ট হস্পিটেল আছে নহয় তাত, তাতে থাকিবগৈ।"

ৰীড চেষ্ট হস্পিটেলৰ নাম শুনি সেউতী দুৱৰা চক খাই উঠিল। তাত কেনেকুৱা বেমাৰী থাকে সেউতী দুৱৰাই জানে। তাই ডাক্তৰ চক্ৰৱৰ্তীক সুধিলে, "মোৰ তেনেহ'লে টি-বিয়েই হ'ল নে কি?"

"মই আৰু ধেমালি কৰিছোঁ নে?"

যোৰহাটলৈ সেউতী দুৱৰা ঘূৰি গ'ল। তাৰে স্কুল এটাত মাষ্টৰণী কৰে তাই, মেট্ৰিকুলেচন পাছ কৰা মাষ্টৰণী, দৰমহা কম পায়, আগ-গুৰি ধৰোঁতাও তাইৰ তেনেকৈ কোনো নাই। ৰীড চেষ্ট হস্পিটেলত থাকিবলৈ লাগিব টকা। সেই টকা তাই পাব ক'ৰপৰা? হেডমাষ্টৰণী আৰু আন মাষ্টৰণী কেইজনীয়েও কিছু টকা নিজৰ ভিতৰতে তুলি তাইক দিলত তাই ছিলংমুৱা হ'ল। হেডমাষ্টৰণীয়ে তাইৰ অৱস্থাৰ কথা বৰ্ণাই ডাক্তৰ চলিহালৈ তাইৰ হাততে এখন চিঠি দিলে। প্ৰতিপত্তি থকা মানুহ তেওঁ, যদি ছিলঙত তাইৰ চিকিৎসাত কিছু সুবিধা কৰি দিব পাৰে, সেই আশাৰে।

এইবাৰ সেউতী দুৱৰাই কল্যাণপুৰত ডাক্তৰ চলিহাক লগ পালে। সেউতী

দুৰৰাই তেওঁক বেমাৰৰ বিষয়ে আৰু ডাক্তৰ চক্ৰৱৰ্তীৰ পৰীক্ষা আৰু ব্যৱস্থাৰ বিষয়ে সকলো বিবৰি ক'লে। ডাক্তৰ চলিহাই তাইক পৰীক্ষা কৰিলে আৰু এক্সৰে প্লেটখনো চালে। তাইৰ বেমাৰ ধৰিব পাৰি ডাক্তৰ চক্ৰৱৰ্তী গহীন হৈ গৈছিল। ডাক্তৰ চলিহাই তাইৰ বেমাৰ ধৰিব পাৰি খংমুৱা হৈ গ'ল। তেওঁ ক'লে, "কোন গৰু ডাক্তৰে কৈছে তোমাৰ টি-বি হৈছে বুলি? টি-বি নহয়, লিভাৰৰ দোষ। মই দৰব খাবলৈ দিম, খাই ভাল হৈ যাবা।"

সেউতী দুৰৰাৰ গোটেই গাতে আনন্দৰ শিহৰণ উঠিল। তাই ক'লে, "মই তেনেহ'লে ছিলঙলৈ যাব নালাগে?"

— "নালাগে যাব। কিন্তু মোৰ তত্ত্বাৱধানত কল্যাণপুৰত কিছু দিন থাকিব লাগিব তুমি।"

কল্যাণপুৰত থকাও সেউতী দুৰৰাৰ পক্ষে এক সমস্যা। কথাটো গম ধৰি ডাক্তৰ চলিহাই তাইক ক'লে, "তুমি থকাৰ বিষয়ে একো চিন্তা কৰিব নালাগে। মোৰ ঘৰতে থাকিব পাৰিবা। একো অসুবিধা নোপোৱা।"

ডাক্তৰ চলিহাৰ ঘৰতে সেউতী দুৰৰা থাকিল। চলিহানীয়েও তাইক ইমান মৰম আৰু আদৰ-সাদৰ কৰি ৰাখিলে যেন তাই কোনোবা পৰম কুটুম হে। নিজৰ আপোন মানুহকো বহুতে ইমান আপোন ভাবেৰে নাৰাখে। ডাক্তৰ চলিহাৰ দিহা মতে দৰব খাই এমাহমান থাকি সুস্থ আৰু সবল হৈ সেউতী দুৰৰা যোৰহাটলৈ ঘূৰি গ'ল।

সেউতী দুৰৰাক পৰীক্ষা আদি কৰি তাইৰপৰা যি কেইটকা উলিয়াব লাগে লেখি লেখি ডাক্তৰ চক্ৰৱৰ্তীয়ে উলিয়ালে। তাইক তেওঁ দুদিন পৰীক্ষা কৰিলে আৰু প্ৰত্যেক দিনৰে বেলেগে ফিজ ল'লে, এই দুদিনৰ পৰীক্ষা যদিও একে দিনাই তেওঁ কৰিব পাৰিলেহেঁতেন। তেজ আদি পৰীক্ষা কৰাৰ কাৰণেতো তাই ফীজ দিব লগা হ'লেই। ডাক্তৰ চলিহাই তাইৰপৰা ফীজ যে নল'লেই, তাইক এমাহ খুৱাওঁতে তেওঁ নিজৰপৰা খৰচহে কৰিবলগীয়া হ'ল।

ডাক্তৰ চক্ৰৱৰ্তীৰ টকালৈ খঁকটো বেছি। ডাক্তৰ চলিহাই হাততলে অহা টকাও এৰি দিয়ে, অথচ তেওঁৰ হে আকৌ আয় সবহ। ডাক্তৰ চক্ৰৱৰ্তীয়ে টকা যেনেকৈ পাৰে তেনেকৈ আদায় কৰে, অথচ তেওঁ টকা বহুত কম পায় ডাক্তৰ চলিহাতকৈ। টকালৈ খঁক হ'লেই টকা নাহে।

৫

ডাক্তৰ চক্ৰৱৰ্তীৰ ঘৰৰ ওচৰতে কুমুদ লহকৰৰ ঘৰ। গধূলি গধূলি তেওঁৰ

ঘৰত তাচৰ আড্ডা বহে আৰু সেই আড্ডাত সদায় নহʼলেও মাজে মাজে ডাক্তৰ চক্ৰৱৰ্তীয়েও যোগ দিয়ে। আলাপ-আলোচনা আৰু তৰ্ক-বিতৰ্কও তাত চলে আৰু তামোল, চাহ আৰু ছিগাৰেট ধ্বংস হয়।

অৱসৰ লʼবলৈ দুই বছৰমান থাকোঁতেই কুমুদ লহকৰে কাম এৰি দিলে। তেওঁ ছিলঙত কিবা এটা ভাল কামকে কৰিছিল। কাম এৰি ছিলঙৰপৰা নামি তেওঁ কল্যাণপুৰত খোপনি পুতিলে আৰু লগে লগে তাচৰ এই আড্ডাটো প্ৰতিষ্ঠা কৰি তাৰ মেনেজাৰ হৈ ৰহিল। মানুহে কয় তেওঁ বোলে কামত থাকোঁতে যুদ্ধৰ সময়ত সুবিধা পাই বহুত টকা কৰিলে আৰু সেই সম্পৰ্কতে কিবা গোলমালত পৰাৰ আশংকা কৰি পিছৰ কথা আগতে ভাবি কাম এৰি দিবলগীয়া হʼল।

কোনো কোনো দিনা তাচৰ আড্ডালৈ আহোঁতে ডাক্তৰ চক্ৰৱৰ্তীৰ দেৰিও হয়। কোনো কোনো দিনা বেমাৰী চাবলৈ যাবলগীয়া হʼলে তেওঁ আহিবও নোৱাৰে। কিন্তু সেই দিনা তেওঁ ঠিক সময়তে আহি খেলত বহি গʼল। সেই খেলখন হৈ যোৱাৰ পিছত তেওঁ তাচযোৰ হাতত লৈ কুমুদ লহকৰক সম্বোধন কৰি কʼলে, "বুজিছে নে লহকৰ, কালি বৰ ডাঙৰ কথা এটা শুনিলোঁ।"

কুমুদ লহকৰ আৰু আন দুজনেও একেলগে কৈ উঠিল, "কি কথা?"

ডাক্তৰ চক্ৰৱৰ্তীয়ে ইফালে-সিফালে চালে, দেখিলে তেওঁলোকৰ বাহিৰে তাত আৰু কোনো নাই। কোঠাটোতো নাই, কোঠাটোৰ বাহিৰতো নাই। তেওঁ কʼলে, "কʼবলৈকে বেয়া লাগে। মানুহনো এনেকুৱা হʼব লাগে নে?"

মহিম নবীচে মাত লগালে, "তোমাৰ মন্তব্য বাৰু পিছতো দিবা। আগেয়ে কথাটো নো কি তাকে কোৱাচোন।"

"তাকে তো কʼব খুজিছোঁ। মই যে ভাবিবই নোৱাৰোঁ মানুহ এনে হʼব পাৰে বুলি। ডাক্তৰ হৈ ইমান তললৈ যাব পাৰে। আমাৰ আটাইবোৰৰে নাক কটালে।"

এইবাৰ বিদ্যানন্দ চৌধুৰীয়ে মাত লগালে, "কোননো ডাক্তৰ সেইজন?"

বৰ ফূৰ্তিৰেই ডাক্তৰ চক্ৰৱৰ্তীয়ে কʼলে, "কোন হʼব আৰু? ডাক্তৰ চলিহা।"

"কেনেকৈ নো তেওঁ আপোনালোকৰ নাক কটালে?"

কুমুদ লহকৰে তেওঁলোকৰ কাৰণে আগবঢ়াই থোৱা চিগাৰেটৰ টিনটোৰপৰা চিগাৰেট এটা উলিয়াই জ্বলাই লৈ গহীনকৈ একবাৰ হুপি ডাক্তৰ চক্ৰৱৰ্তীয়ে কৈ গʼল, "নবকান্ত কাকতীৰ ঘৈণীয়েকৰ হঠাতে কিবা বোলে অসুখ হʼল। ইফালে কাকতী ঘৰত নাই, মফচ্ছল কৰিবলৈ গৈছিল। লৰালৰিকৈ ডাক্তৰ চলিহাকে কাকতীয়নীয়ে মতাই নিয়ালে। ডাক্তৰ চলিহাই কাকতীয়নীৰ হাতটো টিপি চালে, চাই কʼলে, ভালকৈ পৰীক্ষা কৰি চাব লাগিব, এনেকৈ নহʼব। এইবুলি কোঠাটোত থকা মানুহখিনিক বাহিৰলৈ পঠাই দুৱাৰখন জপাই লৈ কাকতীয়নীক পৰীক্ষা কৰাৰ

চলতে বোলে বুকুত বেয়াকৈ হাত দিব খুজিছিল। কাকতীয়নীয়ে হাতটো এছাৰ মাৰি দি ঘপ্ কৰে বিছনাত উঠি বহিল। ডাক্তৰেও প্ৰেছক্ৰিপচনখন লিখি দিয়ে গুচি গ'ল, ফীজ নোলোৱাকৈয়ে। কাকতী মফছলৰপৰা ঘূৰি আহিলত কাকতীয়নীয়ে ঘটনাটো ক'লত তেওঁ হেনো ক'লে,"সেইটো ডাক্তৰক মাতিবলৈ নো তোমাক কিহে পাইছিল, আন এজন ডাক্তৰ মাতিব নোৱাৰিলা! ভাৱি চক এতিয়া, কি পাষণ্ড সঁচাকৈয়ে ডাক্তৰ চলিহা।"

কথাখিনি শুনোতে বিদ্যানন্দ চৌধুৰীয়ে বৰ ধৈৰ্য ধৰিবলগীয়া হৈছিল আৰু শুনি তেওঁৰ মনটো বিদ্ৰোহী হৈ উঠিছিল। ডাক্তৰ চক্ৰৱৰ্তীৰ কথা শেষ হ'লত তেওঁ মাতটো কঠিন কৰি ক'লে, "আপুনিও ক'লে আমিও শুনিলোঁ। এখেতসকলৰ কথা ক'ব নোৱাৰোঁ, মই হ'লে আপোনাৰ এইখিনি কথা বিশ্বাস নকৰোঁ।"

"কেলেই?"

"আপুনি জানিলে কেনেকৈ?"

"মোক কৈছে।"

"কোনে কৈছে? কাকতীয়ে নে কাকতীয়নীয়ে?"

"তেওঁলোকে নক'লে আৰু কওঁতা নাই নে কি? এইবিলাক কথা তো লুকাই নাথাকে, ওলাবই।"

"ওলাব তো, কেলেই নোলাব? আপুনি তো আছেই উলিয়াবলৈ। মই এনেয়েও ডাক্তৰ চলিহাৰ বিষয়ে এইবোৰ কথা বিশ্বাস নকৰোঁ; আপুনি কৈছে দেখি আৰু নকৰোঁ। ডাক্তৰ চলিহাৰ প্ৰতি আপোনাৰ ভাবটো মই তো জানোৱেই!"

ডাক্তৰ চক্ৰৱৰ্তীয়ে উত্তৰ দিবলৈ নৌপাওঁতেই মহিম নবীচে মাত লগালে, "কিন্তু আপুনি বিশ্বাস কৰকেই বা নকৰকেই, ডাক্তৰ চলিহা বৰ সুবিধাৰ মানুহ নহয় দেই। তেওঁৰ লুতুৰা স্বভাৱ নথকা নহয়।"

বিদ্যানন্দ চৌধুৰীয়ে সুধিলে, "আপোনাৰ নবীচনীৰ গাতো হাত দিছিলগৈ নে কি ডাক্তৰ চলিহাই?"

"আমাৰজনীক হাত দিয়া হ'লে পোটকটো পালেহেঁতেন ভালকৈয়ে।"

ইমান বেলি একো নামাতি-নুবুলি কুমুদ লহকৰে দুয়ো পক্ষৰ কথা শুনি আছিল যদিও তেওঁ শুনি ভাল পোৱা নাছিল। এই তৰ্ক-বিতৰ্কৰ সিমানতে অন্ত পেলাবৰ মনেৰে তেওঁ ক'লে, "আমি ইয়াত তাচ খেলিবলৈ হে গোট খাইছোঁ, ডাক্তৰ চলিহাক চৰ্চা কৰিবলৈ গোট খোৱা নাই। সেইবোৰ আলোচনা থৈ দিয়ক এতিয়া।"

তেওঁ তাচযোৰ হাতত লৈ বিলাবলৈ আৰম্ভ কৰি দিলে।

৬

বিভূতি হাজৰিকাই জানে ডেকা বয়সত ডাক্তৰ চলিহাই সুবিধা পালে ছোৱালী

জোকাইছিল। এজনী ছোৱালীক অলপ বেছিকৈয়ে জোকাইছিল। তেওঁ তেতিয়া কলিকতাৰ মেডিকেল কলেজৰ ছাত্ৰ, খোজে-কাটলে কথাই-বতৰাই তজবজীয়া ডেকা। কিন্তু জোকাইছিল যদিও তেওঁ নিজক চম্ভালি ৰাখিব পাৰিছিল।

কিমান দিনৰ আগৰ কথা, তথাপি বিভূতি হাজৰিকাই পাহৰা নাই। নাৰায়ণ চলিহাহঁতৰ মেছটোৰ প্ৰায় পোনে পোনে সৰু ৰাস্তা এটাৰ কাষৰ তিনি-মহলীয়া ঘৰ এটাত থকা বঙালী ছোৱালী এজনীক জোকোৱা তেওঁৰ প্ৰায় নিত্য-কৰ্ম হৈ পৰিছিল। তেওঁ থকা কোঠাটোৰ আন ল'ৰা দুটা ওলাই গ'লে তেওঁ দুৱাৰখন বন্ধ কৰি লয় আৰু খিৰিকীখনেদি ছোৱালীজনীলৈ চাই নানা অংগি-ভংগি কৰি দেখুৱায়। আয়নাখন হাতত লৈ জোকাৰি জোকাৰি তেওঁ তাইৰ মুখত তাৰ পোহৰ পেলাই দিয়ে, হাত বাউল দি তাইক মাতে, তাইলৈ চুমা যাচে। তায়ো সম্ভৱতঃ প্ৰেম-নিবেদন ভালেই পাইছিল আৰু কোনো কোনো দিনা তাই নাৰায়ণ চলিহাক সিঁয়াৰি দিয়া তেওঁ বঢ়িয়াকৈ গম ধৰিব পাৰিছিল।

বৰ গুপুতে নাৰায়ণ চলিহাই এই লীলা-খেলা চলাইছিল। তাৰ সম্ভেদ তেতিয়া পাইছিল ওচৰতে আন এটা মেছত থকা তেওঁৰ পৰম বন্ধু অনাদিচৰণ দাসে হে। এদিন দুই বন্ধু ফুৰিবলৈ ওলাই গৈ ছোৱালীজনী থকা ঘৰটো পাই তাইক ওপৰত দেখি নাৰায়ণ চলিহাই চাই পঠাওঁতেই দিলে তাই পানী এঘটী ঢালি তেওঁলৈকে বুলি। অনাদিচৰণৰ গাত ছিটিকনি হে পৰিল, কিন্তু নাৰায়ণ চলিহাৰ খং উঠি গ'ল। "কি অভদ্ৰ" বুলি তেওঁ তেতিয়াই তেনেকৈয়ে ছোৱালীজনীৰ অভিভাৱকৰ ওচৰত গোচৰ দিবলৈ যাবই খুজিছিল, অনাদিচৰণে যাবলৈ নিদিলে। অনাদিচৰণক তাতে বিদায় দি তেওঁ মেছলৈ গৈ কাপোৰ-কানি সলাই আকৌ ঘূৰি আহি ঘৰটোৰ ভিতৰৰপৰা বন্ধ কৰি থোৱা দুৱাৰত ঘটঘটাই দিলত যিজন মানুহে দুৱাৰ খুলি দিলে তেওঁক দেখিয়েই নাৰায়ণ চলিহাই চিনি পালে আৰু তেওঁকো চিনি পালে মানুহজনে। নাৰায়ণ চলিহা ছায়েন্সৰ তৃতীয় বাৰ্ষিকত পঢ়োঁতে এখেঁই আছিল তেওঁলোকৰ প্ৰফেছাৰ অমিয়কুমাৰ ৰায়।

কি ক'ব এতিয়া নাৰায়ণ চলিহাই? কি গোচৰ দিব? ৰায় মহাশয়ক প্ৰণাম কৰি নাৰায়ণ চলিহাই সেপ গিলি ক'লে, "আপুনি ইয়াত আছে বুলি গম পাই আপোনাক দেখা কৰিবলৈ আহিলোঁ।"

বুঢ়া প্ৰফেছাৰে বৰ ভাল পালে। আদৰ-সাদৰ কৰি নাৰায়ণ চলিহাক বহুৱাই লৈ অনেক কথা পাতি তেওঁ জীয়েকক মাতি আনি পুৰণি ছাত্ৰৰ লগত চিনাকি কৰি দিলে, "মোৰ ছোৱালী কৃষ্ণা, বি-এ পাছ কৰি এতিয়া এম-এ পঢ়িছে।" নাৰায়ণ চলিহাই দেখিলে তেওঁৰ গাত পানী ঢলা সেই ছোৱালীজনীয়েই যিজনীক দূৰৰপৰা তেওঁ ইমানকৈ জোকায়। এতিয়া তাইক ইমান ওচৰতে পাই তেওঁ তাইলৈ ভালকৈ

চাবকে নোৱাৰিলে।

নাৰায়ণ চলিহাকো প্ৰফেছাৰে জীয়েকক চিনাকি কৰি দিলে। বৰ উৎসাহেৰেই তেওঁ ক'লে, "নাৰায়ণ চলিহা, মেডিকেল কলেজৰ চতুৰ্থ বাৰ্ষিকত পঢ়ে। মোৰ ছাত্ৰ আছিল বি-এছ্‌-চি পঢ়োঁতে। বৰ চোকা বুদ্ধিৰ ল'ৰা। যেনে স্বাস্থ্য, তেনে বুদ্ধি, তেনে স্বভাৱ-চৰিত্ৰ।"

প্ৰফেছাৰৰ দিহা মতেই কৃষ্ণাই দুয়োজনকে চাহ-জলপান আনি দিলেহি। চাহ-জলপান খাই নাৰায়ণ চলিহাই বিদায় লওঁতে প্ৰফেছাৰে তেওঁক মাজে মাজে আহিবলৈ ক'লে। কৃষ্ণাই যদিও একো নক'লে তথাপি তাই নাৰায়ণ চলিহালৈ যেনেকৈ চালে তাৰপৰা বুজিব পৰা গ'ল যে দেউতাকৰ ইচ্ছাই তাইৰ ইচ্ছা। তাইৰ দুচকুত এক নতুন দীপ্তি চলিহাই দেখিবলৈ পালে।

কিন্তু নাৰায়ণ চলিহা বুঢ়া প্ৰফেছাৰৰ ঘৰলৈ আৰু নগ'ল। কৃষ্ণাক জোকাবলৈকো তেওঁ এৰি পেলালে। ছোৱালীজনীয়ে ভুমুকা-ভুমুকি কৰিছিল, কিন্তু ইফালৰপৰা একো সঁহাৰি নাপালে। অনিষ্টকাৰী খিৰিকীখন আগৰ দৰে মেল খাই নথকা হ'ল। নাৰায়ণ চলিহাই কোঠাটোত থকা সময়ত সেইখন বন্ধ কৰি থ'বলৈ ধৰিলে। প্ৰফেছাৰে ইয়াৰ ভিতৰতে তেওঁৰ খবৰ ল'বলৈ আৰম্ভ কৰিছিল দেখি চতুৰ্থ বাৰ্ষিকৰপৰা পঞ্চম বাৰ্ষিকলৈ উঠিয়েই নাৰায়ণ চলিহাই এই মেছটো এৰি আন এটা মেছলৈ গুচি গ'ল।

আচৰিত হ'বলগীয়া ইয়াত তেনে একো নাই। কিন্তু আচৰিত হ'বলগীয়া কামো ডাক্তৰ চলিহাই কৰিলে, আৰু কৰিলে বিয়াৰ খোবা-খুবুনীৰ দিনাই ৰাতি। খাই-বৈ উঠিছে মাথোন, এনেতে তেওঁক নিৰ্ৱ... মানুহ ওলালহি। মাক হ'বলগীয়া তিৰোতা এজনীয়ে কষ্ট খাই আছে, তাতে এয়ে প্ৰথম বাৰ। ধাইজনীয়ে একো উৱাদিহ পোৱা নাই, তেওঁ নগ'লেই নহয়। ঘৰৰ মানুহখিনিয়ে তেওঁক যাবলৈ মানা কৰিলে, "আজি যাব নালাগে, আন ডাক্তৰকে তেওঁলোকে নিয়কগৈ।" কিন্তু এই বাধা-নিষেধে ডাক্তৰ চলিহাক নোযোৱাকৈ ৰাখিব নোৱাৰিলে।

দৰা আহিব বুলি আশা পালি কন্যাই বহুত পৰলৈকে বাট চাই আছিল। এঘাৰ বাজিল, এঘাৰৰ পিছত বাৰ, বাৰৰ পিছত এক। ৰাতি নিঃপালি দিলে। জয়শ্ৰীৰ ভাগৰ লাগিছিল। দুৱাৰখন বন্ধ কৰি বিছনাত পৰি "পৰাণ-প্ৰিয়" স্বামী আহিব আহিব বুলি কল্পনাৰ মায়াজাল ৰচি থাকোঁতেই কেতিয়া যে টোপনি আহিল জয়শ্ৰীয়ে গমকে নাপালে।

ডাক্তৰ চলিহা শেষ ৰাতি ঘৰলৈ উলটি আহিল। আহি দেখিলে গোটেই ঘৰ নিজান-নিস্তব্ধ, ক'তো কাৰো সাৰ-সুৰ নাই। তেওঁ কাকো আমনি নকৰি আৰু টোপনিৰপৰা নুভুলি যি সাজেৰে গৈছিল সেই সাজেৰেই আগৰ ঘৰটোত পাৰি থোৱা শুদা তক্তাপোছ এখনতে শুই থাকিল।

এনেকুৱাই আছিল ডাক্তৰ নাৰায়ণ চলিহা। "ঈশ্বৰে তেওঁৰ আত্মাৰ সদ্‌গতি কৰক"— এইবুলি বিভূতি হাজৰিকাই দুই হাত কপাললৈ তুলি ওপৰলৈ চাই নমস্কাৰ জনালে।

# অৱগাহন

অণিমা দত্ত

যাৰ কথা মই ক'বলৈ ওলাইছোঁ, তেওঁ দুকুৰিবো ওপৰ বয়সৰ এগৰাকী বিদেশী ভদ্ৰমহিলা। নাম ৰ'জা মাৰ্গাৰেট ফ্ৰিল্ড। পাঁচ ফুট শাৰীৰিক উচ্চতা, লনী দেহ, শেঁতা নীলা চকু আৰু অ'ত-ত'ত সময়ৰ ৰূপোৱালী ৰেখা জিলিকা মূৰৰ চুটি মৌ-বৰণীয়া চুলিখিনিৰে ধুনীয়া মানুহগৰাকী। ওঁঠত পাতলকৈ লিপষ্টিক লোৱাৰ বাহিৰে কেতিয়াও কোনো প্ৰসাধনৰ ওচৰ নচপা, কপাহী কাপোৰৰ বাহিৰে আন দামী পোছাক নিপিন্ধা, কেতিয়াও কোনো ক্লাবত গৈ উত্তেজক পানীয় খাই ননচা, সৰল জীৱন যাপন কৰা এই বিদুষী ইংৰাজ মহিলাগৰাকীয়ে চিনাকিৰ দিনৰেপৰা মোৰ মন আকৰ্ষণ কৰিছিল। তেওঁৰ স্বামী নগা পাহাৰৰ নামনি অঞ্চলৰ এখন ডাঙৰ চাহ বাগিচাৰ মেনেজাৰ আছিল। চহৰত অনুষ্ঠিত এখন চিত্ৰ প্ৰদৰ্শনীত মিছেছ ফিল্ডৰ সৈতে মোৰ পৰিচয় হ'ল। আৰু লাহে লাহে আমাৰ মাজত প্ৰগাঢ় আত্মীয়তাও হ'ল।

তেওঁৰ নিমন্ত্ৰণত এদিন তেওঁলোকৰ ঘৰলৈ মই গৈছিলোঁ। চহৰৰপৰা বহুত আঁতৰত, হাবিতলীয়া অঞ্চলত যে এনেকুৱা এটা সৌন্দৰ্যমধুৰ পৰিৱেশ থাকিব পাৰে, সি মোৰ কল্পনাৰো অতীত আছিল। তেওঁলোক থকা অট্টালিকাটো অসমত প্ৰথম চাহখেতি হোৱা দিনৰে। নতুন নতুন কোঠা, বাৰান্দা, গাড়ী পোৰ্চ, এয়াৰ কণ্ডিশ্যনদ শোৱনী কোঠা এইবোৰে অৱশ্যে প্ৰাসাদোপম পুৰণি ঘৰটোক আধুনিক আভিজাত্য দিছে। ঘৰৰ পিছফালৰ নামনি অঞ্চলত এখন চালে চকু ৰোৱা সেউজীয়া বহল মুকলি লন; তাৰ আশে-পাশে অ'ত-ত'ত সোণাৰু ফুলবোৰৰ থালধীয়া পাহিয়ে সেউজীয়া লনত সোণৰ মণি সিঁচি থৈছে। তাৰ ছিল্‌ভাৰ ওক, কৃষ্ণচূড়া আৰু অলেখ নাম নজনা গছৰ তলে তলে একোখনকৈ ফুলৰ বেড। সেই মনোৰম সৌন্দৰ্যই মোৰ চকুৰ দৃষ্টি জুৰ পেলাই দিছিল। আৰু লগে লগে কাণ দুখনো জুৰ পৰি গৈছিল, বাৰান্দাৰ সজা এটাৰপৰা মইনা চৰাই এটাই যেতিয়া লেনীয়াই মাতি উঠিছিল "সখী কি-ৰি-ষ্ণ"। মিছেছ ফিল্ডৰ ডায়েনা আৰু থেৰেচা নামৰ কুকুৰ দুটাই নেজ লৰাই লৰাই বাৰান্দাৰ চিৰিত বহি আছিল আৰু পোহনীয়া মেকুৰীজনীয়ে তুলাৰ দৰে কোমল পোৱালি দুটা লৈ সেউজীয়া ঘাঁহনিখনত খেমালি কৰি আছিল। মই বহিলোঁ। মিছেছ ফিল্ডৰ লগত নানা ধৰণৰ কথা পাতিলোঁ। চাহ আৰু চেণ্ডউইচ খালোঁ।

"আপোনাৰ ঘৰখন বৰ সুন্দৰ। এনেকুৱা সুন্দৰ ফুলনি আগতে ক'তো দেখা মনত নপৰে।" মই ক'লোঁ।

"আমাৰ ঘৰ নহয় গীতা। কোম্পানীয়ে আমাক থাকিবলৈ দিছে। মাথোঁ এইটো সঁচা যে মই ফুলনিখনৰ বৰ তদাৰক কৰোঁ বাবেই এই ৰূপ অক্ষুণ্ণ আছে।"

"আপোনালোকৰ আচল ঘৰ বিলাতৰ ক'ত বাৰু মিছেছ ফিল্ড?"

"কবি ৱৰ্ডছৱৰ্থৰ ঘৰ য'ত আছিল, তাতেই।"

'তেন্তে ডেফ'ডিল ফুলৰ ৰাজ্যত? ইমান মনোৰম ঠাইখনৰপৰা আহি আপোনালোকৰ ইয়াত ভাল লাগে জানো?"

"নালাগিবৰ কাৰণ নাই। চাব জানিলে আচলতে পৃথিৱীৰ সকলো ঠায়েই সুন্দৰ। প্ৰত্যেক ঠাইৰে নিজা বৈশিষ্ট্য আছে। নতুনত্ব আছে। ইয়াত ডেফ'ডিল নাই। কিন্তু সৌ সোণাৰুবোৰ? সোণাৰু নোকোৱা জানো তোমালোকে? সেই মণি সিঁচা গছবোৰনো ক'ত পাম?" মিছেছ ফিল্ডে লাহী ডিঙিটো হেলনীয়া কৰি দূৰৰ গছবোৰলৈ চালে।

"আৰু তোমালোকৰ শংকৰদেৱ, মাধৱদেৱ, মাধৱ কন্দলীক আমাৰ দেশততো নাপাওঁ।"

"আপুনি অসমৰ এই মহাপুৰুষ কবিসকলক জানে?"

মই অতি আচৰিত হ'লোঁ। মিছেছ ফিল্ডে একো নকৈ হাঁহিলে। মোক তেওঁ ড্ৰয়িং ৰুমলৈ লৈ গ'ল। একাষৰ বুক শ্বেল্‌ফখনত জিলিকি আছে মাধৱ কন্দলীৰ ৰামায়ণ, শংকৰদেৱৰ দশম আৰু মাধৱদেৱৰ নামঘোষা। মই অবাক বিস্ময়েৰে চালোঁ। মইনা চৰাইটোৱে আকৌ এবাৰ সুহুৰিয়াই মাতিলে "সখী কৃষ্ণ"।

"চৰাইটোক এই মাত কোনে শিকাইছে মিছেছ ফিল্ড?"

"এমাহমানৰ আগতে হাট এখনৰপৰা চৰাইটো আনিছিলোঁ। অহা দিনৰে পৰাই সি সেইদৰে মাতিছে। তাৰ আগৰগৰাকীয়ে শিকোৱা চাগে'। কৃষ্ণ নামটো বৰ মিঠা। তোমালোকৰ কৃষ্ণ শব্দটোৰ আচল অৰ্থ আনন্দ আৰু শান্তিৰ এটা অনুভূতি নহয় জানো? ইজ দেট্ ইয়ৰ লৰ্ড কৃষ্ণ—এ চেন্স অব জয় এণ্ড ওৱেলবিয়িং? মইতো সেইদৰেই ভাবোঁ।" মিছেছ ফিল্ডৰ প্ৰশান্ত মুখমণ্ডলত বিয়পি পৰা স্নিগ্ধ হাঁহিটোলৈ চাই মই কওঁ, "কৃষ্ণ মানে সুন্দৰ আৰু আনন্দময়।"

হঠাতে মোক আৰু বেছি অবাক কৰি মিছেছ ফিল্ডে নামঘোষাৰ এফাঁকি ঘোষা গাই দিয়ে "কৃষ্ণ হেন শব্দ ইটো পৃথিৱীবাচক ভৈল, ণ আনন্দত প্ৰবৰ্ত্তয়।" সাত সাগৰ তেৰ নদীৰ সিপাৰৰ এগৰাকী বিদেশী মহিলাৰ মুখত আধা ফুটা মাতৰ সেই ঘোষাফাঁকি শুনি মই আচৰিত হ'লোঁ। অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি এই প্ৰীতি দেখি সাহিত্যৰ বুৰঞ্জীৰ পাত জিলিকাই ৰখা অৰুণোদয় যুগৰ মিছেছ ব্ৰন্সন আৰু মিছেছ ব্ৰাউন আদি বিদুষী বিদেশী মহিলাৰ কথা মোৰ মনলৈ আহিল। এওঁ অৱশ্যে অলপ ব্যতিক্ৰম। এওঁ আমাৰ ধৰ্মও ভাল পাইছে। কেৱল ভাষাই নহয়।

"আপুনি আমাৰ ধৰ্মৰ বিষয়ে বহুত জানে।"

"মই সকলো ধৰ্মৰ বিষয়েই কিছু জানো! সাহিত্য হিচাপে মই সকলো ধৰ্মগ্ৰন্থ

পঢ়িছোঁ, কোৰান পঢ়িছোঁ, বাইবেল পঢ়িছোঁ, ত্রিপিটক পঢ়িছোঁ, দশম-নামঘোষাও পঢ়িছোঁ। 'ধৰ্মক জানোহো মই তথাপি প্রবৃত্তি নাই।'...." ৰ'জা ফিল্ডে হাঁহিলে।

মিছেছ ফিল্ডে এইবাৰ মোক নিজৰ বিষয়ে ক'লে। তেওঁৰ ছোৱালীজনী পেৰিচৰ আৰ্ট স্কুল এখনৰ ছাত্রী। পুতেকে বিজ্ঞানৰ গৱেষণা কৰে আৰু তেওঁ নিজে অসমৰ লোক সাহিত্যৰ ওপৰত অধ্যয়ন কৰে। বিলাতৰ ল'ৰা-ছোৱালীৰ বাবে তেওঁ অসমৰ সাধুকথা লিখে। সাধুকথা শিকিবৰ বাবে তেওঁ ওচৰৰ গাঁওবোৰলৈ যায়। অসমীয়া ভালদৰে বুজি পোৱা এই বিদেশী তিৰোতাগৰাকীক বেঢ়ি ধৰে গাঁৱৰ মানুহে। কাৰোবাৰ ঘৰৰ নিমজকৈ মচা পিৰালিত মূঢ়াত বহি তেওঁ সাধুকথা শুনে। ঘৰৰ মুখিয়াল কোনো বুঢ়াই সলসলীয়াকৈ পিয়লি, দুখীৰাম, টেটোনৰ সাধু তেওঁৰ আগত কৈ যায়। মাজে মাজে ৰেৰবপৰা জেঠীয়ে টিক্‌টিকালে সইত সইত বুলি অলপ ৰয়। আকৌ আৰম্ভ কৰে। বাঁহনিৰ সুৰুঙাইদি আহি চোতালত পৰা আবেলিৰ ৰাঙলী ৰ'দৰ পোহৰত ৰ'জা ফিল্ডে সাধুবোৰ বহীত লিখি লয়। আৰু ধোঁৱা বলি থকা এবাটি চাহ আৰু দুখন পিঠাৰে তেওঁক আপ্যায়িত কৰা গৃহিণীক ধন্যবাদ দি মিছেছ ফিল্ড যায়গৈ। হাবিতলীয়া বাটেৰে অকলশৰে পঢ়াশালিলৈ আহিবলৈ ভয় কৰা পাঁচ বছৰীয়া পিয়লিক সহায় কৰা কৃষ্ণ গোসাঁইৰ সাধু শুনি আনন্দ পোৱা মিছেছ ফিল্ডে কথা-বতৰাৰ মাজত সেইদিনাই মোক সুধিছিল—"ইজ্ দেট ইয়ৰ লৰ্ড কৃষ্ণ, এ চেন্স অৱ জয়—এ গল্ডেন ফিলিং অব কনটেন্ট?"

মিছেছ ফিল্ডৰ ড্ৰয়িং ৰুমৰ পাতল নীলা ৰঙৰ বেৰত আঁৰি থোৱা পাগুৰি মৰা মানুহ এজনৰ ছবি এখনলৈ মোৰ চকু গ'ল।

"কাৰ ছবি এইখন?"— সুধিলোঁ।

"আমাৰ বঙলাৰে বুঢ়া চকীদাৰ ৰামলালৰ। মই আঁকিছোঁ পেঞ্চিলেৰে। মোৰ ছোৱালীজনীৰপৰা আৰ্টৰ বিষয়ে মই সামান্য শিক্ষা লৈছিলোঁ। তাই এই বছৰেই কৰ্ছ পূৰা কৰি চেফিল্ডৰ স্কুল এখনত কামত যোগ দিবগৈ।"

এইবাৰ মোৰ আৰু বেছি অবাক হোৱাৰ পাল। মজেইক্ কৰা মজিয়াৰ এই আটকধুনীয়া ড্ৰয়িং ৰুমটোৰ বেৰত কাৰো ছবি নাই। আছে বঙলাৰ বুঢ়া চকীদাৰ এটাৰ। মিছেছ ফিল্ড এক অপূৰ্ব ব্যক্তিত্বৰ অধিকাৰিণী।

ইয়াৰ পিছত দিনবোৰ গৈ থাকিল। মিছেছ ফিল্ডৰ লগত মোৰ ঘনিষ্ঠতা আগৰদৰেই থাকিল। তেওঁ লিখিবলৈ ধৰা অসমৰ সাধুকথাৰ কিতাপখন ইতিমধ্যে শেষ হৈছিল। তাৰ পিছত কাতি মাহৰ এটা জোনাকস্নিগ্ধ সন্ধিয়া মিছেছ ফিল্ডে আমাৰ ঘৰলৈ আহি মোক ক'লে, "গীতা, তোমাক যদি এফালে ফুৰিবলৈ যাবলৈ লগ ধৰোঁ, যাবানে? মা-দেউতাই তে যাবলৈ দিবনে?"

"আপোনাক আমাৰ ঘৰৰ আটায়ে ভালদৰে জানে। গতিকে নিশ্চয় দিব। পিছে কোনফালেনো?"

"মাজুলীলৈ। কাতি মাহৰ পূৰ্ণিমা তিথিটো তোমালোকে ৰাসপূৰ্ণিমা নোবোলা জানো? মই শুনিছোঁ ৰাস পূৰ্ণিমাৰ ৰাতি মাজুলীৰ কিছুমান সত্ৰত কৃষ্ণলীলা সম্বন্ধীয় অতি সুন্দৰ নৃত্য হয়। মই চাবলৈ যাবলৈ মন কৰিছোঁ।" মই যাবলৈ সন্মতি প্ৰকাশ কৰিলোঁ।

"মাজুলী পৃথিৱীৰ আটাইতকৈ ডাঙৰ 'ৰিভাৰ আইলেণ্ড' বুলি মই কিতাপত পঢ়িছোঁ। তদুপৰি আৰু শুনিছোঁ মাজুলীত নানা বৰণীয়া চৰাই আছে। সেইবিলাক চাবলৈ বৰ ভাল লাগিব। আৰু মটৰবোটেৰে ব্ৰহ্মপুত্ৰ পাৰ হ'বলৈকো বেছ ভাল লাগিব কিজানি।"

ইয়াৰ পিছত আমি এদিন কুঁৱলীভৰা সুন্দৰ পুৱা এটাত মাজুলীৰ এখন বিশেষ সত্ৰলৈ যাবলৈ বুলি নিমাতী ঘাটলৈ যাত্ৰা কৰিলোঁ। আমাৰ লগত মোৰ ভনী প্ৰীতাও ওলাল। ৰাতিপুৱাটো সুন্দৰ আছিল। দূৰত ৰিণিকি ৰিণিকি দেখা সেউজীয়া মাজুলী, তাৰো সিপাৰে শাৰী শাৰী নীলা পৰ্বতমালাৰ বুকুৰপৰা খহি পৰা বগা মেঘৰ আঁচল, লুইতৰ কণ কণ ঢৌবোৰত পুৱাৰ ৰ'দালিৰ জিলমিলনি আৰু পাৰত নাচি-বাগি থকা বিৰিণাৰ জোপোহাৰে এটা নয়নাভিৰাম ৰাতিপুৱা। "গীতা, চ' প্লেজেণ্ট" মিছেছ ফিল্ডে চিঞৰি উঠিল উল্লাসেৰে। নীলা কপাহী পোছাকটোৰ ওপৰত ডিঙিৰপৰা ওলমি থকা মুকুতাৰ মালাডাল ৰ'দৰ পোহৰত তিৰ্‌বিৰাই উঠিল। বাইন'কুলাৰটো লৈ তেওঁ দূৰলৈ চাই পঠিয়ালে। "অ' দেট লাভ্‌লি ৰিভাৰ আইলেণ্ড! ইট ইজ চ' ৱাৰ্ম এণ্ড গ্ৰীন এণ্ড ইনভাইটিং। আই অলৰেড্জ লাইক ওৱাটাৰছ"।

কাণকুৰিকা চৰাই এজাক ওপৰেদি কিৰিলিয়াই উৰি গ'ল। মিছেছ ফিল্ডে চৰাইজাক দেখি আনন্দতে হাঁহি দিলে। নৈৰ পাৰত বহি আমি লগত লৈ অহা চাহ-জলপান খালোঁ, তাৰ পিছত এটা সময়ত আমি মটৰবোটত উঠি মাজুলীলৈ বুলি পাৰি দিলোঁ। মাজুলী পাবলৈ অলপ থাকোঁতে দেখিলোঁ পানী-যুঁৱলিৰ নল খাগৰিৰ তলত সোমাই থকা কণ কণ দুৰাকাছবোৰে, মটৰবোটখনে সৃষ্টি কৰা পানীৰ হেন্দোলনিত চক খাই জাঁপ মাৰি টুবুক টুবুককৈ পানীত পৰি দিছে। সেইটো দৃশ্য দেখিও মিছেছ ফিল্ডে বৰ আমোদ পালে।

মাজুলীৰ এখন বিশেষ সত্ৰৰ বাহিৰৰ ডাক বঙলা এটাত আমি তিনি ৰাতি থাকিলোঁ। অসমৰ প্ৰাচীন সংস্কৃতিৰ বৰঘৰ যেন সেই সত্ৰখনতে দুদিনীয়াকৈ মহা সমাৰোহেৰে 'মহাৰাস' অনুষ্ঠিত হৈছিল। অসমৰ বৈষ্ণৱ ধৰ্মৰ বিষয়ে গধুৰ জ্ঞান থকা মিছেছ ফিল্ডে সেই মনোৰম নৃত্যৰাজি চাই অভিভূত হ'ল। আমাক ক'লে, "নৃত্যশিল্পত ভাৰতবৰ্ষ চহকী দেশ বুলি মই জানো। কিন্তু অসমৰ এই আওহতীয়া নিজান গাঁওবোৰত যে এনেকুৱা বৈশিষ্ট্যসম্পন্ন ৰমণীয় নৃত্যকলাৰ চৰ্চা থাকিব পাৰে, সি মোৰ সপোনৰো অগোচৰ আছিল।"

আহিবৰ আগদিনা গধূলি আমি ডাক বঙলাৰ বাহিৰৰ বাৰাণ্ডাত বহি আছিলোঁ। কৃষ্ণা প্ৰতিপদ তিথিৰ জোনটোৱে আকাশত ৰূপালী পোহৰ ছটিয়াই দিছিল। দূৰণিৰ

বাঁহৰ জোপোহাৰ মাজলৈ সোমাই গৈ লাহে লাহে নেদেখা হৈ যোৱা ঠেক বগা আলিবাটটো জোনাকত জিলিকি উঠিছিল। বতাহত হেমন্তকালৰ শেৱালি ফুলৰ জান-নেজান মৃদু গোন্ধ উটি আহিছিল। মিছেছ ফিল্ডে আগদিনা চাই অহা নৃত্য অনুষ্ঠানটোৰ বিষয়ে মোক দুই-এটা কথা সুধিছিল। তাৰ পিছত মই সুধিলোঁ, "আমাৰ ধৰ্মৰ প্ৰতি আপোনাৰ এনে অনুৰাগ কেনেকৈ সম্ভৱ হ'ল মিছেছ ফিল্ড?" তেওঁ হাঁহিলে।

"ধৰ্মৰ প্ৰতি মোৰ কোনো অনুৰাগ নাই। মই কেৱল সাহিত্য আৰু সংস্কৃতিৰহে অনুৰাগী।" তেওঁৰ পোনপটীয়া উত্তৰটোত মই থতমত খাই গ'লোঁ। ভাবিলোঁ তেওঁ কিজানিবা মোৰ কথাত বেয়াই পালে। গতিকে কথাৰ সুৰটো ঘূৰাবলৈ বিচাৰিলোঁ। "মাজুলীখন আপোনাৰ কেনে লাগিছে?"

"ভাল। আজি পুৱা নৈৰ পাৰত ফুৰিবলৈ যাওঁতে যে কনৰীয়া চৰাইবোৰ দেখিছিলোঁ, বৰ ভাল লাগিছিল। আৰু দুবাকাছবোৰ! সিহঁতবোৰকো যে কিমান ভাল লাগিছিল। গাঁৱৰ ল'ৰা-ছোৱালীবোৰ অতি মৰমলগা। কেনে সৰল সিহঁতৰ মুখৰ ছবিবোৰ। এই বিশাল নৈখনৰ সিপাৰে যে এখন জগত আছে, সিহঁতে তাৰ গমকে নাপায়। স্বাস্থ্যও সিহঁতৰ নিখুঁত।"

অকণমান সময় আমি মনে মনে থাকিলোঁ। মোৰ ভনী প্ৰীতাই সুধিলে, "আজি কি বাৰ অ' বাইদেউ?"

"দেওবাৰ।" হঠাতে মিছেছ ফিল্ডক মই সুধি পেলালোঁ, "আজি আপোনালোকৰ বোধকৰোঁ দুটা চাৰ্চিচ আছিল। আপোনাৰ যোৱা নহ'ল।"

নিজৰ ধৰ্মত তেওঁৰ কিমান নিষ্ঠা, তাকে জানিবৰ কাৰণেই মই সুধিলোঁ।

"মোৰ কোনো চাৰ্চিচলৈ যোৱা অভ্যাস নাই গীতা। আমাৰ পৰিয়ালৰ কোনো গীৰ্জালৈ নাযায়। তুমি হয়তো শুনিলে বিশ্বাস নকৰিবা, আমি খৃষ্টিয়ান নহওঁ।" মিছেছ ফিল্ডে ক'লে।

আমি সঁচাকৈয়ে আচৰিত হ'লোঁ। এই ধুনীয়া মানুহজনী কি এটা জটিল সাঁথৰ।

"এসময়ত আমি অৱশ্যে খৃষ্টিয়ানেই আছিলোঁ। কিন্তু জীৱনৰ ওপৰত গভীৰ অভিজ্ঞতা হোৱাৰ পিছত মোৰ ধৰ্মৰ প্ৰতি কোনো স্পৃহা নোহোৱা হ'ল। এতিয়া ভাৱধাৰাকে লৈছে।"

মই অবাক হৈ মিছেছ ফিল্ডলৈ চাই ৰ'লোঁ। তেওঁৰ প্ৰতি হঠাতে মোৰ মনত কিবা এটা বিদ্বেষ ভাব অংকুৰিত হ'ল। কিবা এটা বিজতৰীয়া সংকোচ উপস্থিত হ'ল। এই কমনীয় মুখৰ নাৰীগৰাকী ধৰ্ম-পৰায়ণাতো নহয়েই, ঈশ্বৰ-বিশ্বাসীও নহয়। নাস্তিক। মোৰ আগত নামঘোষা মাতি শুনাইছিল। আৰু এতিয়া কৈছে, সেই অনুৰক্তি সাহিত্যৰ প্ৰতিহে। ধৰ্মৰ প্ৰতি কোনো ধৰণৰ দুৰ্বলতাক তেওঁ প্ৰশ্ৰয় নিদিয়ে। অথচ আমি তেনে কথা ভাবিবই নোৱাৰোঁ। তেনেধৰণে ভবাটোও পাপ। কথাবোৰ মোৰ কিবা জুকিয়াব

নোৱৰা যেন লাগিল। মই নিৰ্বাক হৈ বহি ৰ'লোঁ। এনে লাগিল, মোৰ সমুখত যেন সেয়া মিছেছ ফিল্ড নামৰ কোনো নাৰী বহি থকা নাই। চাৰিওফালে ধুঁৱলী-কুঁৱলী। তাৰ মাজত এগৰাকী বিদূষী বিদেশী মহিলাৰ বুদ্ধিদীপ্ত মুখৰ ছবিখন ক্ৰমান্বয়ে অস্পষ্ট হৈ অদৃশ্য হৈ গৈছে। হঠাতে মোৰ চেতনা ঘূৰি আহিল। মিছেছ ফিল্ডৰ কোমল মুখখন জোনাকত জিলিকি উঠিছিল। নৱেম্বৰ মাহৰ নিশাৰ কুঁৱলীবোৰে বাবাগুণ্ঠন ঢাকি ধৰিছিলহি। ৰ'জা ফিল্ডে ক'লে, "প্ৰীতা, জাৰ পৰিছে। ব'লা ভিতৰলৈ যাওঁ। প্ৰীতাৰ বোধকৰোঁ টোপনিও ধৰিছে। কালিলৈ পুৱাতেই আমি নৈ পাৰ হ'ব লাগিব নহয়। গতিকে সোনকালে শোৱা ভাল।"

এমাহ পিছৰ কথা। এদিন মিছেছ ফিল্ডৰ বঙলালৈ গৈছিলোঁ। তেতিয়া বেলি ডুবিবৰ সময় হৈছিল। বঙলাৰ পিছফালৰ সুবিস্তৃত লনখনৰ একাষে থকা উইপিং উইলজোপাৰ তলতে বহি মিছেছ ফিল্ডে কিতাপ এখন পঢ়ি আছিল। মোক দেখি হাঁহি অভিবাদন জনালে। বহিবলৈ দিলে আৰু ক'লে, সেইখন তেওঁ লিখা অসমৰ সাধুকথাৰ পুথি। বিলাতৰ এটা প্ৰতিষ্ঠানে ছপাই উলিয়াইছে। আগদিনা কেইখনমান কিতাপৰ এটা পাৰ্চেল আহি পাইছে। এখন মোৰ বাবেও আছে।

"মই অলপ আগতে স্কুলৰপৰা আহি পাইছোঁ।"

"স্কুলৰপৰা?" মই সুধিলোঁ।

"মই বাগিচাৰ বনুৱাৰ ল'ৰাবোৰক সপ্তাহত দুদিন ইংৰাজী শিকাওঁ। সৰু সৰু ল'ৰাবোৰক শিকোৱাত এটা আনন্দ আছে। সিহঁতেও মোক বিচাৰে। কেতিয়াবা নগ'লে ঘৰ ওলায়হি।"

মিছেছ ফিল্ডৰ উদাৰতাৰ পৰিচয় পাই মই অভিভূত হ'লোঁ। মানুহগৰাকীৰ কি অফুৰন্ত প্ৰাণশক্তি। গৱেষণা কৰে, কিতাপ লিখে, গাঁৱে গাঁৱে গৈ সাধুকথা বোটলে, ছবি আঁকে, ঘৰৰ যাৱতীয় কামতো অকণো আওহেলা নকৰে। তাৰ পিছতো আকৌ দুখীয়া বনুৱাৰ ল'ৰাবোৰক পঢ়ায়।

আমি অন্য কথা পাতিলোঁ। চাহ খালোঁ আৰু তাৰ পিছত মই আহিবলৈ বুলি ওলালোঁ। ঠিক তেনে সময়তে এটা ঘটনা ঘটিল। এটা ক্ষীণ আৰু দুৰ্বল চেহেৰাৰ চাৰি বছৰীয়া ল'ৰা দৌৰি আহি আমাৰ ওচৰ পালেহি। মিছেছ ফিল্ডে তাক দেখি গালত হাত ফুৰাই মৰম কৰি কাষলৈ টানি ল'লে আৰু মোক ক'লে, "এইটো আমাৰ ড্ৰাইভাৰ মোহনৰ ল'ৰা। ইয়াৰ স্বাস্থ্য সৰুৰেপৰা ভাল নহয়। মই যথেষ্ট তদাৰক কৰোঁ। কিন্তু সি দেখোন গাটো টঙাবই নোৱাৰে।"

ল'ৰাটোৱে অজলা চাৱনিৰে মিছেছ ফিল্ডলৈ চালে। তেওঁ অকণমান ৰ'ল। তাৰ পাছত আকৌ ক'লে, "গীতা, তুমিতো গল্প লিখা। মোহন ড্ৰাইভাৰৰ জীৱনটো লৈও এটা গল্প লিখিব পাৰা। বেচেৰা বৰ দুৰ্ভগীয়া। বাগিচাৰে এজনী খৃষ্টিয়ান বনুৱা ছোৱালীক সি হিয়া উবুৰিয়াই ভাল পাইছিল। সিহঁতৰ জাত নিমিলাৰ বাবে বিয়াৰ বাটত অলেখ

হেঙাৰ পৰিল। অৱশেষত সত্য প্ৰেমৰে জয় হ'ল। কিন্তু সন্তানটো জন্ম হোৱাৰ পাছতে ঘৈণীয়েক মৰিল। যত্নৰ অভাৱত কেঁচুৱাটোৰ স্বাস্থ্য একেবাৰে বেয়া হ'ল। কিন্তু তাক কোনেও গ্ৰহণ নকৰে। তাইৰ মাক-বাপেকে নিনিলে। মোহনৰ বাপেকেও নিনিলে। কাৰণ নাতি হ'লেও তাৰ গাত খৃষ্টিয়ানৰ তেজ মিহলি আছে।" মিছেছ ফিল্ডে অলপ ৰৈ আকৌ ক'লে, "কিন্তু মইতো কেঁচুৱাটো মৰি যাবলৈ দিব নোৱাৰোঁ। পইচা ভাঙি তাৰ চিকিৎসা কৰালোঁ। সি স্বাস্থ্য ঘূৰাই পালে। কিন্তু জেউতি নাই। এই পৃথিৱীত সি যেন এটা অনাহুত অতিথিহে।" তেওঁৰ চকু দুটা পানীৰে ভৰি পৰিল। কিছু সময় মৌন হৈ থাকি তেওঁ আকৌ ক'লে, "এইবোৰ দেখি-শুনি অস্কাৰ ওৱাইল্ডৰ এষাৰ কথাকে মনত পৰে—উই হেভ জাষ্ট্ এনাফ্ ৰিলিজিয়ন টু মেক আচ হেট, বাট নট এনাফ্ টু মেক আচ লাভ ওৱান এনাদাৰ।এনে ধৰণৰ কথাৰে তোমাক ইনফ্লুৱেন্স্ কৰিব খোজা বুলি যেন ভুলতো নাভাবা। যদি মই কিবা অপ্ৰিয় ক'লোঁ তাৰ বাবে ক্ষমা কৰিবা দেই।"

মই নিৰ্বাক হৈ ৰ'লোঁ। উত্তৰ হিচাপে মোৰ মুখৰপৰা এটা কথাও সৰি নপৰিল। মোৰ মনত তেতিয়া অন্য কোনো ভাব-চিন্তাৰ ঠাই নাছিল। সন্ধিয়াৰ পাতল আন্ধাৰত মই কেৱল মণিব পাৰিলোঁ এক সনাতন পৱিত্ৰ মাতৃ মূৰ্তিৰ ছবি—পৃথিৱীৰ সকলো ধৰ্মৰ অতীত, কৰুণা আৰু মমতাৰে সিক্ত মধুময়ী সেই মাতৃৰূপ।

---

সহায়ক গ্ৰন্থপঞ্জী :

- শইকীয়া বৰা, লীলাৱতী (সম্পাদনা) ঃ অসমীয়া চুটিগল্পৰ প্ৰবাহ
- শইকীয়া, নগেন (সম্পাদনা) ঃ বেজবৰুৱা-ৰচনাৱলী (তৃতীয় খণ্ড)
- বৰা, অপূৰ্ব (সম্পাদনা) ঃ অসমীয়া চুটিগল্প ঃ ঐতিহ্য আৰু বিৱৰ্তন
- শৰ্মা, শৈলেনজিৎ (সম্পাদনা) ঃ অসমীয়া চুটিগল্পৰ আলোচনা
- ভট্টাচাৰ্য, বসন্ত কুমাৰ ঃ অসমীয়া চুটিগল্পৰ সুবাস

অন্য সমল ঃ

- ইণ্টাৰনেট
- বাতৰিকাকত

# ৰচনাধৰ্মী আৰ্হি প্ৰশ্ন

১। উপন্যাস আৰু চুটিগল্পৰ সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ নিৰূপণ কৰা।

## ধোঁৱাখোৱা

২। লক্ষ্মীনাথ বেজবৰুৱাৰ 'ধোঁৱাখোৱা' গল্পৰ আধাৰত ধোৱাখোৱাৰ অপকাৰিতা সম্পৰ্কে বুজাই লিখা।

৩। 'ধোঁৱাখোৱা' গল্পত অসমীয়া সমাজৰ আমোলা শ্ৰেণীৰ মিছা ভেম, ভণ্ডামি, অন্ধবিশ্বাস আদিৰ ছবি কিদৰে অংকিত হৈছে, আলোচনা কৰা।

## ভাগ-বাটোৱাৰা

৪। 'ভাগ-বাটোৱাৰা' গল্পৰ কেন্দ্ৰীয়/প্ৰধান/হেমন্তৰ চৰিত্ৰটো বিশ্লেষণ কৰা।

৫। অসমীয়া সমাজত ভাই-ককাইৰ সম্বন্ধ কেনেকুৱা? নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ 'ভাগ-বাটোৱাৰা' গল্পৰ আধাৰত বিচাৰ কৰা।

৬। নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ 'ভাগ-বাটোৱাৰা' গল্পত অৰ্থৰ গুৰুত্ব আৰু মূল্যবোধৰ জয়গান কিদৰে বাংময় হৈছে, বৰ্ণনা কৰা।

## ডাক্তৰ

৭। লক্ষ্মীনাথ ফুকনৰ 'ডাক্তৰ' চুটিগল্পত ডাক্তৰৰ মহানুভৱতা আৰু নিষ্ঠুৰতাৰ ছবি কেনেদৰে অংকিত হৈছে, বিশ্লেষণ কৰা।

৮। চৰিত্ৰপ্ৰধান চুটিগল্প হিচাপে লক্ষ্মীনাথ ফুকনৰ 'ডাক্তৰ' চুটিগল্পটো বিচাৰ কৰা।

## অৱগাহন

৯। ৰ'জা মাৰ্গাৰেট ফিল্ডৰ আচৰণ আৰু কৰ্ম পদ্ধতিয়ে গীতাৰ মনত কেনে ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল, বৰ্ণনা কৰা।

১০। "তথাকথিত ধৰ্মভীৰু সমাজৰ সংকীৰ্ণ মানসিকতাৰ বিপৰীতে ধৰ্ম আৰু ঈশ্বৰত বিশ্বাসহীন এগৰাকী নাৰীৰ মানৱিক চেতনাৰ মহত্ত্ব প্ৰকাশ গল্পটোৰ কেন্দ্ৰীয় ভাব।" অণিমা দত্তৰ 'অৱগাহন' গল্পটোৰ সম্পৰ্কত সমালোচকৰ এই মন্তব্যৰ যথাৰ্থতা প্ৰতিপন্ন কৰা।

---

3 (Sem-4) ASM MIL

# 2013

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখা ঃ ১ x ১০ = ১০

(ক) কোনখন আলোচনীৰ জৰিয়তে অসমীয়া চুটিগল্পৰ প্ৰাৰম্ভিক স্তৰ আৰম্ভ হয়?

(খ) নগেন্দ্ৰ নাৰায়ণ চৌধুৰী কোনখন আলোচনীৰ পৃষ্ঠপোষক আৰু গল্পকাৰ আছিল?

(গ) লক্ষ্মীনাথ ফুকনৰ এখন গল্পপুথিৰ নাম লিখা।

(ঘ) অসমীয়া সাহিত্যৰ 'ছাৰ ৱাল্টাৰ স্কট' বুলি কাক কোৱা হয়?

(ঙ) গংগাৰামৰ মৃত্যুৰ পাছত ৰামেশ্বৰ কেইদফা বস্তুৰ মালিক হৈছিল?

(চ) আদ্যনাথ দদায়েকে হেমন্তক প্ৰথমে ৰামায়ণৰ কোনটো চৰিত্ৰৰ লগত ৰিজাইছিল?

(ছ) পুৱা চাহ খাই থাকোঁতে বিভূতি হাজৰিকাই কি খবৰ পাইছিল?

(জ) ৰ'জা মাৰ্গাৰেট ফিল্ডৰ আচল ঘৰ ক'ত?

(ঝ) ৰজনীকান্ত বৰদলৈৰ প্ৰথম উপন্যাসখনৰ নাম কি?

(ঞ) 'নিৰ্মল ভকত' উপন্যাসখন কিমান চনত প্ৰকাশিত হৈছিল?

২। চমু উত্তৰ দিয়া ঃ ২ x ৫ = ১০

(ক) চুটিগল্পৰ দুটা বৈশিষ্ট্য লিখা।

(খ) ক'লৈ যাওঁতে ৰামেশ্বৰৰ হাতৰ [illegible]া ধোঁৱাখোৱাটো পানীত পৰিছিল? সেই ধোঁৱাখোৱাটো কিহৰ আছিল?

(গ) "তুমি কি নিবা কোৱা? মোক লাগে নে এই সম্পত্তি লাগে?" কথাষাৰ কোনে, কাক উদ্দেশ্য কৰি কৈছিল?

(ঘ) ৰামলাল কোন? গীতাই তেওঁৰ ছবিখন ক'ত দেখিছিল?

(ঙ) মানৰ কোনটো আক্ৰমণৰ সময়ত নিৰ্মল যুদ্ধবন্দী হৈছিল? যুদ্ধবন্দী কৰি তেওঁক ক'লৈ নিয়া হৈছিল?

৩। চমু উত্তৰ দিয়া (যি কোনো চাৰিটা) ঃ ৫ X ৪ = ২০

(ক) অসমীয়া চুটিগল্পৰ জন্ম আৰু বিকাশত আলোচনীৰ ভূমিকা সম্পৰ্কে কি জানা লিখা।

(খ) 'ধোঁৱাখোৱা' গল্পত ধোঁৱাখোৱাটোক কিহৰ প্ৰতীক ৰূপে ব্যৱহাৰ কৰা হৈছে?

(গ) 'ডাক্তৰ' গল্পত ডাক্তৰ চলিহাৰ কেনে ব্যক্তিত্ব ফুটি ওলাইছে, বিচাৰ কৰা।

(ঘ) 'অৱগাহন' গল্পৰ নামকৰণৰ তাৎপৰ্য বিচাৰ কৰা।

(ঙ) ঐতিহাসিক উপন্যাসৰ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(চ) অনিৰামৰ সৈতে ৰূপহীৰ বিয়াৰ কথা গম পোৱাৰ পাছত নিৰ্মলে কি পথ বাছি লৈছিল, চমুকৈ লিখা।

৪। (ক) 'ধোঁৱাখোৱা' গল্পটো চুটিগল্প হিচাপে বিচাৰ কৰা। ১০

*অথবা*

'ভাগ-বাটোৱাৰা' গল্পৰ শৰৎ চন্দ্ৰিত্ৰটো বিশ্লেষণ কৰা।

(খ) 'ডাক্তৰ' গল্পৰ চৰিত্ৰ চিত্ৰণত বৈপৰীত্যৰ নীতি কেনেদৰে ব্যৱহাৰ কৰা হৈছে, বুজাই লিখা। ১০

*অথবা*

'অৱগাহন' গল্পত ব'জা মাৰ্গাৰেট ফিল্ডৰ মহানতা কিদৰে প্ৰকাশ পাইছে, বিচাৰ কৰা।

(গ) 'নিৰ্মল ভকত' উপন্যাসত অসমত মানৰ আক্ৰমণ সম্পৰ্কে কি কি কথা দাঙি ধৰিছে, বিশ্লেষণ কৰা। ১০

*অথবা*

'নিৰ্মল ভকত' উপন্যাসৰ নায়ক চৰিত্ৰটো বিশ্লেষণ কৰা।

৫। ৰচনা লিখা (যি কোনো এখন) ঃ ১০

(ক) জাতীয় সংহতি

(খ) পৰিৱেশ প্ৰদূষণ আৰু ইয়াৰ নিয়ন্ত্ৰণৰ উপায়

(গ) সমাজ গঠনত ছাত্ৰৰ ভূমিকা

(ঘ) ইণ্টাৰনেট প্ৰযুক্তি

❖❖❖

3 (Sem-4) ASM MIL

# 2014

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখা ঃ ১ x ১০ = ১০

(ক) কোন শতিকাত অসমীয়া চুটিগল্পৰ জন্ম হয়?

(খ) 'আৱাহন' আলোচনীৰ প্ৰথমগৰাকী সম্পাদক কোন?

(গ) ৰামধেনু যুগৰ এজন গল্পকাৰৰ নাম লিখা।

(ঘ) "বাৰু বোপাহঁত কুশলে থাক" বুলি আমুকা পণ্ডিতে কাক কৈছিল?

(ঙ) 'ভাগ-বাটোৱাৰা'ত কোনটো পুৰুষ চৰিত্ৰক অদৃষ্টবাদী ৰূপে দেখুওৱা হৈছে?

(চ) 'বেমাৰীৰ চিকিৎসা আগ, তাৰ পিছতহে ডাক্তৰৰ কথা।" এইষাৰ কাৰ কথা?

(ছ) 'অৱগাহন'ৰ মহৎ নাৰী চৰিত্ৰটোৰ সম্পূৰ্ণ নাম লিখা।

(জ) ৰজনীকান্ত বৰদলৈক কোনজন ইংৰাজ ঔপন্যাসিকৰ লগত তুলনা কৰা হয়?

(ঝ) ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰা সৰ্বমুঠ উপন্যাস কেইখন?

(ঞ) নিৰ্মল ভকতৰ লগত কোনখন সত্ৰৰ নাম জড়িত হৈ আছে?

২। চমু উত্তৰ দিয়া ঃ ২ x ৫ = ১০

(ক) ৰামেশ্বৰৰ দেউতাকৰ নাম কি? তেওঁ কেনেকুৱা খৰম পিন্ধিছিল?

(খ) হেমন্ত ঘৰ এৰি ক'লৈ গৈছিল? এই যাত্ৰাত সৰ্বমুঠ কেইজন মহৰী আছিল?

(গ) ডাক্তৰ চলিহাৰ লগত বিভূতি হাজৰিকাৰ পৰিচয় ক'ত হৈছিল? বিভূতি হাজৰিকাই তেতিয়া কি পঢ়ি আছিল?

(ঘ) "আপুনি আমাৰ ধৰ্মৰ বিষয়ে বহুত জানে।" 'অৱগাহন' গল্পত এই কথাষাৰ কোনে, কাক কৈছিল?

(ঙ) কাৰ সৈতে হোৱা যুদ্ধত নিৰ্মল পৰাজিত হৈছিল? তেওঁ যুদ্ধবন্দী ৰূপে ক'লৈ যাবলগীয়া হৈছিল?

৩। চমুকৈ লিখা (যি কোনো চাৰিটা) ঃ ৫ X ৪ = ২০

(ক) অসমীয়া চুটিগল্পৰ প্ৰাৰম্ভিক স্তৰৰ বিষয়ে চমুকৈ লিখা।

(খ) ধোঁৱাখোৱাৰ অভ্যাসে ৰামেশ্বৰৰ জীৱনলৈ কেনে দুৰ্গতি মাতি আনিলে?

(গ) 'ডাক্তৰ'ত ডাক্তৰ চক্ৰৱৰ্তীৰ কেনে ধৰণৰ কৰ্মৰ কথা বৰ্ণিত হৈছে, চমুকৈ লিখা।

(ঘ) 'অৱগাহন' গল্পৰ মূল বক্তব্য-বিষয় কি?

(ঙ) কেনে ধৰণৰ দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰি হেমন্ত বিদেশলৈ গৈছিল?

(চ) ঐতিহাসিক উপন্যাসৰ বিশেষত্বসমূহ বৰ্ণনা কৰা।

৪। (ক) 'ধোঁৱাখোৱা' গল্পত কোন সময়ৰ আৰু কেনে ধৰণৰ সমাজ চিত্ৰিত হৈছে? ১০

*অথবা*

'ভাগ-বাটোৱাৰা' গল্পৰ যি কোনো এটা পুৰুষ চৰিত্ৰ বিশ্লেষণ কৰা।

(খ) 'ডাক্তৰ' গল্পটো চুটিগল্প হিচাপে বিচাৰ কৰা। ১০

*অথবা*

মিছেছ ফিল্ডৰ কৰ্মৰাজি সম্পৰ্কে কি জানা, লিখা।

(গ) 'নিৰ্মল ভকত'ৰ পটভূমি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

'নিৰ্মল ভকত'ৰ ৰূপহী চৰিত্ৰটো বিশ্লেষণ কৰা।

৫। ৰচনা লিখা (যি কোনো এটা বিষয়ৰ) ঃ ১০

(ক) সমাজ সংগঠনত ছাত্ৰৰ ভূমিকা

(খ) দুৰ্নীতি আৰু অসমৰ সমাজ ব্যৱস্থা

(গ) নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা

(ঘ) সমাজ আৰু সাহিত্য

❖❖❖

# 2015

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখা ঃ ১ x ১০ = ১০

(ক) প্ৰথম অসমীয়া চুটিগল্পটো কোনখন কাকতত প্ৰকাশিত হৈছিল ?

(খ) 'কেহোঁকলি' কাৰ গল্প সংকলন ?

(গ) 'আৱাহন' আলোচনীৰ জৰিয়তে অসমীয়া চুটিগল্পৰ ইতিহাসৰ কি নামৰ যুগৰ আৰম্ভণি হয় ?

(ঘ) যুদ্ধোত্তৰ যুগৰ অসমীয়া গল্পকাৰ এগৰাকীৰ নাম লিখা।

(ঙ) 'ভাগ-বাটোৱাৰা' গল্পত 'ডব্লিউ বনফিল্ড এণ্ড কোং' নামৰ কোম্পানীটোৱে কোনখন দেশৰ হাবি থকা ঠাই ম্যাদী পট্টা কৰি লোৱাৰ উল্লেখ আছে?

(চ) 'ডাক্তৰ' গল্পটিত বিভূতি হাজৰিকাই পুৱাতে কাৰ মৃত্যুৰ খবৰ পাইছে?

(ছ) ৰ'জা মাৰ্গাৰেট ফিল্ডৰ সৈতে কোন কোন মাজুলীলৈ গৈছিল ?

(জ) অসমীয়া সাহিত্যত উপন্যাস সম্ৰাট বুলি কাক কোৱা হয় ?

(ঝ) 'নিৰ্মল ভকত' উপন্যাসখনত টেনিছনৰ কোনখন উপন্যাসৰ প্ৰভাৱ দেখা যায় ?

(ঞ) 'নিৰ্মল ভকত' উপন্যাসখন কিমান চনত প্ৰকাশিত হৈছিল ?

২। চমু উত্তৰ দিয়া ঃ ২ x ৫ = ১০

(ক) 'ধোৱাখোৱা' গল্পত থকা মাহিন্দ্ৰী আৰু বাতিয়াৰ পৰিচয় দিয়া।

(খ) "তুমি কি নিবা কোৱা ? মোক লাগে নে এই সম্পত্তি লাগে ?" কথাষাৰ কোনে, কাক উদ্দেশ্য কৰি কৈছিল ?

(গ) 'ডাক্তৰ' গল্পত থকা যি কোনো দুজন ডাক্তৰৰ নাম সম্পূৰ্ণকৈ লিখা।

(ঘ) মিছেছ ফিল্ডে কাৰ ল'ৰাবোৰক ইংৰাজী শিকাইছিল ? তেওঁ গাঁৱে গাঁৱে গৈ কি সংগ্ৰহ কৰিছিল ?

(ঙ) 'নিৰ্মল ভকত' উপন্যাসখনত উল্লেখ কৰা যি কোনো দুজন ঐতিহাসিক ব্যক্তিৰ নাম লিখা।

৩। চমু উত্তৰ দিয়া (যি কোনো চাৰিটা)ঃ  ৫ X ৪ = ২০

(ক) চুটিগল্প বুলিলে কি বুজা? সাধুকথাৰ লগত ই কি কি ক্ষেত্ৰত নিমিলে?

(খ) 'ধোঁৱাখোৱা' গল্পত গল্পকাৰৰ বক্তব্য-বিষয় কি?

(গ) হেমন্ত কিয় গোপনে বিদেশলৈ গুছি গৈছিল, বুজাই লিখা।

(ঘ) 'ডাক্তৰ' গল্পত ডাক্তৰ চলিহাক কেনে ধৰণৰ ব্যক্তি ৰূপে দেখুওৱা হৈছে?

(ঙ) 'অৱগাহন' শব্দৰ অৰ্থ কি? 'অৱগাহন' গল্পটিত এই অৰ্থ কিদৰে প্ৰকাশ পাইছে?

(চ) 'নিৰ্মল ভকত' উপন্যাসখনৰ পটভূমিৰ গুৰুত্ব ব্যাখ্যা কৰা।

৪। (ক) 'ধোঁৱাখোৱা' গল্পটিক লক্ষ্মীনাথ বেজবৰুৱাৰ এটা প্ৰতিনিধিত্বমূলক গল্প হিচাপে দাঙি ধৰা। ১০

*অথবা*

'ভাগ-বাটোৱাৰা' গল্পত সমসাময়িক সমাজখন কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(খ) 'ডাক্তৰ' গল্পত গল্পকাৰৰ কেনে ধৰণৰ জীৱন দৰ্শন প্ৰকাশ পাইছে, বিচাৰ কৰা। ১০

*অথবা*

'অৱগাহন' গল্পৰ ৰ'জা মাৰ্গাৰেট ফিল্ডৰ চৰিত্ৰ বিশ্লেষণ কৰা।

(গ) ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ বিশেষত্ব সম্পৰ্কে এটি নিবন্ধ প্ৰস্তুত কৰা। ১০

*অথবা*

'নিৰ্মল ভকত' উপন্যাসত ৰূপহীৰ জীৱন-কাহিনীক ঔপন্যাসিকে কেনেদৰে আগবঢ়াই নিছে, দেখুওৱা।

৫। ৰচনা লিখা (যি কোনো এখন)ঃ ১০

(ক) অসমৰ প্ৰধান সমস্যাসমূহ

(খ) ছাত্ৰ-শিক্ষক-অভিভাৱকৰ সম্পৰ্ক

(গ) ফেচবুক আৰু তাৰ প্ৰভাৱ

(ঘ) অসমীয়া চিনেমাৰ সত্তৰ বছৰ

❖❖❖

# খাইৰ প্ৰকাশন

## পুস্তকালয়, কম্পিউটাৰ চেণ্টাৰ

মৈৰাবাৰী (কলেজ ৰ'ড), মৰিগাঁও, অসম
ই-মেইল ঃ khairprakashan@gmail.com
ফোন ঃ ৮৪৮৬২-৮৯৪৫৪, ৯৫০৮১-৫৩৮০২

আমাৰ ইয়াত বিভিন্ন ধৰণৰ কিতাপ-আলোচনী প্ৰকাশ আৰু বিক্ৰী কৰাৰ লগতে কম্পিউটাৰৰ যাৱতীয় কাম-কাজ (ফটো, ফটোষ্টেট, ডি.টি.পি., ইণ্টাৰনেট) কৰা হয়।

### আমাৰ উদ্দেশ্য

গ্ৰন্থ আন্দোলনৰ মাধ্যমেদি বৌদ্ধিক চিন্তাৰ উন্মেষ।

আমাৰ নিজা প্ৰকাশিত-পৰিৱেশিত কিছু গ্ৰন্থ ঃ

- শৈশৱৰ সেই দৃশ্যটি ... (কবিতা)
- বগা দাগৰ ৰহস্য (গল্প)
- লাগিলে তুমি নোহোৱা কিয় মোৰ আজন্ম প্ৰেয়সী (কবিতা)
- অসমৰ অভিবাসী মুছলমানসকলৰ সাঁথৰ
- ৰমজানৰ কবিতা (ৰমজান বিশেষ বাৰ্ষিক কাব্য সংকলন)
- ইংৰাজী-অসমীয়া ভাবানুবাদসহ ইলিছাৰ নিৰ্বাচিত আৰবী গীত
- অসমীয়া কবিতা সম্ভাৰ (১৫০গৰাকী কবিৰ নিৰ্বাচিত কবিতা)
- ৰক্তাক্ত কাৰবালা (নাটক)
- National Seminar on Mathematics Education, 2014 : Morigaon College (Proceeding Book)
- ইছলামী জ্ঞানকোষ
- অসম আৰু অসমৰ মুছলমানৰ সমস্যা
- এনাজৰী (সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ)
- মোৰ সোণোৱালী শৈশৱৰ একুঁকি কবিতা

ISBN 978-81-930638-0-4
9 788193 063804

Price : ₹ 50/-